## প্ৰথম অধ্যায়

# বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত প্ৰকাশিত প্ৰধান প্ৰসংগসমূহ

বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত প্ৰকাশিত প্ৰধান প্ৰসংগসমূহৰ বিষয়ে ক'বলৈ যোৱাৰ পূৰ্বে অতি চমুকৈ বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱন আৰু কৰ্ম সম্পৰ্কে এটি আভাস দি লোৱাটো উচিত হ'ব।

অসমীয়া জাতিটোক সাহিত্য আৰু ধৰ্মৰ জ্ঞানেৰে আলোকিত কৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ পৰৱৰ্তী সময়ত যিকেইগৰাকী ব্যক্তিয়ে অসমীয়া জাতিটোৰ মুক্তিৰ নৱচেতনা জাগ্ৰত কৰিছিল সেইকেইজনৰ ভিতৰত বিষ্ণুপ্ৰসাদ ৰাভা অন্যতম আছিল। গুৰুদুজনাৰ পৰা প্ৰায় তিনিশ পঞ্চাশ বছৰ পিছত অবিভক্ত ভাৰতবৰ্ষৰ বাংলাদেশৰ ঢাকা সেনা ছাউনীত ১৯০৯ চনৰ ৩১ জানুৱাৰী বৃহস্পতিবাৰে বিষ্ণুপ্ৰসাদ ৰাভাই জন্মগ্ৰহণ কৰে। বিষ্ণু ৰাভাৰ পিতৃ আছিল চৰ্দাৰ গোপাল চন্দ্ৰ দাস আৰু মাতৃ আছিল গেথীবালা দাস (ৰাভা)। বিষ্ণু ৰাভা আছিল গোপাল চন্দ্ৰ দাসৰ অষ্টম সন্তান। গোপাল দাসৰ পাঁচজন পুত্ৰ আৰু তিনিগৰাকী কন্যা সন্তান আছিল। পুত্ৰ সন্তান হৈছে- দিলীপ, গোলাপ, নন্দলাল, বিষ্ণুপ্ৰসাদ আৰু ৰঞ্জিত। কন্যা সন্তান তিনিগৰাকী হৈছে- মনমোহিনী, কমলা আৰু লক্ষ্মী।

বিষ্ণুপ্ৰসাদ ৰাভাৰ পিতৃ গোপাল চন্দ্ৰ দাসৰ পিতৃৰ নাম আছিল শনিৰাম কছাৰী। শনিৰাম কছাৰী ব্ৰিটিছ নেটিভ লাইট ইনফেন্ট্ৰীৰ ওদালগুৰিত জামাদাৰ পদত নিযুক্ত আছিল। পৰিয়াল সহিতে মিলিটাৰী বেৰেকত থাকোতে প্ৰথম পুত্ৰ সন্তানৰ জন্ম হয়। নাম ৰাখে ধনসিং। ধনসিঙৰ পিছত দ্বিতীয় সন্তান গোপালৰ জন্ম হয়। গোপাল এবছৰীয়া হওঁতে মাকক বসন্ত ৰোগত হেৰুৱাবলগীয়া হয়। শনিৰাম কছাৰীৰ পক্ষে সেই সময়ৰ পৰিস্থিতিত দুয়োটা সন্তানক লগত ৰখাটো খুবেই জটিল হৈ পৰিল। শেষত গোপালৰ দায়িত্ব শনিৰামৰ মিতা (সখি) নিসন্তান তেজপুৰ আউটপোষ্টৰ পুলিচ ইন্সপেক্টৰ চান্দবৰ ৰাভাক দিয়ে। চান্দবৰৰ তত্ত্বাৱধানত গোপাল দাসে পঢ়া-শুনা, খেল-ধেমালি, ঘোঁৰা দৌৰ ইত্যাদিত পাৰ্গত হয়। তেজপুৰত গোপাল দাসে ব্ৰিটিছ সৈন্যৰ এটা শাখা আছাম ফ্ৰণ্টিয়াৰ ৰাইফলছত নিযুক্তি লাভ কৰে। গোপাল চন্দ্ৰ দাসে ব্ৰিটিছ সৈন্যৰ হৈ বহুকেইটা অভিযানত সফল নেতৃত্ব দিছিল, সেইবাবে তেওঁক চুবেদাৰ মেজৰ পদবীলৈ পদোন্নতি দিয়া হৈছিল আৰু

বাংলাদেশৰ ঢাকালৈ বদলি কৰা হৈছিল। পদোন্নতি হোৱাৰ পিছত তেখেত গোপাল চন্দ্ৰ দাসৰ পৰিৱৰ্তে গোপাল চন্দ্ৰ ৰাভা বুলি লিখিছিল। ১৯১১ চনত আছাম ফ্ৰণ্টিয়াৰ ৰাইফলছৰ নাম সলনি কৰি নতুন নাম 'ইষ্টাৰ্ণ বেংগল এণ্ড আছাম পুলিচ' ৰখা হয়। ইয়াৰ মুখ্য কাৰ্য্যালয় ঢাকাত স্থাপন কৰা হয়। গোপাল চন্দ্ৰ ৰাভাক নিজৰ কামৰ বাবে ব্ৰিটিছ চৰকাৰে চৰ্দাৰ বাহাদুৰ উপাধি দিছিল। পদোন্নতি লাভ কৰি 'অৰ্ডাৰ অৱ দি ব্ৰিটিছ এম্পায়াৰ' উপাধি লাভ কৰিছিল। তেওঁ ১৯০৭ চনত লাট চাহাবৰ 'অনাৰেৰী আদিকং' (Aide-de-com) নিযুক্তি হৈছিল। গোপাল চন্দ্ৰ ৰাভাক ব্ৰিটিছ চৰকাৰে তেজপুৰৰ ওচৰত গৰৈমাৰীৰ চোলাপাৰাত ৫০০ বিঘা আৰু পাঁচ মাইলৰ গোটলোং বা গেৰেকী অঞ্চলত ২০০০ বিঘা, মুঠ ২৫০০ বিঘা (দুহেজাৰ পাঁচশ বিঘা) মাটি দিছিল। গোপাল ৰাভাই তেজপুৰত বিভিন্ন সামাজিক কামত অৰিহণা আগবঢ়াইছিল। তেজপুৰৰ বাণ ৰঙ্গমঞ্চৰ বাবে ৪০০.০০ (চাৰিশ) নগদ টকা আৰু ৪ খন দৃশ্যপট দিছিল। সঙ্গীতৰ প্ৰতি গোপাল ৰাভাৰ বিশেষ ৰাপ আছিল। তেওঁৰ ঘৰত বিভিন্ন সঙ্গীতকাৰৰ বৈঠক বহিছিল। ১৯১৭ চনত মাত্ৰ ৪৫ (পঞ্চল্লিশ) বছৰ বয়সত ঢাকাত হোৱা দুৰ্ঘটনাত গোপাল চন্দ্ৰ ৰাভাৰ মৃত্যু হয়। পিতৃ গোপাল ৰাভাৰ মৃত্যুৰ সময়ত বিষ্ণুপ্ৰসাদ ৰাভাৰ বয়স আছিল মাত্ৰ আঠ বছৰ। সেই সময়ত বিষ্ণু ৰাভাই ঢাকা ছোৱালী প্ৰাইমেৰী স্কুলত (যদিও নামটো ছোৱালী প্ৰাইমাৰী ল'ৰাৰ বাবেও মূল্যায়ন মুকলি আছিল) বাংলা ভাষাত অধ্যয়ন কৰিছিল। উৰ্দু ভাষা শিক্ষাও অধ্যয়ন কৰিছিল। লগতে অভিনয়, শাস্ত্ৰীয় সংগীত আৰু চিত্ৰকলাৰো শিক্ষা লৈছিল। পিতৃৰ মৃত্যুৰ পিছত বিষ্ণু ৰাভাৰ গোটেই পৰিয়াল তেজপুৰলৈ উভতি আহে। তেজপুৰত আহি বিষ্ণু ৰাভাই চতুৰ্থ শ্ৰেণীত চৰকাৰী হাইস্কুলত অসমীয়া বিভাগত ভৰ্তি হয়। বাংলা মাধ্যমৰ পৰা পোনছাটেই অসমীয়া মাধ্যমত নাম ভৰ্তি কৰিবলগীয়া হোৱাত সেই বছৰৰ পৰীক্ষাত বিষ্ণু ৰাভাই কৃতকাৰ্যতা লাভ কৰিব নোৱাৰিলে। পিছত কম দিনৰ ভিতৰতে বিষ্ণু ৰাভাই অসমীয়া ভাষা আয়ত্ব কৰিলে আৰু চতুৰ্থ শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ পৰীক্ষাত ভাল ফলাফল দেখুৱাব পাৰিলে। ১৯২৬ চনত প্ৰৱেশিকা পৰীক্ষাত দৰং জিলাৰ ভিতৰত প্ৰথম হৈ প্ৰথম বিভাগত উত্তীৰ্ণ হয় আৰু 'কুইন এমপ্ৰেছ' পুৰস্কাৰ লাভ কৰে। পৰৱৰ্ত্তী সময়ত ৰাভাই আই.এছ. চি.ৰ বাবে কলিকতাৰ চেণ্টপল কেথেড্ৰেল মিছন কলেজত ভৰ্তি হয় আৰু প্ৰথম বিভাগত আই. এছ. চি. পৰীক্ষাত উত্তীৰ্ণ হয়। আই.এছ.চি. উত্তীৰ্ণ হোৱাৰ পিছত পদাৰ্থ বিজ্ঞানত অনাৰ্চ লৈ কলিকতাৰ ৰিপণ কলেজত ভৰ্তি হয়। ৰিপণ কলেজত বিষ্ণু ৰাভাই খেল-ধেমালি, গীত-মাতত যথেষ্ট সুনাম অৰ্জন কৰে আৰু ফুটবল

বিভাগৰ সম্পাদক নিৰ্বাচিত হয়। ৰিপণ কলেজত বি.এছ.চি. অধ্যয়ন কৰি থকাৰ সময়তে ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ জোৱাৰে বিষ্ণু ৰাভাকো আকৃষ্ট কৰিলে। ৰাভাই ভাৰতৰ স্বাধীনতা আন্দোলনত যোগদান দিলে, ফলস্বৰূপে তেওঁ ইংৰাজৰ ৰোষত পৰিল। বিষ্ণু ৰাভাৰ হোষ্টেলৰ কোঠাত ইংৰাজৰ তালাচীৰ ওপৰত তালাচী চলিল। এইবোৰতে অতিষ্ঠ হৈ বিষ্ণু ৰাভাই ৰিপণ কলেজ ত্যাগ কৰি কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত বিজ্ঞান শাখাত ভৰ্তি হয়। কোচবিহাৰৰ ভিক্টোৰিয়া কলেজত পঢ়ি থকা সময়তো ৰাভাই ভাৰতৰ স্বাধীনতা আন্দোলনত নিজৰ যোগদান দিয়ে। এদিনাখন ৰাতি কোচবিহাৰ ৰাজপ্ৰাসাদৰ সিংহদ্বাৰত তেওঁ এখন পোষ্টাৰ লগাই দিলে। পোষ্টাৰত লিখা আছিল-

"ৰাজ্যে আছে দুইটি পাঠা
একটি কালো একটি সাদা।।
ৰাজ্যেৰ যদি মঙ্গল চাও
দুইটি পাঠা বলি দাও।।"

সেই দিনাই ৰাতি ৰিজেণ্ট হাটনিচনৰ বঙলাৰ নঙলামুখত থকা আৰু কোচবিহাৰ ৰাজপ্ৰাসাদৰ সিংহদ্বাৰত থকা ইউনিয়ন জেকৰ পতাকা নমাই সেই ঠাইত ভাৰতীয় ৰাষ্ট্ৰীয় কংগ্ৰেছৰ তিৰঙ্গা পতাকা উত্তোলন কৰি থৈ আহে। বিষ্ণু ৰাভাৰ এই কাৰ্যত ক্ষুণ্ণ হৈ কোচবিহাৰৰ পৰা বহিষ্কাৰ কৰে। বিষ্ণু ৰাভাই ভিক্টোৰিয়া কলেজৰ পৰা বি.এছ.চি. পৰীক্ষা সম্পূৰ্ণ কৰিব নোৱাৰিলে। কলেজৰ পৰা বদলিৰ প্ৰমাণপত্ৰ (ট্ৰেন্সফাৰ চাৰ্টিফিকেট) সংগ্ৰহ কৰি বাংলাদেশৰ ৰংপুৰৰ 'কাৰ মাইকেল কলেজ' বা কাৰমাইল কলেজত বি.এ. ৰ চতুৰ্থ বাৰ্ষিকত ইংৰাজী প্ৰধান বিষয় লৈ নামভৰ্তি কৰিলে। মাইকেল কলেজত উৰি থকা বৃটিছৰ পতাকাখন বিষ্ণু ৰাভা আৰু কেইজনমান সহযোগীয়ে মিলি নমাই আনি পুৰি পেলায় আৰু সেই ঠাইত ভাৰতৰ জাতীয় পতাকাখন লগাই দিয়ে। এই ঘটনাত ক্ষুণ্ণ হৈ বৃটিছ প্ৰশাসনে ৰাভা আৰু তেওঁৰ সহযোগীসকলৰ নামত গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। ১৯৩১ চনত মাইকেল কলেজত বি.এ. ত অসম্পূৰ্ণভাৱে বিষ্ণু ৰাভাৰ শিক্ষা জীৱনৰ সামৰণি পৰে।

শিক্ষা আধৰুৱাকৈ সমাপ্তিৰ পিছত বিষ্ণু ৰাভা কলিকতালৈ গুচি যায় আৰু বাঁহী আলোচনীৰ কলা-সংস্কৃতি শিতানৰ দায়িত্ব লয়। একে সময়তে কেইজনমান সহযোগীসহ 'Agro Picture Corporation' নামেৰে চলচিত্ৰ নিৰ্মাণৰ চিন্তা-চৰ্চা কৰিলে। কলিকতাত থকা সময়ত বিশ্ববিখ্যাত নৃত্যশিল্পী ৰাছিয়াৰ প্ৰাইমা বেলেৰিণা আন্না পাভলোভাৰ সান্নিধ্য লাভ কৰে। বিষ্ণু ৰাভাৰ নৃত্য দেখি

পাভলোভাই তেওঁক উচ্চ প্ৰশংসা কৰে। কলিকতাত থকা সময়তে বিষ্ণু ৰাভাৰ ককায়েক নন্দলাল ৰাভাই ইষ্টাৰ্ণ-ফ্ৰন্টিয়াৰ ৰাইফলছৰ কমাণ্ডেন্ট কৰ্ণেল ডি. স্মিথৰ জৰিয়তে বিষ্ণু ৰাভাক উপ-আৰক্ষী অধীক্ষক (ডি.এছ.পি.) পদত যোগদান দিব দিয়ে, কিন্তু ৰাভাই ইংৰাজৰ গোলামী কৰিবলৈ মান্তি নহ'ল। ৰাভাই কৈছিলে যে- "সাম্ৰাজ্যবাদী বৃটিছ চৰকাৰৰ পদাণত হৈ বাধ্যবাধকতা মানি চাকৰিত সোমাব নে স্বাধীন জীৱন-যাপন কৰি মানুহৰ মুক্তিৰ বাবে জীৱন উৎসৰ্গিত কৰিব" (হোছেইন, ইছমাইল, বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শন, পৃ-৪)। স্বাধীন মনৰ ৰাভাই চাকৰিত যোগদান নকৰিলে।

বিষ্ণু ৰাভাই সাংস্কৃতিক কামত ঘুৰি-ফুৰোতে ১৯৩৬ চনত প্ৰিয়লতা দত্তক লগ পাইছিল। প্ৰিয়লতা দত্ত সুগায়িকা আছিল। ১৯৩৭ চনৰ ২৪ নৱেম্বৰ মাহত দুয়ো বিবাহপাশত আৱদ্ধ হয়। কিন্তু বিবাহৰ মাত্ৰ ২৮ দিন পিছতেই সন্নিপাত জ্বৰত আক্ৰান্ত হৈ প্ৰিয়লতাৰ মৃত্যু হয়। প্ৰথমা পত্নীৰ মৃত্যুৰ পিছত ৰাভা অতিকৈ মৰ্মাহত হ'ল। তেওঁ অশান্ত, বিশৃঙ্খল, যাযাবৰী জীৱন কটাবলৈ ধৰিলে। ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতৰ নতুন কংগ্ৰেছ চৰকাৰখনে 'বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ক বে-আইনী ঘোষণা কৰিলে। বিষ্ণু ৰাভাই আত্মগোপন কৰিবলগীয়া হ'ল। সংগঠনৰ কামত অসমৰ ইমূৰৰ পৰা সিমূৰলৈ ঘুৰোতে নলবাৰী জিলাৰ বেলশৰৰ নবীন চন্দ্ৰ মেধিৰ ঘৰত আত্মগোপন কৰি থাকোঁতে তেওঁ কনকলতা মেধিক লগ পায়। কনকলতা মেধি নবীন চন্দ্ৰ মেধিৰ কনিষ্ঠা কন্যা আছিল। ১৯৫০ চনত বিষ্ণু ৰাভা আৰু কনকলতা মেধি বিবাহপাশত আৱদ্ধ হয়। বিয়াৰ পিছত দুয়ো সংগঠনৰ কামত ঘুৰি ফুৰে। ১৯৫২ চনৰ ১৭ জুলাইত অবিভক্ত গোৱালপাৰা জিলাৰ উত্তৰ ঘিলাগুৰি গাঁৱৰ পৰা পুলিচ দুয়োকে গ্ৰেপ্তাৰ কৰে আৰু ধুবুৰী কাৰাগৰত বন্দী কৰি ৰাখে। কিছুদিনৰ পিছত কনকলতা মেধিক মুকলি কৰি দিয়া হয় আৰু তিনিবছৰ পিছত ১৯৫৫ চনত বিষ্ণু ৰাভাক কাৰাগাৰৰ পৰা মুক্তি দিয়ে। কনকলতাৰ গৰ্ভত ১৯৫৭ চনৰ ১২ জানুৱাৰীত প্ৰথম সন্তান পৃথ্বীৰাজ ৰাভাৰ (থুনথুন) জন্ম হয় আৰু ১৯৬০ চনৰ ২৮ ডিচেম্বৰত হেমৰাজ ৰাভাৰ (মুনমুন) জন্ম হয়। ১৯৬২ চনৰ জানুৱাৰী মাহত কনকলতাৰ মৃত্যু হয়।

কনকলতাৰ মৃত্যুৰ সময়ত পৃথ্বীৰাজ আৰু হেমৰাজ খুবেই সৰু আছিল। তেওঁলোকক লালন পালন কৰিবৰ বাবে বিষ্ণু ৰাভাৰ সহযোগীসকলে পুনৰ বিবাহৰ বাবে জোৰ দিয়ে। শেষত ১৯৬৪ চনত মোহিনী ৰাভাৰ লগত সংসাৰ পাতে। মোহিনী ৰাভা বিষ্ণু ৰাভাৰ লগত তেজপুৰতে থাকিবলৈ লয় আৰু ১৯৬৭ চনত তেওঁলোকৰ পুত্ৰ অনিন্দ্যসুন্দৰ ৰাভা (মেণ্ডেলা)ৰ জন্ম হয়।

১৯৬৮ চনত বিষ্ণু ৰাভাৰ কৰ্কট ৰোগ ধৰা পৰে। উন্নত চিকিৎসাৰ বাবে বোম্বাইৰ (বৰ্তমানৰ মুম্বাই) টাটা মেমোৰিয়েল কেন্সাৰ ইনষ্টিটিউটলৈ প্ৰেৰণ কৰে আৰু তাতে দুমাহমান চিকিৎসা কৰি তেজপুৰলৈ উভতি আহে। ১৯৬৯ চনৰ ১৯ জুনৰ ৰাতি ২.১০ মিনিটত ৰাভাই এই সংসাৰৰ পৰা বিদায় মাগিলে।

**বিষ্ণু ৰাভাৰ সংগ্ৰামী জীৱনঃ**

১৯৩১ চনত ৰংপুৰৰ মাইকেল কলেজৰ পৰা শিক্ষা আধৰুৱা কৰি ৰাভা বিভিন্ন সাংস্কৃতিক কামৰ লগত জড়িত হৈ পৰিল। ছাত্ৰাৱস্থাৰ পৰাই তেওঁ জাতীয় চেতনাক অন্তৰত লৈ ভাৰতীয় স্বাধীনতা সংগ্ৰামত যোগদান দি আহিছিল। মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ সমসাময়িকভাৱে তেৰোঁ ইংৰাজৰ বিৰুদ্ধে সশস্ত্ৰ বিদ্ৰোহ আৰম্ভ কৰিছিল। বিষ্ণু ৰাভা মহাত্মা গান্ধীৰ অহিংসা আন্দোলনৰ দ্বাৰা প্ৰভাৱিত আছিল যদিও লাহে লাহে সশস্ত্ৰ সংগ্ৰামে তেওঁক আকৰ্ষিত কৰিলে। ফলস্বৰূপে সশস্ত্ৰ সংগ্ৰামীসকলক তেওঁ বিভিন্ন প্ৰকাৰে সহায়-সহযোগ আগবঢ়ালে।

ভাৰতে স্বাধীনতা লাভ কৰাৰ আগতে সমাজত দেখা দিয়া সৰ্বহাৰা শোষিত-লাঞ্চিতৰ মুক্তিৰ পথ বিচাৰি ৰাভাই কাৰ্ল মাৰ্ক্স, লেনিন, মাও-চে-তুঙৰ ৰচনাৰ লগতে কমিউনিজমৰ ভাৱধাৰা গভীৰভাৱে অধ্যয়ন কৰিলে। তৎকালীন সমাজত চলি অহা জাতিভেদ প্ৰথা, নিষ্পেষিত শ্ৰেণীৰ মুক্তিৰ বাবে কাৰ্ল মাৰ্ক্স, লেনিন, মাও-চেতুঙে দেখুৱাই যোৱা পথেহে সঠিক মুক্তিৰ পথ দেখুৱাব পাৰিব বুলি বিশ্বাস কৰি ১৯৪৫ চনৰ ফ্ৰেব্ৰুৱাৰী মাহত 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত (RCPI) যোগদান কৰিলে। 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত যোগদান কৰিয়েই কৃষকৰ বাবে আধিয়াৰ আন্দোলনত নামি পৰে।

ভাৰতে ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰাৰ পিছত নতুন চৰকাৰ গঠন হ'ল যদিও সৰ্বসাধাৰণৰ সামাজিক, অৰ্থনৈতিক পৰিৱৰ্তন দেখা নগ'ল। শোষিত শ্ৰেণী আগৰ দৰেই থাকিল। সমাজৰ কৃষক-বনুৱা শ্ৰেণীক লৈ শোষণকাৰীসকলৰ বিপক্ষে একগোট হ'বলৈ ৰাভাই বিভিন্ন সাহিত্যৰ সৃষ্টি কৰিলে। কৃষক শ্ৰেণীৰ ওপৰত জমিদাৰ-মহাজনৰ শোষণ-বঞ্চনাৰ প্ৰতিবাদত কৃষক আন্দোলন আৰম্ভ কৰে। এই আন্দোলনৰ শ্লোগান আছিল 'নাঙল যাৰ মাটি তাৰ'। চৰকাৰে আন্দোলনক ভংগ কৰিবলৈ বিষ্ণু ৰাভাৰ গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰে। কমিউনিষ্টসকলৰ আন্দোলনৰ প্ৰসাৰ আৰু জনপ্ৰিয়তা দেখি

চৰকাৰে ‘ভাৰতৰ কমিউনিষ্ট পাৰ্টি’ আৰু ‘ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি’ক বে-আইনী বুলি ঘোষণা কৰে। বে-আইনী ঘোষণা হোৱাৰ বাবে বিষ্ণু ৰাভা আৰু তেওঁৰ সহযোগীসকলে আত্মগোপন কৰিবলগীয়া হয়। আত্মগোপনৰ সময়ছোৱাত মুক্তি-ফৌজ, নাৰী মুক্তি সংঘ, কৃষক-বনুৱাৰ পঞ্চায়ত গঢ় দিয়ে। ১৯৫২ চনত আত্মগোপনৰ সময়তে ৰাভা আৰু পত্নী কনকলতা পুলিচৰ হাতত গ্ৰেপ্তাৰ হয়। ১৯৫৫ চনত বিষ্ণু ৰাভাই ভাৰতৰ কমিউনিষ্ট পাৰ্টি (চি.পি.আই.) ত যোগদান কৰে। চি.পি.আই.ৰ পৰাই ১৯৫৭ চনত কোকৰাঝাৰ সংসদীয় সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি পৰাজয় বৰণ কৰে। ১৯৬২ চনৰ ভাৰত-চীন বিবাদৰ সময়ত ৰাভা আৰু তেওঁৰ সহযোগীসকলক দেশদ্ৰোহীৰূপে গ্ৰেপ্তাৰ কৰি উৰিষ্যাৰ বহৰমপুৰ কাৰাগৰত বন্দী কৰি থয়। ১৯৬৩ চনৰ আগষ্ট মাহত কাৰাগৰৰ পৰা মুক্তি লাভ কৰে। ১৯৬৭ চনৰ বিধানসভাৰ নিৰ্বাচনত তেজপুৰ সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থীৰূপে জয়লাভ কৰি বিধায়ক হয়। ১৯৬৮ চনত কোকৰাঝাৰ সংসদীয় সমষ্টিৰ পৰা নিৰ্দলীয় প্ৰাৰ্থী হৈ প্ৰতিদ্বন্দ্বিতা কৰি পৰাজিত হয়।

**বিষ্ণু ৰাভাৰ সাহিত্য আৰু সাংস্কৃতিক জীৱন ঃ**

সৰুৰে পৰাই বিষ্ণু ৰাভাই সাংস্কৃতিক পৰিৱেশ এটা পাইছিল। ঘৰতে গৃহশিক্ষকৰ দ্বাৰা শাস্ত্ৰীয় সংগীতৰ শিক্ষা গ্ৰহণ কৰিছিল। কলেজ পঢ়ি থকা সময়তো ভিক্টোৰিয়া কলেজত শ্ৰেষ্ঠ গায়কৰ সন্মান লাভ কৰিছিল। ১৯৩১ চনত শিক্ষা আধৰুৱাকৈ সমাপ্ত কৰি কলিকতালৈ গুচি যায়। কলিকতাত গৈ আৱাহন কাকত, ‘বাঁহী’ত লিখিবলৈ আৰম্ভ কৰে। মাধৱ বেজবৰুৱাৰ সম্পাদিত ‘বাঁহী’ খনত কলা-সংস্কৃতিৰ দায়িত্ব ল’লে। কলিকতাত বোলছবি নিৰ্মাণৰ কথা চিন্তা কৰি ‘Agro Picture Corporation’ বেনাৰত চলচিত্ৰ নিৰ্মাণৰ কামত আগবাঢ়িল যদিও সেয়া সফল নহ’ল।

বৰপেটা সত্ৰত গনেশ দাস আৰু হৰমোহন বায়নৰ পৰা বৰগীতৰ শিক্ষা লাভ কৰিলে। বৰপেটাৰ কাষতে পাটবাউসী সত্ৰত গৈ বিষ্ণু ৰাভাই শংকৰদেৱৰ ছবি আঁকে। আৰু সেই ছবিখনকে পৰৱৰ্তী সময়ত কলিকতাত গৈ ছপা কৰি উলিয়ায়। ১৯৩৯ চনত বিষ্ণু ৰাভালৈ কাশীৰ বানাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা নৃত্য পৰিৱেশনৰ নিমন্ত্ৰণ আহে, তাতে নৃত্য প্ৰদৰ্শন কৰি যথেষ্ট সমাদৰ লাভ কৰে। কলিকতাৰ গ্লোৱ প্ৰেক্ষাগৃহত ৰাভাৰ নৃত্য দেখি সৰ্বভাৰতীয় নৃত্যশিল্পী উদয় শংকৰে বিস্ময় মানিছিল। বিষ্ণু ৰাভাই বহুকেইখন অসমীয়া নাটক আৰু বোলছবিত অভিনয় কৰিছিল। ছিৰাজ

নাটকত আঘোণাৰ চৰিত্ৰত অভিনয় কৰে, 'ছাহজাহান' নাটকত ৰাভাই ঔৰংজেৰৰ, 'প্ৰতিধ্বনি'ত খাচী চিয়েম, 'এৰাবাটৰ সুৰ'ত 'ভূজলুংকা'ৰ চৰিত্ৰত অভিনয় কৰিছিল।

**বিষ্ণুপ্ৰসাদ ৰাভাৰ সাহিত্যত প্ৰকাশিত প্ৰধান প্ৰসংগসমূহ ঃ**

এই কথা সকলোৰে জ্ঞাত যে বিষ্ণু ৰাভা কেৱল এগৰাকী সাহিত্যিক নাছিল, তেওঁ আছিল এগৰাকী সৈনিক, শিল্পী, সাংস্কৃতিক কৰ্মী। মাৰ্ক্সবাদী দৰ্শনে একেদিনাই আহি তেওঁৰ শিল্পীসত্তাক গ্ৰাস কৰা নাছিল। সুদীৰ্ঘ দিনৰ অভিজ্ঞতা, গভীৰ অধ্যয়ন, সমাজ বীক্ষা আৰু মূলতঃ ৰূপান্তৰ দৰ্শনৰ স্বপ্নই ৰাভাৰ ব্যক্তিত্ব আৰু সাহিত্য উভয়লৈকে ক্ৰমবিৱৰ্ত্তন কঢ়িয়াই আনিছিল। ইয়াৰ ফলতেই ৰাভাৰ সাহিত্যসমগ্ৰত আমি কেইবাটাও প্ৰসংগ দেখিবলৈ পাওঁ।

শৈশৱৰ পৰা ৰাভাৰ সাংস্কৃতিক চেতনা আছিল প্ৰৱল। বৃহত্তৰ অসমীয়া সংস্কৃতিৰ পঠন-পাঠন আৰু অধ্যয়নে তেওঁক মোহিত কৰিছিল। ক্ৰমে ক্ৰমে তেওঁ নিজেই কলম আৰু কণ্ঠৰে সেই সংস্কৃতিৰ পথাৰত ভৰি থৈছিল। সময়ৰ লগে লগে সাধাৰণ মানুহৰ অধিকাৰৰ প্ৰসংগই তেওঁক উদ্বেলিত কৰিলে। স্বাধীনতাৰ পূৰ্বে বৃটিছ চৰকাৰ আৰু স্বাধীনতাৰ পৰৱৰ্তী কালত দেশীয় চৰকাৰ স্বাৰ্থান্বেষী চৰিত্ৰ আৰু শাসন-শোষণৰ স্বৰূপ দেখি তেওঁৰ সাহিত্যৰ ভাৱ-ভাষাও সলনি হ'ল আৰু সমাজতান্ত্ৰিক গণতন্ত্ৰ ৰচনাৰ প্ৰসংগই সেইবোৰত আগস্থান পালে। শংকৰদেৱৰ আধ্যাত্মিক চেতনাৰ প্ৰসংগই বিষ্ণু ৰাভাক চিৰকালে অনুপ্ৰাণিত কৰি আছিল। কিন্তু ৰাভাৰ চিন্তা-চেতনাত এই প্ৰসংগ কেৱল বৈষ্ণৱ ধৰ্মৰ জয়-জয়কাৰ ঘোষণা কৰা নাছিল। ই আছিল মানৱ বন্দনাৰ প্ৰসংগ, মানুহক মানুহৰ দৰে জীয়াই থাকিবলৈ দিয়া সুবিধা আৰু খাটি খোৱা জনতাৰ ক্ৰমাৎ লোপ পাই অহা মানৱীয় অধিকাৰ কাঢ়ি লোৱাৰ প্ৰসংগ। সেইবাবেই বিষ্ণু ৰাভাই তেওঁৰ সাহিত্য সমগ্ৰৰ মাজেৰে শংকৰদেৱৰ আধ্যাত্মিক প্ৰসংগৰ আঁৰত লুকাই থকা সামাজিক আৰু সাংস্কৃতিক চেতনাকহে অধিক গুৰুত্ব প্ৰদান কৰিছিল আৰু জনগণকো সেই চেতনাৰ প্ৰতি উদ্বুদ্ধ কৰি তুলিবলৈ সাহিত্যৰ মাধ্যমেৰে অহোপুৰুষাৰ্থ কৰিছিল। মহাত্মা গান্ধীৰ অহিংস নীতিৰ প্ৰসংগই সততে অনুপ্ৰাণিত কৰা বিষ্ণু ৰাভাৰ ব্যক্তিত্বৰ পৰশ তেওঁৰ প্ৰথমৰছোৱা সাহিত্যত পোৱা যায় যদিও পৰৱৰ্তী সময়ত তেওঁৰ জীৱন দৰ্শন ক্ৰমাৎ মাৰ্ক্সবাদী প্ৰসংগৰ পিনে ঢাল খাবলৈ ধৰে। এই প্ৰসংগতে এটা কথা কৈ থোৱাতো উচিত হ'ব যে বিষ্ণু ৰাভাৰ মাৰ্ক্সবাদী চেতনা বৰ্তমানৰ মাৰ্ক্সবাদী ধাৰণাৰ তুলনাত বহুখিনি পৃথক আছিল।

পৰৱৰ্তী অধ্যায়সমূহত আমি সেই বিষয়ত বিস্তৃতভাৱে অধ্যয়ন কৰিম। বিষ্ণুপ্ৰসাদ ৰাভাৰ দ্বাৰা ৰচিত সাহিত্য সমগ্ৰৰ বিষয়ত সামান্য আলোকপাত কৰিলেই তেওঁৰ সাহিত্য দৰ্শনৰ ক্ৰমবিৱৰ্তিত ধাৰণা আৰু বিভিন্ন প্ৰসংগৰ উমান পোৱা যায়। সেইহেতুকে পোনপ্ৰথম ৰাভাৰ দ্বাৰা সৃষ্ট সাহিত্য সমগ্ৰত কিছু চকু ফুৰোৱা হওঁক।

বিষ্ণু ৰাভা আছিল সাহিত্য আৰু সংস্কৃতিৰ একনিষ্ঠ পূজাৰী, বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তিত্বৰ অধিকাৰী। গায়ক, অভিনেতা, সুৰকাৰ, গীতিকাৰ, চিত্ৰশিল্পী, নাট্যকাৰ, ৰাজনৈতিক কৰ্মী, প্ৰবন্ধকাৰ, কবি, গল্পকাৰ, উপন্যাসিক, লোকসংস্কৃতিৰ গৱেষক, বুৰঞ্জীবিদ। অসমীয়া সাহিত্যৰ প্ৰায়বোৰ শাখাতেই কম-বেছি হাত ফুৰাই গৈছে। বিষ্ণু ৰাভাই 'বাঁহী' কাকতৰ পৰা লিখিবলৈ আৰম্ভ কৰিছিল, লগতে পৰৱৰ্তী সময়ত আৱাহন কাকতত লেখিবলৈ আৰম্ভ কৰে। 'বাঁহী'ৰ সম্পাদক মাধৱ বেজবৰুৱাই 'বাঁহী' কাকতখনত কলা-সংস্কৃতিৰ বিষয়ে এটা শিতান খুলি বিষ্ণুপ্ৰসাদ ৰাভাক তাৰ দায়িত্ব দিছিল। লগতে 'চিত্ৰলেখা' শিতানটোও তেৱেঁই পৰিচালনা কৰিছিল।

বিষ্ণুপ্ৰসাদ ৰাভাই কলেজীয়া দিনৰ পৰাই লেখা আৰম্ভ কৰিছিল। ১৯৪৫ চনত ৰাভাই 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত (RCPI) আৰু পৰৱৰ্তী সময়ত 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ত (CPI) যোগদান কৰে। ভাৰত চৰকাৰে 'ভাৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ক নিষিদ্ধ ঘোষণা কৰাৰ ফলত বিষ্ণু ৰাভাই আত্মগোপন কৰিবলগীয়া হয়। আত্মগোপনৰ সময়ত অঘৰী, যাযাবৰী ৰাভাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ পলাই ফুৰিবলগীয়া হৈছিল। আত্মগোপনৰ সময়ছোৱাত তেওঁ বহুতো সাহিত্য ৰচনা কৰে যদিও তাৰে কিছুসংখ্যক এতিয়াও উদ্ধাৰ কৰিব পৰা হোৱা নাই। পুলিচৰ হাতত পৰাৰ ভয়ত, প্ৰাকৃতিক কাৰণত বা উপযুক্ত সংৰক্ষণৰ অভাৱত সেইবোৰ নষ্ট হৈছে বা নষ্ট কৰি পেলোৱা হৈছে। বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজি উদ্ধাৰৰ বাবে ১৯৮২ চনত 'ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ' গঠন কৰি সকলোবোৰ সংগ্ৰহ কৰি ৰচনা সম্ভাৰৰ প্ৰকাশৰ ব্যৱস্থা কৰে ৰাভাৰ পত্নী মোহিনী ৰাভাই। মোহিনী ৰাভাৰ নেতৃত্বত গোটেই অসম ভ্ৰমণ কৰি সংগ্ৰহ কৰা বিষ্ণু ৰাভাৰ ৰচনাসমূহ যোগেশ দাসৰ সম্পাদনাত 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড) প্ৰকাশ কৰা হয়। বৰ্তমানলৈকে উদ্ধাৰ হোৱা ৰাভাৰ ৰচনা সম্ভাৰৰ পৰা জনা যায় যে অঘৰী-যাযাবৰী বা আত্মগোপনৰ সময়ত ৰাভাই অক্লান্তভাৱে সাহিত্য-সংস্কৃতিৰ চৰ্চা কৰিছিল। ৰাভাৰ সাহিত্য প্ৰতিভাৰ নিদৰ্শন তেওঁৰ ৰচনা সম্ভাৰৰ পৰা পোৱা যায়। এজন লেখক হিচাপে অসমীয়া সাহিত্য জগতত ৰাভাই সুকীয়া আসন লাভ কৰিছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনাৰাজিক নিম্নোক্ত ধৰণে সজাই আলোচনা কৰিব পাৰিঃ

১. গীত-কবিতা, সঙ্গীতাংশ

২. নাটক, নৃত্যনাটিকা, চিত্ৰনাট্য

৩. গল্প, উপন্যাস, কাহিনী

৪. বুৰঞ্জীমূলক ৰচনা

৫. ৰাজনৈতিক ৰচনাৱলী

৬. প্ৰৱন্ধাৱলী আৰু ভাষণাৱলী

৭. জীৱনী আৰু জীৱন স্মৃতি

৮. চিঠি-পত্ৰ আৰু অনান্য ৰচনা

**১। গীত-কবিতা আৰু সঙ্গীতাংশ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই যথেষ্টসংখ্যক গীত আৰু কবিতা ৰচনা কৰিছে। অৱশ্যে তেওঁৰ সমগ্ৰ ৰচনাৰাজিৰ তুলনাত গীত আৰু কবিতাৰ সংখ্যাক তাকৰীয়াই বুলিব পাৰি। “তাকৰীয়া হ’লেও যিখিনি গীত আৰু কবিতা পোৱা গৈছে তাৰ মাজেৰে তেওঁৰ কবি মানস আৰু গীতমানস স্পষ্টৰূপত প্ৰকট হৈ উঠিছে। অৱশ্যে কবিতাৰ মাজতো গীতিধৰ্মিতা থকাৰ কাৰণেই তেওঁৰ গীত আৰু কবিতাৰ মাজত স্পষ্ট ভেদ ৰেখা বিচাৰি পোৱা টান” (বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা (সম্পা)ঃ মুক্তি দেউলৰ ৰূপকাৰ, পৃ-৭৩)। বিষ্ণু ৰাভাৰ গীতৰ সংখ্যা বেছি, কবিতাৰ সংখ্যা কম। ‘গীতৰ ৰচিয়তাও এক অৰ্থত কবি যদিও গীত আৰু কবিতাৰ পাৰ্থক্য আছে- গীতত সুৰৰ প্ৰাধান্য, কবিতাত তাৰ অৰ্থব্যঞ্জনা লক্ষ্য কৰা যায়” (গোহাঁই, হীৰেন (সম্পা)ঃ সৈনিক শিল্পী বিষ্ণু ৰাভা, পৃ-১২৯)।

বিষ্ণু ৰাভাৰ গীত আৰু কবিতাসমুহক ৰোমাণ্টিক প্ৰেম-প্ৰণয়মূলক, আধ্যাত্মিক বা জন্মান্তৰবাদ, প্ৰকৃতি বিষয়ক, বিৰহ, দেশপ্ৰেমমূলক, বিপ্লৱী, সাম্যবাদী বা প্ৰগতিশীল কবিতা আৰু অন্যান্য বিষয়ক আদি ভাগত ভাগ কৰিব পাৰি।

ৰাভাৰ গীতসমুহক ‘লোকনাথ গোস্বামীয়ে পাঁচটা ভাগত ভাগ কৰিছে -

১। জাতীয় ভাবোদ্দীপক গীত

২। শ্ৰেণী সংগ্ৰামী, বিপ্লৱী গীত

৩। ৰোমাণ্টিক ভাৱৰ গীত

৪। শিশুৰ মনৰ গীত

৫। সাৰ্বজনীন ভাৱৰ গীত

আকৌ কীৰ্তি কমল ভূএগ্রাই ৰাভাৰ গীতসমুহত পাঁচটা ধাৰাৰ অৱস্থিতিৰ বিষয়ে কৈছে। সেইসমূহ হৈছে-

১। অকণিহঁতৰ বাবে লিখা গীত

২। ৰোমাণ্টিক ভাৱনা বা প্ৰেমৰ গীত

৩। দেশাত্মবোধক গীত

৪। বিপ্লৱৰ গীত আৰু

৫। ভক্তিমূলক গীত

উপৰোক্ত ভাগসমুহ লক্ষ্য আৰু তেওঁৰ গীত তথা কবিতাসমূহ অধ্যয়ন কৰি আমি ইয়াক ছয় ভাগত ভাগ কৰিছো।

**১। ৰোমাণ্টিক প্ৰেম-প্ৰণয়মূলক গীত ঃ**

"নাহৰ ফুলে নুশুৱায়,
তগৰ ফুলে শুৱাব"

**

"মেঘৰ বুক ফালি আনিম
বিজুলীৰে চাকি"

**

"মহাসাগৰ সিঁচি আনিম
সাত মাণিকৰ ধন
মেঘৰ বুকুফালি ছিঙিম
বিজুলী ফুল শুৱন" ইত্যাদি

উক্ত গীতবোৰৰ মাজেদি বিষ্ণু ৰাভাৰ অন্তৰত থকা ৰোমাণ্টিক প্ৰেমৰ ভাব ফুটি উঠিছে। "কবিয়ে তেওঁৰ মানস প্ৰতিমাক অত্যুজ্জ্বল ৰূপত সজাই তুলিবলৈ বিবিধ প্ৰাকৃতিক উপাদানৰ

সহায় লৈছে”। (বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা (সম্পা)ঃ মুক্তি দেউলৰ ৰূপকাৰ, পৃ-৭৭)।

**২। আধ্যাত্মিক আৰু জন্মান্তৰবাদ ঃ**

বিষ্ণু ৰাভাৰ কিছুসংখ্যক গীতৰ মাজেদি আধ্যাত্মিক আৰু জন্মান্তৰবাদৰ প্ৰতি থকা আস্থা প্ৰবল ৰূপত প্ৰকাশ পাইছে-

“পৰজনমৰ শুভ লগনত
যদিহে আমাৰ হয় দেখা
পুৰাবানে প্ৰিয়ে এই জনমৰ
মোৰ হিয়াৰ অপূৰ্ণ আশা?” (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১২৯)।

**

“মেলানি বেলাৰ বিদায় লগন
যেতিয়া আহিব চাপি,
উঠিবনে প্ৰিয়ে তেতিয়া এবাৰ
হৃদয় তোমাৰ কপি?”(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৩১)।

**৩। বিৰহ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ গীতত প্ৰেমে যেনে এক স্বকীয় ৰূপত আছে ঠিক তেনেদৰে বিৰহৰ ভাবো খুব সুন্দৰভাৱে ফুটি উঠিছে। “প্ৰেমৰ বিভিন্ন, বিচিত্ৰ আৰু বৰ্ণাঢ্যৰূপ তেওঁৰ গীত আৰু কবিতাৰ বিষয় হ’লেও প্ৰেমৰ অন্যতম ৰূপ বিৰহৰ প্ৰতিয়েই যেন কবি অধিক আসক্ত”। (বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা (সম্পা)ঃ মুক্তি দেউলৰ ৰূপকাৰ, পৃ-৭৬)।

“লগন উকলি গ’ল’
তেও যে নহ’ল কোৰা,
মনৰ কথাটি মোৰ
হিয়াত গুপুতে থোৰা।”(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৩০)।

**

"এটুপি চকুলো মোৰ যে কেৱল

সেয়া মোৰ তাজমহল

প্ৰণয়েৰে ভৰা, বেদনাৰে গঁথা

শাণত চিৰ উজ্বল"(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৩০)।

বিৰহৰ এই গীতবোৰৰ মাজেদি কবিৰ কল্পনা, বিষাদময়তা আৰু প্ৰেমৰ আকুলতা মূৰ্ত হৈ উঠিছে।

**৪। দেশপ্ৰেমমূলক বা দেশাত্মবোধক বা জাতীয় ভাবোদ্দীপক গীত ঃ**

ভাৰতৰ স্বাধীনতা সংগ্ৰামত যোগদান কৰা লোকসকলৰ দেহত শক্তি সঞ্চাৰিত কৰিবলৈ বিভিন্ন দেশপ্ৰেমমূলক গীত ৰচনা কৰিছিল।

"অ' অসমীয়া ডেকা দল

অ' অসমীয়া ডেকা দল

আজি তোৰ তেজাল বদন

মলিন কিয় হ'ল?" (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৭২)।

**

"জনতাৰে ভৰপূৰ মুকুতিৰ দল

আজি হ'ল মুকুতি জীৱন্ত

পৰাণত আৱেগ-উচ্ছাস অফুৰন্ত

দুৰণিত জ্বলে সূৰ্য, লোহিত আদৰ্শ জ্বলন্ত"

(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৭০)।

এই গীতবোৰৰ দ্বাৰা ভাৰতক পৰাধীন কৰি ৰখা ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰিবলৈ ডেকাশক্তিক উদ্বুদ্ধ কৰি তোলাৰ প্ৰয়াস দেখা যায়।

**৫। প্ৰকৃতি বিষয়ক গীত ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ বহুসংখ্যক গীতত প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰ বৰ্ণনা আছে। কবিৰ মনোজগত

প্ৰকৃতিৰ লগত একাত্ম হৈ পৰিছে। মনোমহা প্ৰকৃতিৰ গছ-গছনি, ফুল-লতা, বিল, চৰাই, চন্দ্ৰ, সূৰ্য, গ্ৰহ, তৰা এইবোৰ কবিক এখন সুন্দৰ জগতলৈ লৈ গৈছে।

“বিলতে হালিছে ধুনীয়া পদুমী
ফুলনিত ফুলিছে ফুল
সেই ফুলে ফুলে পখিলাই চুমিছে
সানিছে ৰেণুৰ বোল” (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৬০)।

**

“হে সুন্দৰ
চিৰ-কাম্য, চিৰ আৰাধ্য
জগতৰ চিৰ সুন্দৰ
বিশ্বভৰা তোমাৰেই
সৃষ্টি মনোহৰ।
চন্দ্ৰ-সূৰ্য, গ্ৰহ-ধৰা অগণন তৰা
সকলোটি তোমাৰেই হৃদয়ৰ ভাবৰ নিজৰা।”

(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৬০)।

**৬। বিপ্লৱী গীত বা শ্ৰেণী সংগ্ৰাম ঃ**

পৰাধীন ভাৰতৰ বা পৰৱৰ্তী সময়ত স্বাধীনতা লাভ কৰাৰ পিছতো ভাৰতৰ শ্ৰমজীৱী কৃষক, বনুৱা, মজদুৰ শ্ৰেণীক জমিদাৰ-মহাজন শ্ৰেণীটোৱে কৰা শোষণ-নিপীড়নক উফৰাবলৈ ৰাভাই গীত ৰচনা কৰিছিল। গীতবোৰৰ জৰিয়তে শোষক মহাজন-জমিদাৰ শ্ৰেণীটোক কঠোৰ সাৱধান বাণী শুনাইছিল।

“দুখীয়া কলিজা নিঙাৰি ল’ব-
টুপি টুপি তেজ শুহি শুহি পিব,-
ৰুকি ৰুকি মঙহ চোবাই খাব,-
কুৰুকি হাৰ কেইডালো চোবাব,-

- হুঁচিয়াৰ!! হুঁচিয়াৰ!!

ধনী!! মহাজন!! জমিদাৰ!!

- হুঁচিয়াৰ!! হুঁচিয়াৰ!! (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৩৮)।

**

"স্বাধীনচিতীয়া হালোৱা ডেকা ৰণুৱা।

পঞ্চায়তী যুগৰ ন মনৰে মনুৱা-

যুঁজিব সমৰত লগৰীয়া বনুৱা!!

চিনি লচোন কোন শতৰু লুকাই আঁৰত তোৰ"

(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৩৮)।

**

"হে বিপ্লৱী বীৰ অধিনায়ক হে

দিয়া অগ্নিবাণী বিপ্লৱৰ

ভাঙা বন্দীশাল কোটিকালৰ

মুক্তি হওক নিৰ্য্যাতিতৰ"

(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৪২)।

**৭। সাম্যবাদী বা প্ৰগতিশীল কবিতা ঃ**

ভাৰতৰ স্বাধীনতা লাভৰ পিছত শ্ৰেণী বৈষম্য বহু পৰিমাণে বৃদ্ধি পাইছিল। মহাজন-জমিদাৰ শ্ৰেণীটোৱে কৃষক-মজদুৰসকলক প্ৰাপ্য মৰ্যাদাৰ পৰা বঞ্চিত কৰি তেওঁলোকক শোষণ কৰিছিল। ৰাভাই নিজৰ কলমেৰে ইয়াৰ প্ৰতিবাদ কৰিছিল। ৰাভাই এখন শ্ৰেণীহীন সমাজৰ প্ৰতিষ্ঠা হোৱাটো বিচাৰিছিল। শোষণকাৰীসকলৰ বিৰুদ্ধে ৰাভাই আহ্বান জনাইছে।

"জাগ্ জাগ্ জাগ্ জাগ্

মজদুৰ ন জোৱান

নিৰ্যাতিত নিপীড়িত

কৃষক শক্তিমান।" (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ২৭৭)।

**

"শুন সৌৰা শুন শুন

ঘোষিছে ৰণ-বিষাণ

মুক্ত আকাশে উৰে

দীপ্ত ৰঙা নিচান" (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ২৭৯)।

**৮। শিশু মনৰ বাবে লিখা ঃ**

শিশুমনৰ কোমল ভাৱ প্ৰকাশেৰে লিখা সহজ সৰল ভাষাৰে শিশুক আকৰ্ষিত কৰিব পৰা শুৱলা গীত-কবিতাৰ ৰচনাও ৰাভাই কৰিছিল।

"পখিলাৰে শাৰী উৰে

অ' সখি দেখিলোঁ দেখিলোঁ ৰে

চৌভিতি মুকুতা সৰি সৰি পৰি

ভুৱন ধুনীয়া কৰে।" (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৪৩)।

**

"আজলী ছোৱালী

নানা ফুল তুলি

আনিলো আঁচল ভৰাই"।(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ১৪৪)।

**সঙ্গীতাংশঃ**

**শ্ৰী শ্ৰী মতী কলাৰতী (সঙ্গীতাংশ)**

'শ্ৰী শ্ৰীমতী কলাৰতী'ত ৰাভাই ভাৰতীয় গীত, নৃত্য, নাট্যকলাৰ বিষয়ে বিস্তাৰিতভাৱে বৰ্ণনা কৰিছে।

**ভাৰতীয় সংগীতঃ**

সংগীত কলাৰ বিষয়ে বিষ্ণু ৰাভাই লিখিছে প্ৰাচীন ভাৰতীয় সংগীত কলাত হিন্দু ঋষিসকলে অন্তৰৰ অসীমক উপলব্ধি কৰি সীমাৰ মাজেদি তাক প্ৰকাশ কৰিছে। "সঙ্গীত কেৱল গানেই নহয়,

তাত বাদ্য আৰু নৃত্যও আছে। চাৰি বেদ সৃষ্টি কৰাৰ পিছত ব্ৰহ্মাই এই বেদকেইখনৰ সাৰ লৈ সঙ্গীত নামেৰে পঞ্চম বেদ ৰচনা কৰে। সাম বেদেই সঙ্গীতৰ আদি বিজ্ঞান আৰু কলা।” (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ-৫)।

ভাৰতীয় সংগীত সম্পৰ্কে এই প্ৰবন্ধটোত ৰাভাৰ বিশাল জ্ঞানৰ পৰিচয় পোৱা যায়। ভাৰতীয় সংগীতৰ বিভিন্ন সুৰ, ৰাগ, তাল, আৰু হিন্দুস্থানী সংগীত সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। হিন্দুস্থানী সংগীতত বহু প্ৰকাৰৰ গান আছে। তাৰ ভিতৰত ধ্ৰুপদ, খ্যাল আৰু টপ্পায়েই প্ৰধান।

‘ভাৰতীয় সংগীত’ প্ৰৱন্ধটোত ব্যৱহৃত বিভিন্ন ৰাগ, তাল, তাৰ, কলি, সৰগমৰ বিষয়ে বিস্তাৰিতভাৱে লিখিছে। প্ৰবন্ধটোত-ধ্ৰুপদ, খ্যাল, টপ্পা, ঠুংৰি, প্ৰবন্ধ, যুগল বন্ধ, ৰাগমালা, হোৰী, জাত্ বা জাট্, কওল বা কলৱানা, গুল-নকচ্, গজল, সৰগম, তেলানা, ত্ৰিবট, চতুৰঙ্গ, টপখ্যাল, শোহেলা, জিগৰ, কৰ্তব, উপজ, দম, খম, লাগডাট বা লগ্নদণ্ড, বন্টন বা বাঁট, তান, বহলাও বা বহলাৱা, ফিকিৰ ফন্দী বা হৰক্কৎফান্দা, ঝটকাদ, বে-জৰব, জবৰদাৰ, হলফতান, গমক তান, ফিৰট বা যোড়ফেৰা, ছুট, মুস্কিলাট, বোলতান, জমজমা, বঢ়ৎতান ইত্যাদি।

ৰাগ-ৰাগিনী গোৱাৰ সময় সম্পৰ্কেও প্ৰবন্ধটোত উল্লেখ আছে। সময়ৰ ভাগ প্ৰহৰ হিচাপত কোন ৰাগ কোন সময়ত গাব পাৰি সেই সম্পৰ্কেও উল্লেখ কৰিছে।

**নাটক আৰু থিয়েটাৰ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ‘নাটক আৰু থিয়েটাৰ’ প্ৰবন্ধটোত ভাৰতীয় নাটকৰ পৰম্পৰা, নাট্য কলাৰ সৃষ্টি সম্পৰ্কে লিখিছে।

ভাৰতৰ নাট্যশাস্ত্ৰত উল্লেখ আছে  যে ব্ৰহ্মাই দেৱৰাজ ইন্দ্ৰৰ অনুৰোধত লোক মনোৰঞ্জনৰ কাৰণে নাট্যবেদ বা গন্ধৰ্ববেদ ৰচনা কৰিছিল। ভৰত মুনিয়ে নিজে শিকি স্বৰ্গৰ অপেচৰী আৰু গন্ধৰ্বসকলক শিকাই নাট্য দল গঠন কৰি ‘দেৱাসুৰ-সংগ্ৰাম’ নাটৰ প্ৰদৰ্শন কৰিছিল প্ৰথমে। পৃথিৱীলৈ প্ৰথম নাট্যকলা নমাই আনে ভৰত মুনিয়ে। পণ্ডিত-গৱেষকসকলৰ মতে খ্ৰীষ্টৰ জন্মৰ এহেজাৰ বছৰমান পূৰ্বে ‘ভৰতৰ নাট্যশাস্ত্ৰ’ ৰচনা কৰা হৈছিল। পৰৱৰ্তী সময়ত অভিনয় গুপ্তই ভৰত নাট্যশাস্ত্ৰৰ টীকা ‘অভিনৱ ভাৰতী’ ৰচনা কৰিছিল।

ভৰতৰ নাট্যশাস্ত্ৰ মতে দ্বিতীয়খন নাটক অভিনয় কৰা হয়- ‘লক্ষ্মী সয়ম্বৰ’। ইয়াৰ পিছত

ভৰত মুনিৰ ৰচিত ‘ত্ৰিপুৰ দাহ’ অভিনীত কৰা হয়। নাটকত ব্যৱহৃত সংলাপ, ভাষাৰ মাধুৰ্য কেনে হ’ব লাগে তাৰ বৰ্ণনা পোৱা যায়।

পতঞ্জলিয়ে ৰচনা কৰা মহাভাষ্যত ‘কংসবধ’, আৰু ‘বলী বন্ধন’ নামৰ দুখন নাটকৰ আভাস পোৱা যায়। পৰৱৰ্তী সময়ত বুদ্ধদেৱৰ সময়তো ভাৰতীয় নাট্যকলাই যথেষ্ট সমাদৰ লাভ কৰিছিল। বুদ্ধদেৱে নিজেই নাট্যকলাৰ বিষয়ে উৎসাহ প্ৰদান কৰিছিল বুলি ‘ললিত বিস্তৰ’ত উল্লেখ আছে। সংস্কৃত নাটক ৰচনাত ভাস আৰু কালিদাসৰ অৱদান উল্লেখযোগ্য। কালিদাসৰ দ্বাৰা ৰচিত ‘মালবিকাগ্নিমিত্ৰ’, ‘বিক্ৰমোৰ্বশী’ আৰু ‘অভিজ্ঞান শকুন্তলম’ সৰ্বশ্ৰেষ্ঠ নাটক। অশ্বঘোষৰ ‘সাৰিপুত্ৰ প্ৰকৰণ’, শূদ্ৰকৰ ‘মৃচ্ছকটিক’ আৰু শ্ৰীহৰ্ষৰ ‘ৰত্নাৱলী’, ‘নাগানন্দ’, ‘প্ৰিয়দৰ্শিকা’ প্ৰসিদ্ধ সংস্কৃত নাটক। ভাৰতত আধুনিক নাটক আৰম্ভ হয় ১৭৫৫ খ্ৰী. কলিকতাৰ ‘প্লে হাউচ’ত । ১৮৬০ চনত দীনবন্ধু মৈত্ৰৰ ‘নীল দৰ্পন’ কলিকতাত অভিনয় কৰা হয়। মিছৰ, মেচোপটেমীয়া, গ্ৰীচ, চীন, জাপান আৰু ইংৰাজৰ নাট্য সাহিত্যৰ বিষয়ে বিস্তৃত আলোচনা কৰিছে।

**ভাৰতীয় নাট্যকলা ঃ**

‘ভাৰতীয় নাট্যকলা’ত বিষ্ণু ৰাভাই প্ৰাচীন ভাৰতৰ নাট্যকলাৰ উদ্ভৱ আৰু বিকাশৰ কথা আলোচনা কৰিছে। দেৱৰাজ ইন্দ্ৰৰ অনুৰোধত ব্ৰহ্মাই পঞ্চমবেদ ‘নাট্য-শাস্ত্ৰ’ৰ ৰচনা কৰিলে। মুনি ভৰতে স্বৰ্গৰ পৰা নাট্যকলা মৰতলৈ নমাই আনে। নাট্য শব্দ ‘নট’ বা ‘নৃৎ’ৰ পৰা উৎপত্তি হৈছে। অভিনয় হৈছে তাল, লয়, মান, ভাব আৰু ৰসৰ ৰূপ প্ৰকাশ। অভিনয়ক চাৰিটা ভাগত ভাগ কৰিছে- দৃশ্য, শ্ৰাব্য, নাক্ষত্ৰ আৰু স্বৰ্গীয় মায়াজাল। নাটকত ন ৰসৰ প্ৰয়োগ হয়। ন ৰস হ’ল শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস, অদ্ভুত আৰু শান্ত। অভিনয়ক ভাগ কৰা হৈছে- আঙ্গিক, বাচিক, আহাৰ্য আৰু সাত্বিক। এই ভাবৰ লগতে ৰস লগ লাগি নৃত্যক জীৱন্ত কৰে। এই প্ৰবন্ধটোত ৰাভাই নাটক, ৰস, অভিনয় সম্পৰ্কে আলোচনা কৰিছে।

**নৃত্য কলা ঃ**

নৃত্য হৈছে কৰ্ম আৰু ভাব অঙ্গ সঞ্চালনৰ প্ৰকাশ। বিষ্ণু ৰাভাই নৃত্য সম্পৰ্কে কৈছে- “বিশ্বৰ ছন্দই হৈছে গতিমূলক আৱৰ্ত। যি ছন্দত সৌৰজগতৰ চিৰন্তন নৃত্য চলি থাকে, প্ৰত্যেক অণুৰ

ভিতৰতো সেই ছন্দই প্ৰতিষ্ঠিত। ভূমাৰ যি বিৰাট ছন্দলীলা, সেয়েই জগতৰ সত্যময় নাট্য আৰু সেই ছন্দতে নটৰাজ দীপ্তিমান। এই নৃত্যশীল নটৰাজৰ নৃত্যবিহাৰ যেনেকৈ এফালে বিৰাট ভূমাৰা অসীম প্ৰাঙ্গণত, সেইদৰে আনফালে মানৱ হৃদয়ৰ আহল-বহল ৰঙ্গমঞ্চতো।" (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ-৭৭)। প্ৰাচীন ভাৰতীয় নৃত্যকলাক তিনিটা ভাগত ভাগ কৰা হৈছে। ভাগকেইটা হৈছে- নৃত্যাভিনয় বা মুদ্ৰাভিনয়, স্ত্ৰীনৃত্য আৰু পৰীনৃত্য বা লোকনৃত্য।

নৃত্যাভিনয়ত বাদ্য-যন্ত্ৰেৰে সুৰ-ৰাগৰ দ্বাৰা গায়ন-বায়নে সঙ্গীত কৰে আৰু সেই সঙ্গীতৰ সুৰত নৰ্তকীয়ে নৃত্য কৰে। মুদ্ৰাভিনয়ত নৃত্যত হাতৰ বিভিন্ন মুদ্ৰাৰ ব্যৱহাৰ কৰা হয়। স্ত্ৰী নৃত্যত বায়নে পদ্যৰ সংগ দিয়ে আৰু নৰ্তকীয়ে নাচে। উত্তৰ ভাৰতৰ বাঈজী, আৰু দক্ষিণ ভাৰতৰ দেৱদাসী নৃত্য ইয়াৰ ভিতৰত পৰে। অসমৰ দেৱদাসী নৃত্যও এই শ্ৰেণীৰ নৃত্য। পৰীনৃত্য বা লোকনৃত্যত পুৰুষে বিভিন্ন বাদ্য বজায় আৰু নৰ্তকীসকলে সেই সুৰত নৃত্য কৰে। বিহু নাচ ইয়াৰ উদাহৰণ। প্ৰাচীন ভাৰতীয় নৃত্যকলাৰ ৩২ বিধ অঙ্গহাৰৰ ব্যৱহাৰ হয়। মুদ্ৰা, কৰণ, অঙ্গহাৰ আৰু গীত বাদ্যৰ সহায়েৰে এজন নৰ্তক বা নৰ্তকীয়ে ৰস আৰু ভাব প্ৰকাশ কৰাকে নৃত্য বুলিব পাৰি।

সঙ্গীত দামোদৰৰ মতে, "ভাৰতীয় নৃত্যৰ দুটি ৰূপ "তাণ্ডৱ আৰু লাস্য"। তাণ্ডৱৰ দুটা ৰূপ "পেবলি" আৰু "বহুৰূপ"। লাস্যৰো দুটি ৰূপ "স্ফুৰিত আৰু যৌৱত"। প্ৰবন্ধটোত ৬৬ প্ৰকাৰৰ হস্ত মুদ্ৰাৰ চিত্ৰ অংকন কৰি ৰাভাই বুজাই দিছে। প্ৰবন্ধটোত প্ৰাচীন ভাৰতীয় নৃত্য কলাৰ বিভিন্ন বিষয়ে আলোচনা কৰিছে।

**নৃত্যৰ অঙিনা ঃ**

'নৃত্যৰ অঙিনা' প্ৰবন্ধটোত ভাৰতীয় নৃত্য কলাত ব্যৱহাৰ হোৱা শৰীৰৰ বিভিন্ন অংগ-প্ৰত্যংগৰ বিষয়ে আলোচনা কৰিছে। নৃত্যক চাৰিভাগত ভাগ কৰিছে-

১. পাদৰেচক

২. কটিৰেচক

৩. হস্তৰেচক

৪. গ্ৰীবাৰেচক

ভৰিৰ গেৰোৱা, তলুৱা, বিভিন্ন ধৰণৰ পদ চালনাকে পাদৰেচক বোলে। কঁকাল নচুৱা, তপিনা,

কঁকাল সঞ্চালনক কটিৰেচক বোলে। হস্তৰেচকত হাতৰ বিভিন্ন মুদ্ৰা, হাতৰ অংগ-ভংগি কৰা হয় আৰু গ্ৰীবা বেঁকা কৰা, ডিঙি উঠোৱা-নমোৱাকে গ্ৰীবাৰেচক বোলে।

নৃত্য সাধাৰণতে গীত-বাদ্যৰ সহায়ত কৰা হয় যদিও গীত-বাদ্যৰ সহায় নোলোৱাকৈও ভাবহীনভাবে নাচিব পাৰে। নাচৰ ৰূপ দুবিধ 'উদ্ধত আৰু মিহি'। 'নৃটৰ তাণ্ডৱ ধাৰাৰ' বিধি মতে নৃত্যৰ ধাৰা সাত বিধৰ সেইসমূহ হৈছে— শুদ্ধ, ৰেচকাঙ্গহাৰাত্মক নৃত্য, গীতকাব্যভিনিয়োন্মুখ নৃত্য, গানক্ৰিয়ামাত্ৰানুসৰী নৃত্য, বাদ্যতালানুসাৰী নৃত্য, নাট্যানুসাৰী নৃত্য আৰু ৰাগ-কাব্যনুসাৰী নৃত্য। ইয়াত ৰাভাই নৃত্যকলাৰ বিভিন্ন লয়, তাল, পদ সম্পৰ্কে আলোচনা কৰিছে।

**ওজাপালি ঃ**

বিষ্ণু ৰাভাই এই প্ৰবন্ধটোৰ জৰিয়তে 'ওজাপালি'ৰ বিজ্ঞানসন্মতভাৱে সাংগীতিক ভেটিত প্ৰতিষ্ঠা কৰিব বিচাৰিছিল। সেইবাবে ৰচনা সম্ভাৰৰ সম্পাদকে এই লেখাটোৰ বিশেষ মূল্য আছে বুলি কৈছে। বিষ্ণু ৰাভাই আৰম্ভণিতে বন্দনা অংশত ব্যৱহৃত হোৱা বিভিন্ন মুদ্ৰাৰ বিষয়ে পুঙ্খানুপুংখভাবে বিশ্লেষণ কৰিছে। লেখকে ওজাপালিত ব্যৱহৃত পদচালনা, ছন্দৰ বিভাজন, ত্ৰিপদী ছন্দ সজ্জাৰ দুলড়ী, ছবি আদিৰ লগতে পদ ছন্দৰ ব্যৱহাৰে ওজাপালি পৰিৱেশ্যকলাৰ ৰস সৃষ্টি সম্পৰ্কে লেখকে বিতংভাৱে আলোচনা কৰিছে।

ওজাপালি দলক নিমন্ত্ৰণ জনোৱাৰ ৰীতি-নীতি, ওজা গোৱাৰ সময়, সৰুদক আৰু বৰদকৰ বেলিকা হোৱা সংঘটনাৰ বিষয়ে উল্লেখ কৰিছে। লেখকে ওজাপালিৰ দৰে বিশাল বিষয় এটাক সামৰি এই প্ৰবন্ধটোক মহত্বপূৰ্ণ কৰি তুলিছে।

**হৰগৌৰী নৃত্য বা অৰ্দ্ধনাৰীশ্বৰ নৃত্য ঃ**

'হৰগৌৰী নৃত্য বা অৰ্দ্ধনাৰীশ্বৰ নৃত্য' ৰাভাই কালিকা পুৰাণৰ ৪৫ সংখ্যক অধ্যায়ৰ অনুবাদ কৰিছে। মহাদেৱৰ অৰ্দ্ধনাৰীশ্বৰৰূপ ধাৰণৰ আখ্যানটোৰ ব্যাখ্যা আছে। আখ্যানটোৰ মতে- এদিনাখন উৰ্বশী আৰু অন্য অপেশ্বৰীৰ সন্মুখতে পাৰ্বতীক শিৱে 'ভিন্নাঞ্জনে শ্যামলে' অৰ্থাৎ ক'লা বৰণৰ বুলি ক'লে। তাতে পাৰ্বতীৰ খং উঠিল আৰু যেতিয়ালৈকে গৌৰ বৰ্ণ নহ'ব তেতিয়ালৈকে তপস্যাত ধ্যানমগ্ন হ'ল। তপস্যাৰ বলত পাৰ্বতীয়ে নিজকে জানিব পাৰিলে আৰু চকু মেলি

মহাদেৱক দেখা পাই প্ৰাৰ্থনা কৰিব ধৰিলে যে মহাদেৱ যাতে পাৰ্বতীক গৌৰাংগী কৰি তুলিবলৈ। পাৰ্বতীৰ প্ৰাৰ্থনাত মহাদেৱ আকাশীগংগাৰ পানীৰে পাৰ্বতীক গা ধুৱাই গৌৰাংগী কৰি তুলিলে। পাৰ্বতীয়ে এদিনাখন শিৱৰ বুকুত নিজৰ প্ৰতিচ্ছবি দেখিবলৈ পাই অন্য কোনো নাৰী বুলি অভিমান কৰিব ধৰিলে। তেতিয়া মহাদেৱে পাৰ্বতীক এবাৰ অলংকাৰৰ সৈতে আৰু এবাৰ সকলো আভৰণ সোলোকাই নিজক শিৱৰ বুকুত চাবলৈ কলে। পাৰ্বতীয়ে নিজকে দেখি নিজকে বুজি পাই লাজ পালে। পাৰ্বতীয়ে শিৱক প্ৰাৰ্থনা জনালে যে যাতে সকলো সময়ত শিৱৰ বুকুত একাত্ম হৈ থাকিব পাৰে। শিৱই পাৰ্বতীৰ প্ৰাৰ্থনাত সন্মতি জনালে আৰু ক'লে- তুমি মোৰ শৰীৰৰ অৰ্দ্ধভাগ গ্ৰহণ কৰা, তেতিয়া মোৰ অৰ্দ্ধভাগ নাৰীৰূপ হ'ব আৰু অৰ্দ্ধভাগ পুৰুষৰূপ হ'ব। শিৱ আৰু পাৰ্বতীৰ দেহা মিলি অৰ্দ্ধনাৰীশ্বৰ ৰূপ হ'ল।

**তন্ত্ৰশাস্ত্ৰ ঃ**

'তন্ত্ৰশাস্ত্ৰ' প্ৰবন্ধটোত ৰাভাই বিভিন্ন তন্ত্ৰসমূহৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখিছে। ইয়াত তন্ত্ৰসমূহৰ এখন তালিকা আছে। প্ৰাচীন কালত শিক্ষাৰ্থীসকলৰ সমাৱৰ্তনৰ সময়ত দিয়া মূল্যৱান উপদেশ সমুহ দিয়া আছে, যেনে- সত্যংবদ, ধৰ্ম্মংচৰ, স্বাধ্যায়ান মাপ্ৰমদঃ (অধ্যয়ন বা অধ্যাপনাৰ পৰা ভ্ৰষ্ট নহবা) শাস্ত্ৰ অধ্যয়নৰ পৰা গুৰু দক্ষিণা আৰু বিবাহ, দানবিধি, পঞ্চমহাযজ্ঞ আদি বিষয়ক বিভিন্ন উপদেশ দিয়া আছে।

**দৃশ্য আৰু পট ঃ**

'দৃশ্য আৰু পট' প্ৰবন্ধটোত ভাস্কৰ্য আৰু মূৰ্তি নিৰ্মাণৰ বিভিন্ন কৌশলৰ কথা কোৱা হৈছে। ভাৰতীয় আৰ্য বা বৈদিক যুগৰ পৰা দেৱ-দেৱীৰ মূৰ্তি নিৰ্মাণ বিষয়ক শিল্পশাস্ত্ৰৰ ৰচনা হয়। এই শিল্পশাস্ত্ৰই হৈছে বিশিষ্ট শাস্ত্ৰ- 'মানসাৰ'। এই মানসাৰ পৰাই অগস্ত্যৰ 'সকলাধিকাৰ', সনৎকুমাৰৰ 'বাস্তুশাস্ত্ৰ' আৰু 'শিল্প সংগ্ৰহ', বৰাহমিহিৰৰ 'বৃহৎসংহিতা' গ্ৰন্থ ৰচনা কৰা হয়। গ্ৰন্থবোৰত মূৰ্তি নিৰ্মাণৰ প্ৰণালী, মূৰ্তিৰ নবিধ দ্ৰব্য, ত্ৰিবিধ পৰিকল্পনা, দশবিধ তালমান, নবিধ আপেক্ষিক মান প্ৰভৃতিৰ বিৱৰণ দিয়া আছে। বিষ্ণু ৰাভাই 'মানসাৰ' শিল্পশাস্ত্ৰখনক গুৰুত্ব দি এই প্ৰবন্ধটোৰ যোগেদি তত্ত্বগধুৰ আলোচনা আগবঢ়াইছে।

**চৰ্য্যাপদৰ কথা ঃ**

নেপালৰ ৰাজ দৰবাৰৰ পৰা ১৯০৭ খ্ৰীষ্টাব্দত মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে চৰ্য্যাপদৰ সংকলিত পুথি এখন উদ্ধাৰ কৰে আৰু পৰৱৰ্তী সময়ত 'বৌদ্ধগান ও দোহা' নামেৰে প্ৰকাশ কৰে। চৰ্য্যাপদত ২৩ গৰাকী বৌদ্ধ সিদ্ধাচাৰ্যই ৰচনা কৰা ৫০ টা চৰ্য্যাগীতৰ সমষ্টি। চৰ্য্যাপদৰ মূল সংকলনটিৰ নাম হৈছে- 'চৰ্য্যাচৰ্য বিনিশ্চয়'। চৰ্য্যাপদৰ ৰচোঁতা সিদ্ধপুৰুষসকলে হৈছে- কঙ্কনপাদ, কম্বলাধৰ, কাহ্নূপাদ, কুক্কুৰীপাদ, গুণ্ডৰীপাদ, চাটিলপাদ, জয়নন্দী, ডোম্বীপাদ, ঢেন্‌ঢপাদ, তন্ত্ৰীপাদ, তাড়কপাদ, দাৰিকপাদ, ধামপাদ, বিৰুৱাপাদ, ধানাপাদ, ভদ্ৰপাদ, ভুসুকপাদ, মহীধৰপাদ, লুইপাদ, শবৰপাদ, শান্তিপাদ, সৰহপাদ এই একুৰি তিনিজন সিদ্ধসকলৰ ৰচনাহে পোৱা যায়। ইয়াৰ ভাষা অতিশয় জটিল। হৰপ্ৰসাদ শাস্ত্ৰী ডাঙৰীয়াই ইয়াৰ ভাষাক সান্ধ্য ভাষা বুলি কৈছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ মতে বহুকেইজন চৰ্যাৰ ৰচক কামৰূপৰ আছিল। লুইপাদ বা মৎস্যেন্দ্ৰনাথ কামৰূপৰ আছিল। লুইপাদৰ ওপৰি সৰহপাদ, কানহূপাদ আদি বহুকেইজন সিদ্ধাচাৰ্য প্ৰাচীন কামৰূপৰ আছিল। ৰাভাই চৰ্যাপদৰ লগত পাচালী কবি দুৰ্গাবৰৰ গীত-ৰাগ আৰু তাত সমান্তৰালভাৱে শংকৰদেৰ মাধৱদেৱৰ বৰগীততো বিশেষভাৱে প্ৰভাৱ পৰিছে বুলি কৈছে।

**বিহু ঃ**

বিহু প্ৰবন্ধটোত ৰাভাই বিভিন্ন জ্যোতিষ শাস্ত্ৰমতে গ্ৰহ-নক্ষত্ৰ, ঋতুৰ ফলত নতুন বছৰৰ আৰম্ভণি আৰু ৰাশি অনুযায়ী গণনা কৰি বিহু পালন কৰি আহিছে। "বিহু জনজাতীয় প্ৰাচীন অসমবাসীৰ প্ৰজনন বা আদিম কৃষি উৎসৱ তাক বঢ়িয়াকৈ বিচাৰ কৰি দেখুৱাবলৈ এৰা নাই।" (শৰ্মা,শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ-১৫৯)। প্ৰবন্ধটিত ৰাভাই বিহুগীতৰ স্বৰলিপি সংযোগ কৰিছে।

**২। নাটক, নৃত্যনাটিকা আৰু চিত্ৰনাট্য ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাক নাট্যকাৰ হিচাপে প্ৰকৃত মূল্যায়ণ কৰা হোৱা নাই। বিষ্ণু ৰাভাই নাটক, নৃত্যনাটিকা আৰু চিত্ৰনাট্য ৰচনা কৰিছিল। 'ৰাভা ৰচনাৱলী প্ৰকাশন সংঘ'ই প্ৰকাশ কৰা বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰত (প্ৰথম খণ্ড) ৰাভাৰ সম্পূৰ্ণ আৰু অসম্পূৰ্ণ মুঠ নাটক যোল্লখন, নৃত্যনাটিকা পাঁচখন আৰু চিত্ৰনাট্যৰ সংখ্যা পাঁচখন।

**(ক) নাটক ঃ**

'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (প্ৰথম খণ্ড) ত যোল্লখন সম্পূৰ্ণ আৰু অসম্পূৰ্ণ নাটক পোৱা যায়। কিছুসংখ্যক নাটকৰ নাম নাট্যকাৰে দিয়া নাছিল। পিছত 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ৰ সম্পাদনা সমিতিয়ে নাম নোহোৱা নাটকসমূহৰ নামকৰণ কৰে।

নাটকবোৰ হৈছেঃ

১। শকুন্তলা (অসম্পূৰ্ণ নাটক)

২। নীলাম্বৰ (চুটি নাটক)

৩। কৃষক (সামাজিক নাটক)

৪। সপোন কুঁৱলি (সামাজিক নাটক)

৫। তৰাৰতী আইদেউ (অসম্পূৰ্ণ)

৬। এজেন্টি মুলুক (বিষ্ণু ৰাভাই নিজে দিয়া নাম নহয়)

৭। সোণামুৱা গাঁও (অসম্পূৰ্ণ)

৮। কেৰুমণি থুৰিয়া (একাঙ্কিকা)

৯। জীৱন (এক অঙ্কৰ নাট, নামকৰণ নাট্যকাৰৰ নহয়)

১০। স্বামী ৰাম এ (এক অঙ্কৰ নাট, নামকৰণ নাট্যকাৰৰ নহয়)

১১। ধুমুহা (অসম্পূৰ্ণ, দৃশ্য আদিৰ উল্লেখ নাই)

১২। সন্ন্যাসী

১৩। মাধৱদেৱ (অসম্পূৰ্ণ, ডুখুৰীয়া নাট)

১৪। ঁশংকৰদেৱ

১৫। সীমান্ত সৈনিক (দৃশ্য, অঙ্কৰ বিভাজন নাই)

১৬। সুবিশাল ব্ৰহ্মপুত্ৰ (নাট্যকাৰে বহুকেইটা নাম লিখিছিল, ৰচনা সম্ভাৰৰ সম্পাদকে এই নামটো ব্যৱহাৰ কৰিছে)

বিষ্ণুপ্ৰসাদ ৰাভাৰ সম্পূৰ্ণ আৰু অসম্পূৰ্ণ নাটকৰ সম্পৰ্কে ৰচনা সম্ভাৰৰ সম্পাদকে নিজৰ সম্পাদকীয় টোকাত এনেদৰে লিখিছে- "তেওঁৰ প্ৰকাশিত-অপ্ৰকাশিত নাটবিলাক ইয়াত দিয়া হৈছে। ক'ৰবাত বাদ পৰি গৈছে যদি কোৱা টান। সকলো নাট সম্পূৰ্ণ নহয়। কিছুমান নাট্যকাৰে খচৰা

ৰূপতে এৰি থৈ গৈছিল।"(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ২৮২)।

**তলত বিষ্ণুপ্ৰসাদ ৰাভাৰ নাটকেইখনৰ বিষয়ে চমুকৈ আলোচনা কৰা হ'লঃ**

**শকুন্তলাঃ**

মহাকবি কালিদাসৰ 'অভিজ্ঞান শকুন্তলমৰ' আধাৰত ১৩ টা দৃশ্যত ৰাভাই শকুন্তলা নাটকখন ৰচনা কৰিছে। নাটকখন কালিদাসৰ 'অভিজ্ঞান শকুন্তলম' আধাৰত ৰচনা কৰিলেও নাটকখনত নাট্যকাৰৰ মৌলিকতা দেখিবলৈ পোৱা যায়। ঋষি দুৰ্বাসাৰ অভিশাপত স্বামী দুষ্মন্তৰ পৰা আতৰি হেমকুট পৰ্বতৰ এক প্ৰান্তত পুত্ৰৰ সৈতে কাশ্যপ ঋষিৰ আশ্ৰমত বাস কৰিছিল। ধীবৰৰ জৰিয়তে নিজৰ নামাঙ্কিত আঙুঠি দেখি দুষ্মন্তৰ শকুন্তলা স্মৃতি উভতি আহে। নাটকখন অসম্পূৰ্ণ যেন লাগে, "এইখিনিতে নাটকখন শেষ হৈছে। অৱশ্যে, নাটকখন শেষ হোৱাৰ কোনো ইংগিত নাট্যকাৰে দিয়া নাই। হয়তো আৰু কিছু সংলাপ সংযোজন কৰি নাটকখনৰ কাহিনীভাগ আৰু কিছুদূৰ আগবঢ়াই নিয়াৰ পৰিকল্পনা নাট্যকাৰে কৰিছিল। সময়ত সেই পৰিকল্পনা পূৰ্ণ নহ'ল।" (বৰা, দিলীপ আৰু শৰ্মা অনুৰাধা (সম্পা)ঃ মুক্তি দেউলৰ ৰূপকাৰ, পৃ- ১০৯)।

নাটকখনৰ নাট্যকাৰৰ কল্পনাশক্তি, ভাষা, সংলাপ, প্ৰাকৃতিক সৌন্দৰ্যৰ মনোৰম বৰ্ণনা কৰিছে।

**নীলাম্বৰ ঃ**

এখন চাৰিটা দৃশ্যৰ সৰু বুৰঞ্জীমূলক নাটক। প্ৰাচীন কামতা ৰাজ্যৰ অধিপতি চক্ৰধ্বজৰ মৃত্যু আৰু নীলাম্বৰৰ ৰাজ অভিষেকৰ বৰ্ণনা আছে। প্ৰথম দৃশ্যত কামতাপুৰৰ ৰাজকাৰেং। ব'হাগী মেলা উপলক্ষে যুৱৰাজ নীলাম্বৰ, নীলাম্বৰৰ পত্নী চন্দ্ৰকান্তি মাদৈ লগতে লিগিৰি ৰংদৈ সমন্বিতে আনন্দ উৎসৱ পালন কৰে।

দ্বিতীয় দৃশ্যত ৰোগশয্যাত কামতাৰাজ চক্ৰধ্বজ সিংহ মৃত্যুৰ আগত মন্ত্ৰী শচীপাত্ৰক নীলাম্বৰক কামতাপুৰৰ ৰাজসিংহাসত বহুৱাবলৈ উপদেশ দিয়ে। চক্ৰধ্বজ সিংহই নীলাম্বৰে যাতে ৰাজকাৰ্য সুচাৰুৰূপে চলায় তাৰ নিৰ্দেশ দি চিৰ বিদায় মাগে।

তৃতীয় দৃশ্যত নীলাম্বৰৰ অভিষেক। কামতাৰাজ চক্ৰধ্বজ সিংহৰ উপদেশ মতেই নীলাম্বৰক কামতাপুৰ ৰাজসিংহাসনত ৰজা হিচাপে পৰম্পৰাগতভাৱে অভিষেক সম্পন্ন কৰা হয়। ৰাজসিংহাসনত

উঠিয়েই ৰজা নীলাম্বৰে বিদ্ৰোহ দমন অভিযানত ব্যস্ত হ'বলগীয়া হয়। যুদ্ধত ব্যস্ত থকাৰ বাবে নীলাম্বৰৰ মধুৰ সান্নিধ্যৰ পৰা বঞ্চিত হৈ ৰাণী চন্দ্ৰকান্তিৰ মনত অসন্তোষ হয়।

শেষত ৰংদৈৰ আগত ৰাণী চন্দ্ৰকান্তিৰ মনৰ ক্ষোভ প্ৰকাশ।

"ৰংদৈ- ৰজাই যাব বিজয় অভিযানত সৰু ৰাণীয়ে

দিব অনুমতি, চেনেহ ভৰা হিয়াৰে মেলানি।

এয়েই জানো নাৰী-পুৰুষৰ সম্বন্ধ নহয়?

চন্দ্ৰকান্তি- সম্বন্ধ হ'লেও নাৰীৰ সেয়া অভিলাষ

নহয় ৰংদৈ।

ৰংদৈ- ভুল মাদৈ, কাৰণ বৰ্হিজগতৰ ৰজা স্বয়ং

পুৰুষ আৰু অৰ্ন্তজগতৰ ৰাণী স্বয়ং নাৰী।

এয়েই প্ৰকৃত নৰ-নাৰীৰ সম্বন্ধ।"(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ৩২১)।

নীলাম্বৰ নাটকখনত ৰাণী চন্দ্ৰকান্তি আৰু লিগিৰি ৰংদৈৰ মাজত হোৱা কথা-বতৰাত নাৰীৰ মনোস্তত্ত্বৰ সহজাত নিদৰ্শন পোৱা যায়।

**কৃষক ঃ**

'কৃষক' বিষ্ণু ৰাভাৰ ৰচিত এখন সামাজিক নাটক। এই নাটকখনৰ পটভূমি ভাৰতৰ স্বাধীনতা আন্দোলন। নাটকখনৰ প্ৰথম দৃশ্যত স্বাধীনতা আন্দোলনত অংশগ্ৰহণ কৰাৰ বাবে কলেজৰ অধ্যক্ষই মাধৱক কলেজৰ পৰা বহিষ্কাৰ কৰে।

দ্বিতীয় দৃশ্যত দেখা যায় গাঁৱত আন্দোলনৰ তীব্ৰ বতাহ বলিছে। মাধৱে অৰুণহঁতক সহযোগী কৰি গাঁৱে গাঁৱে ইংৰাজৰ বিৰুদ্ধে মিটিং পাতে, বিদ্ৰোহী আৰু দেশপ্ৰেমমূলক কবিতা আবৃত্তি কৰে। মাধৱহঁতৰ এই আন্দোলনৰ খবৰ গাঁৱৰ ঘটাটিংহঁতে পুলিচক দিয়ে। পুলিচে মাধৱ আৰু অন্য আন্দোলনকাৰীবোৰক ধৰি মাৰধৰ কৰে আৰু গ্ৰেপ্তাৰ কৰি জেললৈ পঠিয়াই দিয়ে। নাটকখনত ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ দৃশ্য ৰাভাই হুবহু ৰূপত দেখুৱাইছে।

মাধৱে জেলৰ পৰা ওলাই আহি সুখ্যাতিৰে এম.বি.বি.এছ. পৰীক্ষাত উত্তীৰ্ণ হয়। গাঁৱতে সমাজ সেৱাত ব্ৰতী হয়। ভাৰতে স্বাধীনতা লাভ কৰিলে, ক্ষমতাৰ হস্তান্তৰ হ'ল যদিও মাধৱে বুজি

পালে এয়া প্ৰকৃত স্বাধীনতা লাভ কৰা নাই। মাধৱে ৰাইজক বুজাইছিল যে, যেতিয়া প্ৰত্যেক কৃষক-মজদুৰে শ্ৰমৰ ফল পাব আৰু সমাজবাদ প্ৰতিষ্ঠা হ'ব সাম্যবাদৰ জৰিয়তেহে প্ৰকৃত স্বাধীনতাৰ ফল লাভ কৰিব পাৰিব।

'কৃষক' বিষ্ণু ৰাভাৰ তিনিটা অংক আৰু ১৮ টা দৰ্শনৰ এখন অসম্পূৰ্ণ নাট। নাটকখনত ৰাভাৰ নাট্যপ্ৰতিভা সুন্দৰ ৰূপত প্ৰকাশ পাইছে।

**সপোন কুঁৱলী ঃ**

বিষ্ণুপ্ৰসাদ ৰাভা ধুবুৰী কাৰাগৰত থকাৰ সময়ত লক্ষেশ্বৰ শৰ্মাৰ অনুৰোধ মৰ্মে 'সপোন কুঁৱলী' নাটখন ৰচনা কৰে। নাটখনৰ পটভূমি ভাৰতৰ স্বাধীনতা সংগ্ৰাম। এইখন এখন সামাজিক নাটক। নাটকত শম্ভুৰাম বৰুৱাই আন্দোলনত যোগদান কৰি পুলিচৰ কোবত শ্বহীদ হয়। নাটকখনত সেই সময়ত চলি থকা ভাৰত ত্যাগ আন্দোলন, কৰেঙ্গে ইয়া মৰেঙ্গে, অসহযোগ আন্দোলন, অহিংসা আন্দোলনৰ লগতে কিছুসংখ্যকে সশস্ত্ৰ সংগ্ৰাম কৰি দলং ভঙা, ৰেলপথ বগৰোৱা আদি বিদ্ৰোহী কাৰ্যকলাপবোৰ নাটকখনত সুন্দৰভাৱে প্ৰকাশ পাইছে। নাটকখনৰ চৰিত্ৰবোৰ হৈছে মিচেছ বৰুৱা, শেৱালী, চেৰী, দেউটি, লগৰীয়া আৰু কেইজনমান ৰোৱণী-বোৱাৰী। নাট্যকাৰৰ সাম্যবাদীভাৱ, তেওঁৰ মনৰ অন্তৰ্নিহিত ক্ষোভ, ভুৱা স্বাধীনতাৰ ছবি চেৰীৰ মুখেদি কোৱাইছে- "এয়া ধনিক শ্ৰেণীৰ গণতন্ত্ৰহে। নামত গণতন্ত্ৰ হ'লেও কামত গণতন্ত্ৰ নহয়, মুষ্টিমেয় ধনিক শ্ৰেণীৰ ধনতন্ত্ৰহে।" (বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ৩২৩)। নাটকখনত চেৰীৰ চত্ৰিৰ যোগেদি ৰাভাৰ প্ৰগতিশীল ভাৱ দাঙি ধৰিছে। বিষ্ণুপ্ৰসাদ ৰাভাই প্ৰতীকৰূপত সপোন কুঁৱলী নাম দিছে।

**তৰাৰতী আইদেউ ঃ**

এখন আধৰুৱা বুৰঞ্জীমূলক নাটক। নাটখনত ভাৰতৰ স্বাধীনতা আন্দোলনৰ পটভূমিত ৰচনা কৰা। নাটকখনত পাঁচটা দৰ্শন আছে। নাটকখনৰ প্ৰথম দৃশ্যত মান ৰজা বাৰ্গ্যদোৱাৰ অন্তঃপুৰত ৰাজনটীৰ নৃত্য আৰম্ভ হয়। নৃত্য উপভোগ কৰি থাকে ৰজা, ৰাণী অসম জীয়ৰী তৰাৰতী আইদেউ-মানদেশত যি গৰাকীক ভামোমেপেৰা নামে জনা যায়।

তৰাৰতীৰ লগত যোৰা অসমৰ ধতুৰা গোহাঁইক মান ৰজাই সেই দেশৰ পৰ্বতীয়া অঞ্চলৰ শাসনকৰ্তা পাতে। চন্দ্ৰকান্ত সিংহৰ ৰাজত্বকালত মান সেনাপতি মিঙ্গিমাহা তিলোৱাই হাদিৰাচকীত অসম দখল কৰে।

কৰ্ণেল মেকমৰিণ চাহাবে হঠাতে আক্ৰমণ কৰি গুৱাহাটীত মান সৈন্যক পৰাজিত কৰিলে আৰু ১৮২৬ চনত ইয়াণ্ডাবু সন্ধি কৰি অসমক ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনত লৈ ল'লে। অসম ভূমি ইংৰাজৰ দখলত যোৰা শুনি ধতুৰা গোহাঁই আৰু পুতেক গদাধৰ গোহাঁই লগ হৈ অসমক ইংৰাজৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ মান ৰজা বাৰ্গ্যদোৱাৰ সহায় বিছাৰিলে। মান ৰজাৰ সহযোগত খামটি ৰজা, নগা গাম, বিছা গাম আদি ইংৰাজৰ বিৰুদ্ধে একগোট হ'ল।

ইংৰাজৰ বিৰুদ্ধে আৰম্ভ হোৱা দ্ৰোহৰ খবৰ শদিয়াখোৱাই ইংৰাজ সৈন্যক জনায় আৰু ইংৰাজ সৈন্যই ধতুৰা আৰু গদাধৰক গ্ৰেপ্তাৰ কৰে।

**এজেন্টি মুলুক ঃ**

অসম বুৰঞ্জীৰ ঘটনাৰ আধাৰত ৰচিত এক অংকৰ এখন আধৰুৱা নাট। এই নাটকখনৰ 'বহীৰ বকলাত' মণিৰাম', 'মটক ৰাজ' আৰু 'এজেন্টি মুলুক' এই তিনিটা নাম লিখা আছিল। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ৰ সম্পাদকে বিবেচনা কৰি 'এজেন্টিমুলুক' নামটো নিৰ্বাচন কৰে।

'এজেন্টি মুলুক' নাটকখনৰ ঘটনা বা উদ্দেশ্যৰ কোনো স্পষ্ট ইঙ্গিত নাই। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দিনত নিজৰ স্বাৰ্থ পুৰণ কৰিবৰ বাবে বদন বৰফুকনে মান আনিছিল। মান সেনাৰ অত্যাচাৰত অসমৰ মানুহৰ দুখ-দুৰ্দশাৰ সীমা নোহোৱা হ'ল।

মানৰ এই অত্যাচাৰৰ পৰা অসমবাসীক ৰক্ষা কৰিবলৈ একো উপায় বিচাৰি নাপাই ৰজা চন্দ্ৰকান্ত সিংহই ইষ্ট ইণ্ডিয়া কোম্পানীৰ সহায়ত মান সৈন্যক খেদিলে। ইষ্ট ইণ্ডিয়া কোম্পানীক অসমৰ বাট দেখুৱালে মণিৰাম বৰুৱাই। মণিৰামে মানে ধ্বংস কৰি যোৱা অসমখনক নতুনকৈ গঢ় দিয়াৰ উদ্দেশ্যত ইংৰাজৰ সহায় বিচাৰিছিল। মণিৰাম বৰুৱা আৰু ইংৰাজ বিষয়া বেডিংচফিল্ডক হত্যা কৰিবলৈ বদন বৰফুকনৰ পুতেক জন্মি ফুকন, পিয়ালী ফুকনে ষড়যন্ত্ৰ কৰি হৰনাথক দায়িত্ব দিয়ে। ইংৰাজ চিপাহীয়ে হৰনাথক আটক কৰে। মণিৰাম বৰুৱাই সোধ-পোচ কৰি সঁচা উত্তৰ পোৱাৰ পিছত হৰনাথক মুক্তি দিয়ে। ইয়াতে নাটখনৰ শেষ হয়।

**সোণামুৰা গাঁও ঃ**

'সোণামুৰা গাঁও' এখন নাটিকা। ইয়াৰ অন্য নাম 'গেঙনি-ৰেঙনি'। নাটকখনৰ কাহিনীটো গাঁৰৰ এক দুখীয়া পৰিয়ালক কেন্দ্ৰ কৰি আগবাঢ়িছে। গাঁওখনৰ নাম সোণামুৰা গাঁও। মূল চৰিত্ৰ দুখীৰামে অভাৱ-অনাটনৰ মাজেৰে সংসাৰ চলায়। ৰূপহীয়েও কাম কৰে, কাপোৰ বয়। দুখীৰাম আৰু ৰূপহীয়ে অশেষ কষ্ট কৰি ভায়েক দীনাইৰ পঢ়া খৰচৰ বাবে ৰূপহীৰ সোণৰ গহনা ধনী মহাজনৰ হাতত বন্ধক দিয়ে। নাটকখনৰ জৰিয়তে ধনী-দুখীয়াৰ প্ৰভেদ দেখা যায়। ধনী শ্ৰেণীটোৱে দুখীয়া শ্ৰেণীটোক শোষণ কৰা দেখুৱাইছে। নাট্যকাৰে সেই সময়ৰ অৰ্থনৈতিক অৱস্থাৰ এখন জটিল ছবি দাঙি ধৰিছে। জীৱন চৰিত্ৰৰ মাজেদি সমাজতান্ত্ৰিক কমিউনিষ্ট আন্দোলনৰ ছবি দেখুৱাইছে। জীৱনে সমাজতান্ত্ৰিক বিপ্লৱৰ বাবে সাজু হ'বলৈ এখন বিৰাট ৰাজহুৱা সভাৰ আয়োজন কৰাৰ কথা কৈছে। জীৱনে ধনতন্ত্ৰবাদৰ অৱসান ঘটাই সমাজতান্ত্ৰিক বিপ্লৱৰ দ্বাৰা পঞ্চায়তৰাজ প্ৰতিষ্ঠা কৰাৰ বাবে সাম্যবাদী আদৰ্শ প্ৰচাৰ কৰিছে।

**কেৰুমণি থুৰিয়া ঃ**

'কেৰুমণি থুৰিয়া' সৰু হাস্য-ব্যঙ্গাত্মক একাংকিকা নাটক। নাটকৰ কাহিনী 'বিদেশীবস্তু বৰ্জন'ৰ সময়ৰ যেন অনুমান হয়। নাটকখনত গাঁওবুঢ়া, মাষ্টাৰ, ডেকা আদিয়ে গাঁওৰ সহজ-সৰল মানুহখিনিৰ পৰা সোণৰ বস্তু সংগ্ৰহ কৰে। গাঁওবুঢ়া, মাষ্টৰৰ কথাত ঘেটুই নিজৰ পত্নী ভেকুলীৰ গহনা মনে মনে লৈ দান দিব বিচাৰে। ডেকা, মাষ্টাৰ, আৰু গাঁওবুঢ়াই ভদ্ৰেশ্বৰ বৰা (ভেদাই) ৰ ঘৰৰ পৰা সি ঘৰত নথকাৰ সুযোগত ঘৈণীয়েকৰ দুযোৰ সোণৰ খাৰু দান হিচাপে লৈ আহি ঘেটুৰ ঘৰত সোমাই ঘেটুক চলাহী কথা ক'বলৈ ধৰে। ভদায়ে সকলো কথা গম পায় আৰু খাৰু দুযোৰ উভতাই বিচাৰে। নাটকখনত স্বাধীন অসমৰ আন্দোলনৰ নামত চলি অহা ঠগ প্ৰবঞ্চনা দেখুৱাইছে।

**জীৱন ঃ**

'জীৱন' এক অঙ্কৰ নাট। নামকৰণ নাট্যকাৰৰ নহয়। ব্যঙ্গাত্মক, চুটি, আধৰুৱা নাটক। নাটকখন ধনী আৰু দুখীয়াৰ শ্ৰেণী বৈষম্য দেখুৱাইছে। 'জীৱন' নামৰ নাটখনত তথাকথিত ধনী

শ্ৰেণীৰ প্ৰতিনিধি চন্দ্ৰৰ দম্ভালি মৰা কথাত অন্তঃসাৰশূণ্য জীৱন দৰ্শন ফুটি উঠিছে। চন্দ্ৰ ধনী ঘৰৰ ল'ৰা, সি বিলাসী জীৱন যাপন কৰে। চন্দ্ৰৰ বিপৰীত চৰিত্ৰ হ'ল জীৱন। জীৱন কষ্টেৰে পঢ়া-শুনা কৰে, সময়ৰ অপব্যৱহাৰ নকৰে। চন্দ্ৰই জীৱনক ব্যংগ কৰে। নাটকখনত চন্দ্ৰ আৰু জীৱনৰ চৰিত্ৰ দুটাৰ মাজেৰে নাট্যকাৰে ধনীৰ বিলাসিতাক ব্যংগ আৰু দুখীয়াৰ দুখ-কষ্টক সন্মান জনাইছে।

**স্বামী ৰাম এ ঃ**

'স্বামী ৰাম এ' এখন চুটি ব্যঙ্গাত্মক একাংকিকা নাটক। নাটকখন আধৰুৱা। দামোদৰ ভকত কেশাই আৰু কেশাইৰ মুখচোকা পত্নী ৰূপৈৰ সংসাৰৰ জঞ্জালবোৰৰ মাজেৰে এলেহুৱা হৰি ভকতৰ স্বৰূপ উদঙাই দিছে। কেশাই ভকতে কাম বন নকৰে। শেষত ৰূপৈৰ কাণৰ থুৰীয়া মহাজনৰ ওচৰত বন্ধকত দিবলগীয়া হয়। সময়ত থুৰীয়াযোৰ মহাজনৰ পৰা মোকোলাব নোৱাৰাৰ বাবে কেশাইক কৰ্কথনা কৰিছে। ভৱিষ্যতৰ কথা নাভাবি কেশাইৰ তালৈ বিয়া হৈ অহাৰ বাবে ৰূপৈৰ ভিনীয়েক বুধাইয়ে ৰূপাইক কটাক্ষ কৰিছে যদিও কাণৰ থুৰীয়া মহাজনৰ পৰা মোকোলাই আনিবলৈ আশ্বাস দিছে।

নাটকখনৰ মাজেৰে অসমীয়া সমাজৰ কেইটামান চৰিত্ৰ চিত্ৰণ হৈছে যদিও স্পষ্ট কোনো ঘটনা বা আদৰ্শ নাই।

**ধুমুহা ঃ**

'ধুমুহা' এখন অসম্পূৰ্ণ নাটক। নাটকখন যুদ্ধৰ পটভূমিত ৰচিত, কিন্তু কি যুদ্ধ, ক'ৰ যুদ্ধ একো উল্লেখ নাই। বিপুল নামৰ ডেকাজন যুদ্ধলৈ যাব ওলাইছে। ৰাতি ফৰিং ফুটা জোনাকত হেমীয়ে বিপুলক বিদায় দিছে। বিদায় বেদনাদায়ক, বিদায়ৰ আগমুহূৰ্ত্তে বিপুলে কৈছে- "………অনাহকত কিমান মানুহ যে আমাৰ দেশত মৰে এইবিলাক কিয় হয় জানানে- কাৰণ দুৰ্বলৰ ওপৰত সবলৰ অত্যাচাৰ, অনাচাৰ আৰু নিৰ্যাতন চলি থকাৰ কাৰণে। মোৰ একান্ত ইচ্ছা আৰু আদৰ্শ এই যে মই এই দেশৰ মানুহবিলাকক এনে অত্যাচাৰ নিৰ্যাতন হাতৰ পৰা ৰক্ষা কৰিম। এই মহান আদৰ্শকে বুকুত বান্ধি লৈ মই আজি যুদ্ধলৈ যাবলৈ ওলাইছোঁ।"(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ৩৮৫)।

যুদ্ধত যোৱাৰ পিছত বিপুলৰ পৰা দুখনমান চিঠি আহে। চিঠিত যুদ্ধৰ ভয়াবহতা, ভাল-বেয়া খবৰ, মানুহে মানুহক কৰা অত্যাচাৰৰ নমুনা আৰু যুদ্ধ শেষ নোহোৱালৈকে ঘৰলৈ আহিব নোৱাৰাৰ কথা জনাইছে। অসম্পূৰ্ণ নাটকখনে যুদ্ধৰ ভয়াবহতাৰ ছবি দাঙি ধৰিছে।

**সন্ন্যাসী ঃ**

এই নাটকখনত ৰোমাণ্টিচিজমৰ ধাৰণা প্ৰকাশ পাইছে। এই নাটকখনত মুঠ পাঁচটা দৰ্শন আছে। প্ৰথম, দ্বিতীয় আৰু চতুৰ্থ দৰ্শনত সংলাপৰ ঠাইত নাট্য নিৰ্দেশনা দিয়া আছে। নাটকখনত অমৰ আৰু জেউতি নামৰ চৰিত্ৰ দুটাৰ মাধ্যমেৰে নাৰী-পুৰুষৰ তাত্ত্বিক সম্পৰ্কৰ কথা নাট্যকাৰে ব্যাখ্যা কৰিছে।

**মাধৱদেৱ ঃ**

'মাধৱদেৱ' এখন অসম্পূৰ্ণ নাটক। প্ৰথম দৰ্শনৰ পৰা অষ্টম দৰ্শনলৈ পৰিকল্পনা কৰি নৱম দৰ্শনত এডাল আঁচ দিয়া আছে। প্ৰথম দৰ্শন আৰম্ভ কৰিছিলহে মাথোন। বিষ্ণু ৰাভাই 'মাধৱদেৱ' নাটকখন লিখাৰ পৰিকল্পনা হাতত লৈছিল যদিও আধৰুৱা হৈ ৰ'ল। নাটকৰ পৰিকল্পনা মতে-

"**প্ৰথম দৰ্শন ঃ** ১। আঠ দুলীয়া সৈতে সৰ্বস্ব লৈ
ৰামকানু আতা আৰু তেৰাৰ পৰিবাৰত
পলায়ন।...

দ্বিতীয় দৰ্শনঃ মনোৰমা আইৰ স্বপ্নদৰ্শন...

তৃতীয় দৰ্শনঃ শিশু মাধৱঃ.........

চতুৰ্থ দৰ্শনঃ মাধৱৰ শিক্ষা। পিতৃ বিয়োগ।"(বি.প্ৰ. ৰা. ৰ.স., প্ৰথম খণ্ড, পৃ- ৪০৮)।

**ঁশঙ্কৰদেৱ ঃ**

মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ আধাৰত ৰচিত এখন জীৱনীমূলক নাটক। নাটকখনত শঙ্কৰদেৱৰ জন্ম, তীৰ্থ ভ্ৰমণ, ধৰ্মপ্ৰচাৰ আদি বিষয় ইয়াত বৰ্ণনা কৰা হৈছে। "অসমৰ ঐতিহ্যৰ শ্ৰেষ্ঠতম প্ৰতিনিধি শংকৰদেৱৰ প্ৰভাৱ স্বাভাৱিকভাৱেই বিষ্ণু ৰাভাৰ জীৱনত পৰিছিল।"(ভট্টাচাৰ্য,

নলিনীধৰ (সম্পা) বিষ্ণুপ্ৰসাদ ৰাভা-জীৱন আৰু কৃতি, পৃ- ১০৫)।

**সীমান্ত সৈনিক ঃ**

'সীমান্ত সৈনিক' নামৰ নাটকখনত দৃশ্য অংক আদিৰ বিভাজন কৰা হোৱা নাই। গল্পৰ শৈলীত লিখা বাবে এইখনক নাটক বুলি কোৱা টান। ইয়াৰ পটভূমি ১৯৬২ চনত হোৱা ভাৰত-চীন সীমান্ত যুদ্ধৰ সময়ৰ। নাটকখনত মহেন্দ্ৰ আৰু যোগেন দুয়ো ককাই-ভাই। দুয়ো সেনা বাহিনীত চাকৰি কৰে। দুয়োটা পৰিয়ালে সীমান্তৰ চৰকাৰী আবাসত থাকে।

মহেন্দ্ৰ চুবেদাৰৰ পুতেক পোনা ওৰফে সুবিমল কাকতিয়ে বি.এ. পাছ কৰি পিছত প্ৰতিযোগিতামূলক পৰীক্ষাত কৃতকাৰ্য হৈ মিলিটাৰী বিভাগত চেকেণ্ড লেফটেনেণ্ট হিচাপে নিযুক্তি হয়। যুদ্ধৰ পিছত সুবিমল কাকতিয়ে পাহাৰৰ শেষ বাহাদুৰ আৰু চোৰগিনৰ জীয়েক লপংৰ সৈতে প্ৰেম হয়। দুয়োৰে মিলন হয়। নাটকখনৰ জৰিয়তে নাট্যকাৰ ৰাভাই পাহাৰ-ভৈয়ামৰ সম্প্ৰীতি আৰু জনজাতি-অজনজাতিৰ সমন্বয়ৰ এক সুন্দৰ নিদৰ্শন প্ৰকাশ কৰিছে।

**সুবিশাল ব্ৰহ্মপুত্ৰ ঃ**

'সুবিশাল ব্ৰহ্মপুত্ৰ' এই নাটকখনিৰো দৃশ্য, অংক, আদিৰ বিভাজন নাই। নাটকৰ বহীত নাট্যকাৰে Bishnu Prasad Rava- Scenario of *'The mighty Brahmaputra Thro'* the Blue Hills' আন এটা নাম 'Cine Treatment of the Mighty Brahmaputra and the Blue Rimmed Hills; প্ৰথম পাতত 'Subisal Lohit Brahmaputra and Blue Rimmed' বুলি লিখি তলত অসমীয়াত 'সুবিশাল লোহিত ব্ৰহ্মপুত্ৰ আৰু নীলাচল পাহাৰ' আৰু 'নীলাচলৰ হিয়াত বিশাল লোহিত' লিখা আছিল। আকৌ দ্বিতীয় পৃষ্ঠাত শিৰোনামা আছিল 'সুবিশাল ব্ৰহ্মপুত্ৰ'। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ত সম্পাদকে 'সুবিশাল ব্ৰহ্মপুত্ৰ' নামটো ব্যৱহাৰ কৰিছে।

নাটকখনত ব্ৰহ্মপুত্ৰ নদৰ উৎপত্তি, বিকাশ আৰু ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি হাজাৰ বছৰৰ পৰা গঢ় লোৱা সভ্যতা সংস্কৃতিৰ আভাষ দিছে। 'সুবিশাল ব্ৰহ্মপুত্ৰ' খনক বুলিব পাৰি মহাকাব্যিক নাট'। (শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ-৯২)। নাটকখনত প্ৰাচীন পৌৰাণিক আখ্যানো নাট্যকাৰে দিছে।

**নৃত্যনাটিকা ঃ**

'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' প্ৰথম খণ্ডত ৰাভা ৰচিত পাঁচখন নৃত্যনাটিকা সন্নিৱিষ্ট কৰা হৈছে-

১। জ্যোতিপ্ৰভা

২। মুক্তি-দেউল

৩। সপোন কুঁৱৰী

৪। শান্তিৰ দেউল

৫। ন-পৃথিৱীৰ নতুন যুগ

**জ্যোতিপ্ৰভা ঃ**

অসম্পূৰ্ণ যেন লগা এখন চুটি নৃত্যনাটিকা। ৰাজকুঁৱৰী জ্যোতিপ্ৰভা আৰু সখীয়েক মালতী, মাধৱী, সেউতী আৰু নিমাতী চাৰিজনী ছোৱালীয়ে মিলি নাচি-গান গায়, জলকেলি কৰা আদিয়েই এই নৃত্যনাটিকাখনিৰ বিষয়বস্তু। নাটকখনৰ মাজেৰে প্ৰতীকি অৰ্থও প্ৰকাশ কৰা হয় সুন্দৰৰ সাধনাৰে প্ৰকৃতি বন্দনা। নাট্যকাৰে ইয়াৰ মাজেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে অনন্ত অসীম সুৰত নৃত্যৰতা প্ৰকৃতিৰ অপৰূপ ৰূপ। নাট্যকাৰ ৰাভাই এই নৃত্যনাটিকাখনৰ কোনো নাম দিয়া নাছিল। ৰচনা সম্ভাৰৰ সম্পাদকে জ্যোতিপ্ৰভা নামটো দিয়ে।

**মুক্তি-দেউল ঃ**

'মুক্তি-দেউল' ক ৰাভাই গীতি-নৃত্য-দীপালী বুলি কৈছে। ৰাভাই এই নৃত্যনাটিকাখনি কমিউনিষ্ট পাৰ্টিলৈ অহাৰ কিছুদিনৰ পিছতে ৰচনা কৰিছিল। তেতিয়াৰ দলৰ সক্ৰিয় কৰ্মী নীৰেন্দ্ৰ লাহিড়ী আৰু হৰিদাস ডেকাৰ অনুপ্ৰেৰণা তথা তাগিদাতে এই নাটকখিনি ৰচনা কৰিছিল। নৃত্যনাটিকখনি গীত এটাৰে আৰম্ভ হৈছে- "উঠ জাগি উঠ উপবাসী

অ' ভূমিহীন দল।"

নাটকখনিৰ আৰম্ভণিতে এজন ধনী জমিদাৰে দোলাত উঠি লগত লগুৱা-লিকচৌৰ সৈতে প্ৰৱেশ কৰে। জমিদাৰ শ্ৰেণীটো শোষক ধনতন্ত্ৰবাদৰ প্ৰতীক। তৃতীয় দৃশ্যত প্ৰথম পটত ভাৰতৰ

স্বাধীনতা আৰু জনগণৰ আনন্দ আৰু জয়গান। স্বাধীনতাত সন্তুষ্ট হ'ব নোৱাৰা সকলৰ আন এক সাম্যবাদী আন্দোলনৰ প্ৰস্তুতি।

দ্বিতীয় পটত- সৰ্বসাধাৰণক খাজানা, বিক্ৰীকৰ, আধিয়াৰ আইন, নিৰাপত্তা আইন আদিৰ নামত চৰম হাৰাশাস্তি কৰা হয়।

তৃতীয় পটত- কাৰখানা, শ্ৰমিক শ্ৰেণীৰ জীৱনৰ ছবি। শ্ৰমিক শ্ৰেণীৰ ওপৰত মালিক শ্ৰেণীৰ শোষণ, বিপ্লৱৰ আৰম্ভ, বিপ্লৱীসকলৰ সমদল, গীত গায়।

চতুৰ্থ পটত- ধনী শ্ৰেণীয়ে জনতা-শ্ৰমিক শ্ৰেণীক কৰা শোষণৰ বিৰুদ্ধে বিদ্ৰোহ কৰি জনতাই প্ৰতিবাদ কৰে, বিদ্ৰোহৰ গীত গায়।

পঞ্চম পটত- সৰ্বসাধাৰণৰ বিদ্ৰোহৰ অগনি চাৰিওফালে বিয়পি পৰে। জনতাৰ জয় হয়। পঞ্চায়তৰাজ প্ৰতিষ্ঠা হয়। সকলোৱে বিজয়োৎসৱ পালন কৰে।

ষষ্ঠ পটত- শেষ দৃশ্য পটত উখল-মাখল পৰিৱেশ, বিজয়োৎসৱ পালন। ৰঙ্গমঞ্চ আলোকেৰে জলমল। তাতেই লিখা হয়- "কৃষক বনুৱা পঞ্চায়তৰাজ

সত্য যুগী স্বৰ্গ-সম ৰাজ"

'মুক্তি-দেউল'ত বনুৱা-শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ বাবে উচৰ্গা কৰা জীৱন- অন্তৰৰ আকুতি ৰাভাই প্ৰকাশ কৰিছে-

"সুৰ দেউলেৰে
শিকলি ৰূপৰে
সুন্দৰ পূজাৰী।।"

"এই গীতটিৰ সৈতে পৰিৱেশিত নাচে নিপীড়িত, নিৰ্যাতিত সৰ্বহাৰাৰ মনতো সিঁচি দিয়ে আশাৰ ফাকু গুড়ি মুক্তিৰ আশা" (বৰা, দিলীপ আৰু শৰ্মা অনুৰাধা (সম্পা)ঃ মুক্তি দেউলৰ ৰূপকাৰ, ১১৭)। শেষত কৃষক-বনুৱাৰ প্ৰাপ্তি সুখ আৰু আনন্দৰ এটা পৰিৱেশৰ মাজেৰে নৃত্যনাটিকাখনৰ সামৰণি পৰে।

**সপোন কুঁৱৰী ঃ**

'সপোন কুঁৱৰী' এখন প্ৰতীকধৰ্মী কাল্পনিক নৃত্যনাটিকা। নৃত্যনাটিকাখনত দুটা দৰ্শন আছে।

প্ৰথম দৰ্শনত বেণু কোঁৱৰক সপোনপুৰীত ভোমোৰা কোঁৱৰে প্ৰেমবাণেৰে কাঁড়বিদ্ধ কৰে। ফলত বেণু কোঁৱৰ বেণু কুঁৱৰীৰ প্ৰেমত পৰে। দুয়ো প্ৰেমৰ গীত গায়। নিদ্ৰা দেৱীয়ে আহি দুয়োকে নিদ্ৰাবাণ মাৰে। দুয়ো নিদ্ৰা যায়। এনেতে সপোনপুৰীৰ সপোন কুঁৱৰী আহি দুয়োকে সপোনপুৰীলৈ লৈ যাবলৈ সপোন জীয়ৰীহতঁক নিৰ্দেশ দিয়ে। সাৰ পাই ৰেণু কুঁৱৰী আচৰিত হয়। সপোন কুঁৱৰীয়ে ৰেণু কুঁৱৰীক সপোনপুৰীৰ সিংহাসনত বহুৱাই ৰাণী পাতে। নিদ্ৰাৰদেৱীয়ে আহি চন্দন ফোঁট দিয়ে। ৰেণু কুঁৱৰীক সপোনপুৰীৰ সিংহাসনত বহুৱাই সপোন কুঁৱৰী আৰু সংগীবৃন্দই আনন্দেৰে শঙ্খ, ঘণ্টা, উৰুলি আৰতি ধ্বনি দি ৰাণীক আদৰণি জনায়।

**শান্তিৰ দেউল ঃ**

এইখন অসম্পূৰ্ণ প্ৰতীকধৰ্মী নৃত্যনাটিকা। দুটা বিপৰীত ভাৱাদৰ্শক যুক্তিৰে প্ৰকাশ কৰিবলৈ বিচাৰিছে। পদ্যত ৰচনা কৰা এই নৃত্যনাটিকাখনিৰ লগত মুক্তি দেউলৰ মাজত ভাৱগত বা আদৰ্শগত পাৰ্থক্য দেখা নাযায়। নাটিকাখনত শান্তিৰাম ঈশ্বৰ ভক্ত, ধাৰ্মিক লোক। তেওঁৰ মতে ভগৱান-সত্য, কৰুণাময়, চিৰসুন্দৰ। স্বৰ্গৰ দেৱতা শান্তিৰ প্ৰতীক। আনহাতে, অগ্নিবীণ, তেওঁ বিদ্ৰোহী, তেওঁৰ মতে- নিৰ্বিকাৰ মুক দেৱতাক পূজা কৰাৰ পৰিৱৰ্তে মানৱ সেৱা হে কৰিব লাগে। শোষিত, নিষ্পেষিত, দুখীজনক সেৱা প্ৰদান কৰিব লাগে। শান্তিৰাম আৰু অগ্নিবীন এই চৰিত্ৰ দুটাৰ জৰিয়তে ৰাভাই নিৰ্যাতিত- নিপীড়িত লোকসকলৰ জীৱনৰ কৰুণ গাঁথাকেই প্ৰকাশ কৰিছে।

**ন-পৃথিৱীৰ নতুন যুগ ঃ**

'ন-পৃথিৱীৰ নতুন যুগ' এখন নৃত্যনাটিকা। ৰাভাৰ বিপ্লৱী গীত আৰু কবিতাসমুহ মিলাই নৃত্যনাটিকাৰ ৰূপ দি ১৯৪৮ চনত কমৰেড ৰজনী হাজৰিকাই পুথি আকাৰে প্ৰকাশ কৰে। এই কিতাপখন অসমৰ কংগ্ৰেছ চৰকাৰে বে-আইনী বুলি ঘোষণা কৰি নিষিদ্ধ কৰে।

এই নৃত্যনাটিকাখনত দুটা দৰ্শন আছে আৰু কেইবাটাও পটত ভাগ কৰা হৈছে। ইয়াৰ পটভূমি হৈছে ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ, ভাৰতৰ স্বাধীনতা সংগ্ৰাম। প্ৰথম দৰ্শনত নগা ডেকা-গাভৰুৰ নৃত্য, মণিপুৰী ডেকা গাভৰুৰ 'হাৰাওৰা' নৃত্য, বড়োসকলে চিফুং, খামৰ তালে তালে খেৰাই নাচে, অসমীয়া ডেকা-গাভৰুৱে ঢোল-পেঁপাৰ সুৰত বিহু নাচে। শেষত সকলোৱে মিলি জুম বান্ধি নাচি থাকে। বিভিন্ন

নৃত্য গীতৰ যোগেদি ৰাভাই অসমৰ জাতি-জনজাতিৰ সাংস্কৃতিক সমন্বয়ৰ আদৰ্শ প্ৰতিফলিত কৰিছে।

দ্বিতীয় দৰ্শনৰ প্ৰথম পটত দেখা যায় মানৰ অসম আক্ৰমণ, জয়দলৰ সোণৰ কলচী লুট, মানৰ অত্যাচাৰত অসমৰ অৱস্থা চাৰখাৰ হোৱা। মানক খেদিবলৈ ইংৰাজৰ অসম আগমণ, অসমক নিজৰ অধীনত কৰা, ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰাৰ বাবে গোমধৰ কোঁৱৰক বন্দী, পিয়লী ফুকন, মণিৰাম দেৱান, টিকেন্দ্ৰজিৎৰ ফাঁচী। ফুলগুৰিৰ ধেৱা, ৰঙীয়া বিদ্ৰোহ, পথৰুঘাটৰ ৰণ, বিদেশী বৰ্জন, অসহযোগ আন্দোলন, জাত-পাতৰ বিভেদ দেখা যায়। ভাৰতৰ স্বাধীনতা সংগ্ৰামৰ ফলত ১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতে স্বাধীনতা লাভ কৰে। ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰিলেও বিপ্লৱী দলে এই স্বাধীনতাক মানি ল'ব পৰা নাছিল। বিপ্লৱী দলে এই স্বাধীনতা ভুৱা বুলি প্ৰকৃত স্বাধীনতা প্ৰাপ্তি আৰু সাম্যবাদ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ আৰম্ভ কৰে। বিপ্লৱৰ অগ্নি চাৰিওফালে জ্বলি উঠে। সাম্যবাদৰ আদৰ্শ প্ৰচাৰ কৰা হয় আৰু স্বাধীনতাৰ কু-ফলৰ বিষয়ে সৰ্বসাধাৰণক সজাগ কৰাৰ বাবে বিভিন্ন মেল-মিটিং বহে। বিৰাট ৰাজহুৱা সভা বহে। এনেতে প্ৰৱল ধুমুহা, ভুমিকম্প আৰু বান আহে। সকলো চেদেলি-ভেদেলি হয় আৰু ইয়াতে নৃত্যনাটিকাখনিৰ সামৰণি পৰে। নৃত্যনাটিকাখনৰ মাজেদি বিষ্ণু ৰাভাৰ জীৱনৰ প্ৰতিচ্ছবি দেখা পোৱা যায়। সেই সময়ৰ সামাজিক-ৰাজনৈতিক পৰিৱেশ, অস্থিৰতা, ব্যক্তিগত জীৱন, প্ৰেম-বিৰহ আদিৰ লগতে অসমৰ জনজীৱনৰ চিত্ৰও ফুটাই তুলিছে।

**চিত্ৰনাট্য ঃ**

'বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচনা সম্ভাৰ'ত ৰাভাৰ পাঁচখন চিত্ৰনাট্য সন্নিৱিষ্ট আছে। সেইকেইখন হ'ল-

১। শঙ্কৰদেৱ

২। সীমান্ত সৈনিক

৩। কুমৰ হৰণ

৪। After Tittle

৫। ধুমুহা

বিষ্ণুপ্ৰসাদ ৰাভাই ' ঁ শঙ্কৰদেৱ', 'ধুমুহা' আৰু 'সীমান্ত সৈনিক' নামৰ তিনিখন নাটক আৰু একে নামৰ চিত্ৰনাট্যও ৰচনা কৰিছে। ইয়াৰে নাটক 'ঁশঙ্কৰদেৱ' আৰু চিত্ৰনাট্য 'শঙ্কৰদেৱ'ৰ বিষয়বস্তু

একে। নাটক ‘সীমান্ত সৈনিক’ আৰু চিত্ৰনাট্য ‘সীমান্ত সৈনিক’ৰ বিষয়বস্তু একে। কিন্তু নাটক ‘ধুমুহা’ আৰু চিত্ৰনাট্য ‘ধুমুহা’ৰ বিষয়বস্তু একে নহয়। ‘ধুমুহা’ চিত্ৰনাট্যখন অসম্পূৰ্ণ।

**শঙ্কৰদেৱ ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই ‘শঙ্কৰদেৱ’ চিত্ৰনাট্যখন বোলছবিৰ বাবে লিখিছিল। এইখন অসম্পূৰ্ণ ৰূপত পোৱা গৈছে। মুঠ দুটা চিকুৰেন্সত বিভক্ত (*Sequence 1* আৰু *Sequence 2*) । প্ৰথম চিকুৰেন্সত পাঁচটা দৃশ্য (*Sequence 1* ৰ পৰা *Sequence 5*) লৈ আৰু *Sequence 2* ত (*Sequence 1* ৰ পৰা *Sequence 13*) লৈ দৃশ্য বিভাজন আছে। ‘শঙ্কৰদেৱ’ চিত্ৰনাট্যখনত মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনকলৈ ৰচিত শঙ্কৰদেৱৰ জন্মৰ পূৰ্বৰ কথাখিনি ইয়াত উল্লেখ আছে।

**সীমান্ত সৈনিক ঃ**

‘সীমান্ত সৈনিক’ চিত্ৰনাট্যখন বোলছবিৰ বাবে লিখা হৈছিল। নাট্যকাৰে প্ৰতিটো দৃশ্যৰে শ্বট্ (Shot) বিভাজন কৰিছে। কেমেৰাই কিদৰে কৰ পৰা শ্বুটিং কৰিব সেইবোৰো উল্লেখ কৰিছে। Long shot, mid shot, Big-closeup, Lap dissolve, close-mid-shot. ৰ যথাক্ষেত্ৰত ব্যৱহাৰ কৰিছে।

‘সীমান্ত সৈনিক’ চিত্ৰনাট্যখনৰ কাহিনীটো নাটক ‘সীমান্ত সৈনিক’ৰ সৈতে একে। চিত্ৰনাট্যখনৰ দৃশ্য আৰম্ভণি হৈছে কামেং সীমান্তত।

**কুমৰ হৰণ ঃ**

দহটা Sequence ত বিভাজন কৰা ‘কুমৰ হৰণ’ এখন পৌৰাণিক চিত্ৰনাট্য। পৌৰাণিক হ’লেও ইয়াত বিষ্ণু ৰাভাৰ মৌলিকত্ব দেখা পোৱা যায়। চিত্ৰনাট্যখনত দহটা Sequence ত সৰ্বমুঠ ১৫ টা দৃশ্য বিভাজন আছে। কাহিনীটোৰ মুল বিষয়বস্তু হৈছে বাণ ৰজাৰ জীয়ৰী উষা আৰু শ্ৰীকৃষ্ণৰ নাতি অনিৰুদ্ধৰ প্ৰেমকাহিনী। চিত্ৰনাট্যখনত সংযোজন কৰা অনিৰুদ্ধ কুমাৰৰ সংগীতৰ শিক্ষা, অনিৰুদ্ধৰ মাতৃদেৱীৰ দুশ্চিন্তা, পিতৃ প্ৰদ্যুম্নৰ দ্বাৰা গুৰুৰ ওচৰত অস্ত্ৰ শিক্ষা আদি কথাবোৰ নাট্যকাৰ ৰাভাৰ নিজা সংযোজন।

**After Tittle :**

'After Tittle'ৰ বিষয়বস্তুও কুমৰ হৰণৰ কাহিনীয়ে। "এক কথাত ক'বলৈ হ'লে 'After Tittle' ক অনন্ত কন্দলীৰ 'কুমৰ হৰণ কাব্য'ৰ চিত্ৰনাট্য বুলিব পাৰি।" (বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা— মুক্তি দেউলৰ ৰূপকাৰ, পৃ- ১২০)। চিত্ৰনাট্যখনত বিষ্ণু ৰাভাই নিজস্বভাবে কথা বহু সংযোজন কৰিছে যেনে- 'কুঁজী বুঢ়ীয়ে চিত্ৰলেখাৰ নাচ চোৱা আৰু ছোৱালীবিলাকৰ গীত শুনা দৃশ্য চিত্ৰনাট্যকাৰৰ নিজস্ব উদ্ভাৱন'। (বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা— মুক্তি দেউলৰ ৰূপকাৰ পৃ- ১২০)। অনন্ত কন্দলীৰ কুমৰ হৰণত থকা নাপিত আৰু গণক, বাণ ৰজাৰ দহ পুত্ৰৰ সৈতে অনিৰুদ্ধ কুমাৰৰ যুদ্ধ আদি দৃশ্য এইখন চিত্ৰনাট্যত দিয়া নাই। এইখন এখন সম্পূৰ্ণ চিত্ৰনাট্য।

**ধুমুহা ঃ**

'ধুমুহা' চিত্ৰনাট্যখন অসম্পূৰ্ণ। ইয়াৰ দৃশ্যগ্ৰহণৰ বাবে ব্যৱহাৰ কৰিবলগীয়া শ্বট্ (Shot)বোৰ- *dissolve, Lap dissolve to mid Long shot, Long shot, Close up* বোৰ কাৰিকৰীভাৱে যথেষ্ট উন্নত আৰু এইবোৰ যথেষ্ট সাৱধানেৰে প্ৰয়োগ কৰা হৈছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ নাটক, নৃত্যনাটিকা আৰু চিত্ৰনাট্যসমূহৰ জৰিয়তে তেওঁৰ নাট্যকাৰ ভাৱটো তুলি ধৰিছে। দেশমাতৃ তথা সৰ্বহাৰা জনগণৰ বাবে তেওঁৰ এই নাটকসমূহ ৰচনা কৰিছে।

**গল্প, উপন্যাস, কাহিনী, সাধুকথা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই অসমীয়া সাহিত্যৰ প্ৰায়বোৰ শাখাতে নিজৰ হাত ফুৰাইছে। অসমীয়া সাহিত্যৰ ভঁড়াললৈ তেওঁ গল্প, উপন্যাস, কাহিনী লিখি ভঁড়াল সমৃদ্ধ কৰি গৈছে।

**গল্প ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাৰ একমাত্ৰ গল্প পুথিখন হ'ল 'সোণপাহি'। সোণপাহিত চাৰিটা গল্প সন্নিৱিষ্ট আছিল। গল্পকেইটা হৈছে- 'সোণপাহি', 'হিয়াৰ পুং', 'কুৰি বছৰ জেইল', 'মামীৰ হাৰ'। পৰৱৰ্ত্তী সময়ত 'অগ্নিসংস্কাৰ', 'জাল কেছ', 'অজ্ঞাতবাসৰ কথা' এই তিনিটা গল্প সংযোগ কৰা হয়। বিষ্ণুপ্ৰসাদ ৰাভাৰ মুঠ সাতটা গল্প পোৱা যায়।

অসমীয়া সাহিত্যলৈ অসামান্য বৰঙণি দি যোৱা বিষ্ণু ৰাভাই চৰকাৰৰ ৰোষত পৰি আত্মগোপনৰ সময়ত আৰু যাযাবৰী, ছদ্মবেশী ৰাভাই অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যাত্ৰাকালত সমাজত লগ পোৱা বিভিন্ন স্তৰৰ লোকসকলৰ সংস্পৰ্শৰ কথা ৰাভাৰ ৰচনাত উজলি উঠিছে। সমাজৰ খাটি খোৱা কৃষক-মজদুৰৰ লগতে সেই সময়ৰ সমাজ ব্যৱস্থাও ৰাভাৰ ৰচনাত প্ৰতিফলিত হোৱা দেখা যায়। বিষ্ণুপ্ৰসাদ ৰাভাই সোণপাহিৰ পাতনিতে কৈছে যে- "প্ৰায় দহ হাজাৰ মাইল ভ্ৰমণ কৰি যি অভিজ্ঞতা আৰ্জ্জিলোঁ, ৰাইজৰ যি কৰুণ দৃশ্য দেখিলোঁ, তাৰে কিছুমান সৰলচিতীয়া হোজা গাঁৱলীয়া হালোৱা-হজুৱা, দুখীয়া ৰাইজৰ কাৰণে সহজ-সৰল ভাষাতে লিখিছিলোঁ"। (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ. ৫৬৯)। সোণপাহিৰ পাতনিতে ৰাভাই কৈছে- "এই গল্পবোৰ ওখ ধৰণৰ কৰা নাই। যাতে জনসাধাৰণে সহজে বুজিব পাৰে, মনত গুঁঠি ল'ব পাৰে, সেই ধৰণৰ গল্পহে এইবোৰ" (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ. ৫৬৯)। সোণপাহিৰ যি চাৰিটা গল্প আছে সেইকেইটা গল্প ৰাভাই সাধাৰণ হোজা ৰাইজৰ বাবেহে লিখিছিল- "এই চাৰিটা গল্প উচ্চ শিক্ষিত সম্প্ৰদায়ৰ (Intelligent) কাৰণে লিখা হোৱা নাই। তেখেতসকলে বৰ ডাঙৰ আশা লৈ কিবা বিচাৰি পঢ়িলে নিৰাশ হ'ব। হোজা দুখীয়া ৰাইজৰ দৃষ্টিভঙ্গীৰে পঢ়িলেহে অলপ তৃপ্তি পাব"। (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ. ৫৭০)।

**সোণপাহি ঃ**

অজ্ঞাতবাসৰ কালছোৱাৰ লগতে চৰকাৰৰ ৰোষত জেলত বন্দী অৱস্থাত ৰাভাই দেখা পোৱা বিভিন্ন ঘটনাক্ৰমে তেওঁৰ সাহিত্য সৃষ্টিত সমল আগবঢ়াইছে। অজ্ঞাতবাসৰ সময়ত ৰাভাৰ সহধৰ্মিণী কনকলতা মেধিৰ (ৰাভা) অনুৰোধত জেক বেলডুইনৰ *"China skakes the world"* নামৰ পুথিখনৰ ইংৰাজী অনুবাদ *'The golden flower'* খন ৰাভাই সোণপাহি নাম দি গল্প আকাৰত ৰচনা কৰে। সোণপাহিৰ কাহিনী সোণপাহি আৰু লিপাওৰ ব্যৰ্থপ্ৰেমৰ ঘটনাৰে আগবাঢ়িছে। গল্পটোৰ মাজেৰে ৰাভাই প্ৰেমিক-প্ৰেমিকাই নিজৰ আশা আকাংক্ষা পূৰণ কৰিবলৈ নোপোৱাৰ বেদনা, নিজৰ ইচ্ছাৰ বিপক্ষে অভিভাৱকৰ ইচ্ছাত বাধ্য হৈ বিয়াত বহিবলগীয়া অৱস্থা, প্ৰেমতকৈ নিয়ম শৃঙ্খলাক অধিক গুৰুত্ব দিয়া, সামাজিক কটকটীয়া বন্ধনত যৌৱন মৰহি যাবলগীয়া হোৱা আদি উদাহৰণৰ আধাৰত সেই সময়ৰ সমাজ ব্যৱস্থাৰ এখন সুন্দৰ প্ৰতিচ্ছবি ফুটাই তুলিবলৈ চেষ্টা কৰিছে। গল্পটোৰ শেষ অংশত সোণপাহি বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ আঁচনি আৰু 'নাৰীসংঘৰ' দ্বাৰা প্ৰভাৱান্বিত

হৈ পুৰুষতান্ত্রিক সমাজৰ বিৰুদ্ধে বিদ্রোহী হৈ উঠে। সোণপাহিয়ে নিজৰ লগতে সমাজৰ অন্য নিষ্পেষিত-শোষিত নাৰীৰ হৈ পুৰুষৰ দাসত্বৰ পৰা মুক্তি দি পুৰুষ-মহিলাৰ সম অধিকাৰ সাব্যস্ত কৰি এখন সাম্যবাদী সমাজৰ প্রতিষ্ঠাৰ শেষত গল্পটোৰ সামৰণি পৰিছে।

**হিয়াৰ পুং ঃ**

বড়ো জনজাতীয় সমাজ জীৱনৰ চিত্রধর্মী 'হিয়াৰ পুং' গল্পটো প্রথমতে বড়ো ভাষাত 'ফুংখা' নাম দি ৰচনা কৰিছিল। ৰাভাৰ সহধর্মিণী কনকলতা ৰাভা আৰু কেইজনমান কমৰেডৰ অনুৰোধত 'ফুংখা'ৰ পৰা অসমীয়া ভাঙনি কৰি 'হিয়াৰ পুং' নাম দিয়ে। পিছপৰা-অনুন্নত বড়ো সমাজৰ ভিত্তিত এই গল্পটো ৰচিত। ধনী মহাজনৰ শোষণৰ ফলত লখ্রা আৰু ছেৱাবীয়ে সকলো হেৰুৱাব লগা হৈছে। গল্পটোত বড়ো সমাজত প্রচলিত অন্ধবিশ্বাস, কুসংস্কাৰ, দৈৱ-ভাগ্যৰ প্রভাৱ ইত্যাদি দেখুৱাইছে। লখ্রাই কষ্টেৰে খেতি কৰিও সংসাৰ পোহপাল দিব পৰা নাই। গাৰ ঘাম মাটিত পেলাই অশেষ কষ্ট কৰি পৰিশ্রম কৰিও দুবেলা-দুমুঠি পেট ভৰাই খাব পোৱা নাই। লখ্রা শোষিত-নির্যাতিত, অপমানিত শ্রেণীৰ প্রতীক।

শিক্ষিত লখ্রাই মহাজনৰ শোষণৰ বলি হৈছে। লখ্রাই শোষণৰ বিৰুদ্ধে বিপ্লৱ কৰিছে। সি ধনতন্ত্রবাদ ধ্বংস কৰি সমাজতন্ত্রবাদ প্রতিষ্ঠা কৰিবলৈ প্রতিজ্ঞাবদ্ধ হয়। গল্পটোত দুখীয়া খেতিয়কৰ মনত মার্ক্সীয় দর্শনৰ বিষয়ে অতি সহজ ভাষাত ৰাইজৰ বোধগম্য হোৱাকৈ লিখা হৈছে।

**কুৰি বছৰ জেইল ঃ**

'কুৰি বছৰ জেইল' বিষ্ণু ৰাভাৰ তৃতীয় গল্প। গল্পটোৰ বিষয়ে কৈছে "কুৰি বছৰ জেইল বোলা এই গল্পটোক অসমীয়া সাহিত্যৰ অন্যতম বিশিষ্ট প্রেমৰ গল্পৰূপে প্রতিপন্ন কৰিব পাৰি। ৰাভাই যেন গল্পটোৰ মাজেদি ইয়াকো প্রতিপন্ন কৰিব বিচাৰিছে যে শ্রমকাৰী মানুহৰ নৈতিকতা বৰ ওখ" (শর্মা, শশী— বিশ্বপ্রেমী বিষ্ণুপ্রসাদ ৰাভা, পৃ- ১১৯)। গল্পটোত গৌৰাং চাহ বাগিচাৰ বনুৱা। নিষ্ঠাৰে কাম কৰে, ফাকুৱাৰ নিশা অত্যাধিক মদ খাই ৰাস্তাৰে আহোতে সৰু ছোৱালী এজনীয়ে গৌৰাঙক পিছফালৰ পৰা কাপোৰ টানে। গৌৰাং মদৰ নিচাত কুকুৰ বুলি ভাবি দাৰে ছোৱালীজনীক কাটি দুচেও কৰে। পিছদিনা নিচা গুচি যোৱাত নিজৰ দ্বাৰা হোৱা মাৰাত্মক ভুলৰ বাবে গৌৰাঙে

থানাত আত্মসমৰ্পণ কৰে। বিচাৰত তাৰ কুৰি বছৰ জেইল হ'ল। গল্পটোৰ মাজেৰে গল্পকাৰে চাহ বাগিচাৰ বনুৱাসকলৰ সহজ-সৰল জীৱন-যাপন, অভাৱ-অনাটন, মৰম-চেনেহ আৰু বাগানৰ চাহ শ্ৰমিকসকলৰ সমাজ ব্যৱস্থাৰ হুবহু ছবি ফুটাই তুলিবলৈ সক্ষম হৈছে।

**মামীৰ হাৰ ঃ**

'মামীৰ হাৰ' গল্পটো বিষ্ণু ৰাভা ধুবুৰী জেলত থকা সময়ত পোৱা বাস্তৱ কাহিনীৰ ভিত্তিত ৰচনা কৰা গল্প। গল্পটোৰ নায়ক হৰেণ বিলাসীপাৰাৰ চালকোচাৰ গৌৰাংটাৰি গাঁৱত ঘৰ। হৰেণৰ একমাত্ৰ ছোৱালী গিৰিবালা। জেলত হৰেণক সকলোৱে শহুৰ-শহুৰ বুলি জোকায়। ভতিজা নৰৰ দুষ্টবুদ্ধিত হৰেণে মামীয়েকৰ বাকচ ভাঙি টকা আৰু হাৰ এডাল লৈ আহে। টকা আৰু সোণৰ হাৰ চুৰিৰ অপৰাধত হৰেণে কাৰাবাস খাটিবলগীয়া হয়। 'মামীৰ হাৰ' গল্পটোত কোচ-ৰাজবংশী ভাষা ব্যৱহাৰ কৰা হৈছে। "হৰেণৰ আত্মগৌৰৱ আৰু আত্মবিশ্বাস। ই আদৰণীয়, ইয়েই লোকজীৱন আৰু লোকসংস্কৃতিক কৰি তুলিছে মহীয়ান। এই কাহিনীটোও সমাজ বাস্তৱ বুলি স্বয়ং লেখক ৰাভাই স্বীকাৰ কৰি গৈছে"। (শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ. ১২১)।

**অগ্নিসংস্কাৰ ঃ**

বিষ্ণু ৰাভাৰ 'অগ্নিসংস্কাৰ' গল্পটো অসম্পূৰ্ণ যেন অনুমান হয়। শশী শৰ্মাৰ মতে- "অন্যান্য বহু ৰচনাৰ দৰে 'অগ্নিসংস্কাৰ'টোও বোধহয় অজ্ঞাতবাসৰ কালতে ৰচনা কৰিবলৈ লৈছিল আৰু সম্ভৱত আৰক্ষী চোৰাংচোৱাৰ তাড়নাত স্থানান্তৰিত হ'ব লগা হেতুকে গল্পটো আধৰুৱা হৈ থাকিল।" (শৰ্মা, শশী— বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা পৃ- ১২৪)। 'অগ্নিসংস্কাৰ' গল্পটোত তৎকালীন বড়ো সমাজৰ বিভিন্ন দিশ চিত্ৰিত কৰিছে। গল্পটোত পুৰণা মনোভাৱৰ লগত নতুনৰ এক দ্বন্দ্ব দেখিবলৈ পোৱা যায়। ৰমাকান্তৰ জৰিয়তে পুৰণা ৰীতি-নীতি সমুহক ভাঙি এখন সাম্যবাদ সমাজ স্থাপনৰ আশা কৰিছে। ৰাভাৰ 'অগ্নিসংস্কাৰ' গল্পটোত জনজাতীয় জীৱন আৰু সংস্কৃতিৰ উপাদান যথেষ্ট পৰিমাণে সিঁচৰতি হৈ আছে। গল্পটোত বড়ো জনজাতীয় সমাজৰ বাস্তৱধৰ্মী চিত্ৰ ফুটি উঠিছে। বড়ো জনজাতীয় সমাজখনৰ বিভিন্ন চৰিত্ৰ, বড়োৰ প্ৰাচীন বিবাহ ব্যৱস্থা, ধৰ্মীয় জীৱন, মদৰ ব্যৱহাৰ, জাত-পাতৰ ভেদাভেদৰ বিচাৰ লগতে সামাজিক-সাংস্কৃতিক জীৱনৰ চিত্ৰও ফুটি উঠিছে।

**জাল কেছ ঃ**

'জাল কেছ' গল্পটোৰ পটভূমি আদালতৰ বিচাৰ প্ৰক্ৰিয়াৰ। গাৰো গাভৰু চোনাই চাংমাই হাটলৈ গৈ ঘুৰি অহাৰ পথত বাহাৰুদ্দিন আৰু বুলবুল নামৰ যুৱক দুজনে সোণৰ গহনা দিয়াৰ লোভ দেখুৱাই বাহাৰুদ্দিনৰ ঘৰত বলপূৰ্বক ৰাখি বলাৎকাৰ কৰে। এই লৈ আদালতত গোচৰ তৰে। ছেছন আদালতে জুৰীৰ আহ্বান কৰে। জুৰীৰ সদস্যসকলে ৰায়দান কৰি ক'লে, "আমি বুলবুলক খালাচ দিলোঁ। ৩৬৩ ধাৰা মতে বাহাৰুদ্দিন দোষী বুলি আমি সকলোৱে একমত হৈ ৰায় দিলোঁ"(বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ. ৬৩৪)। জাল কেছ বুলিলে কিয় তাকো জানিব পৰা নগ'ল। জাল কেছক এটা গল্প বুলি ঠাৰৰোৱা টান। শশী শৰ্মাৰ মতে, সম্ভৱ একপক্ষীয় বিচাৰ হোৱা কাৰণে ইয়াক 'জাল কেছ' বোলা হ'ল।

**অজ্ঞাতবাসৰ কথা ঃ**

বিষ্ণু ৰাভাই অজ্ঞাতবাস জীৱনৰ অভিজ্ঞতাৰ প্ৰকাশ এই 'অজ্ঞাতবাসৰ কথা' গল্পটো। অজ্ঞাত বাসৰ কথা' বোলা গল্প নামেৰে নিৰ্ণয় কৰা কাহিনীটো অসম্পূৰ্ণ। "ইয়াক কিন্তু গল্প নুবুলি দুঃসাহসিক অভিযান হে বুলিব পাৰি। ই কথা বা গদ্যৰ নিদৰ্শন সঁচা, বীৰ ৰসাত্মক উৎসাহী কথা সংযোগ হোৱাই হয়তো ৰসাত্মক বৰ্ণনা বোলাহে যুগুত।"(শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ- ১২৭)। বিষ্ণু ৰাভাই নিজে গল্পটোত উপস্থিত আছে জীৱন নামৰ চৰিত্ৰটোৰ যোগেদি। "জীৱন নেতাজন নাম। সি মানুহৰ জীৱন, ৰাইজৰ জীৱন, সমাজৰ জীৱন। বাণী, গীতি, ছন্দ, কবিতা, নাটক, সাহিত্য, বক্তৃতা, চিত্ৰ-নাট্য, চিত্ৰালেখ্যৰে সি প্ৰকাশ কৰে সমাজৰ দুখ-সুখেৰে ভৰা জীৱনৰ কাহিনী।"(বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, পৃ. ৬৪১)। অজ্ঞাতবাসৰ সময়ত জনগণৰ মুক্তিৰ স্বাৰ্থত বিপ্লৱীসকলে ভোক-পিয়াহ, টোপনি সকলো ত্যাগ কৰি ধনতন্ত্ৰবাদ-শোষণকাৰী সমাজখনৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। 'অজ্ঞাতবাসৰ কথাত' এটি বিপ্লৱী গীতো সংযোগ কৰা হৈছে-

"হে বিপ্লৱী বীৰ অধিনায়ক হে<br>
দিয়া অগ্নিবাণী বিপ্লৱৰ<br>
ভাঙা বন্দীশাল কোটি কালৰ<br>
মুক্তি হ'ব নিৰ্যাতিতৰ"

সমাজত চলি অহা অন্যায়-অনাচাৰ, শোষণ-নিপীড়নৰ বিৰুদ্ধে জাগ্ৰত হ'বলৈ জনগণক আহ্বান জনাইছে গল্পটোৰ জৰিয়তে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ অন্যান্য ৰচনা সমুহৰ দৰে চুটিগল্পসমুহো বাস্তৱ অভিজ্ঞতাৰ ওপৰত ৰচিত। গল্পসমুহত জনজাতীয় জীৱন, সাম্যবাদ-মাৰ্ক্সবাদৰ আদৰ্শ দেখা পোৱা যায়। ৰাভাই জাত-পাত, ভেদাভেদহীন সমাজৰ সপোন দেখিছিল আৰু বিভিন্ন লেখনিৰ মাজেদি সেই আদৰ্শৰ প্ৰকাশ হৈছে।

**উপন্যাস ঃ**

**'মিছিং কনেঙ্'**

বিষ্ণুপ্ৰসাদ ৰাভাৰ একমাত্ৰ উপন্যাস 'মিছিং কনেঙ্' সোৱণশিৰি নদীৰ পাৰত বসবাস কৰা মিছিং জনগোষ্ঠীৰ সমাজ জীৱনকলৈ এই উপন্যাসখন ৰচিত। উপন্যাসখনত সোৱণশিৰি নদীৰ কাষত থকা ডাঙৰ এখন মিছিং গাঁৱৰ বৰ্ণনা, নদীৰ লগত জনজীৱনৰ সম্পৰ্ক, মিছিঙৰ সমাজ ব্যৱস্থা, সাজপাৰ, খাদ্য, ঘৰ নিৰ্মাণৰ আৰ্হি, চাংঘৰ, লোকাচাৰ, জাতীয় উৎসৱ আলি-আই লৃগাং, কৃষিকাৰ্যৰ লগত জড়িত ৰীতি-নীতি, মিছিং প্ৰেমগীত, ঐনিতম আদিৰ বৰ্ণনাৰে মিছিং সমাজ জীৱনৰ প্ৰতিচ্ছবি উপন্যাসখনৰ মাজেৰে দেখুৱাইছে।

উপন্যাসখনত মিছিংসকলক নীচ জাতি বুলি ভবাৰ কথাটো ৰাভাই দেখুৱাইছে। "মিছিং কনেঙ্ খনৰ মাজেদি ঔপন্যাসিক বিষ্ণু ৰাভাই অসমীয়াভাষী অসমীয়াসকলৰ এনে নীচাত্মিকা মনোবৃত্তিৰ স্বৰূপ ক্ষুদ্ধতাৰে ব্যক্ত কৰিছে।"(শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ- ১২৯)। সোৱণশিৰি নদীৰ পাৰত বাস কৰা গাঁওবুঢ়া এৰাৰাম। এৰাৰামৰ পাঁচজন পুতেক আৰু একমাত্ৰ জীয়ৰী 'পাৰছলী'। ঘুণাসুঁতিৰ পাৰতে এখন গাঁৱত বাস কৰা ডেকা কুমং। কুমঙৰ বাপেক গাঁৱৰ এজন জনা বুজা ব্যক্তি। তেওঁৰ নাম জুনা পেগু। জুনা পেগুৰ আদেশ-নিৰ্দ্দেশ, পৰামৰ্শ গাঁৱৰ সকলোৰে মানি চলে।

কুমং আৰু পাৰছলী দুয়ো দুখন ওচৰা-ওচৰি গাঁৱৰ যুৱক-যুৱতী। দুয়োৰে মাজত প্ৰেম হয়। তেওঁলোকৰ এই প্ৰেমক সমাজে স্বীকৃতি নিদিয়ে। দুয়ো হতাশ হয়। কুমং সহজ-সৰল, পৰিশ্ৰমী, পঢ়া-শুনা, খেল-ধেমালি সকলোতে আগবঢ়া। বিদ্যালয়ত পঢ়ি থাকোতে পিয়াহ লগাত কুমঙে হিন্দু গাঁৱৰ কুঁৱাৰ পৰা পানী খোৱা বাবে সেই গাঁৱৰে মানুহ এজনে কুমঙক বেয়াকৈ অপমান কৰে। মিছিং

লোকে হিন্দুৰ কুঁৰাত হাত দিয়াৰ বাবে কুঁৰাটো চুঁৱা হ'ল বুলি কুমঙত ধমকি দিলে। উপন্যাসখনত সমাজৰ মাজত চলি অহা জাতিভেদ প্ৰথাটোক ৰাভাই বিদ্ৰূপ কৰিছে। কুমঙে সুখ্যাতিৰে প্ৰৱেশিকা পাছ কৰি উচ্চ শিক্ষাৰ বাবে নগৰলৈ আহে। নগৰত পঢ়ি থাকোতে সমগ্ৰ দেশজুৰি ভাৰতৰ স্বাধীনতা আন্দোলন আৰম্ভ হয়। কুমঙে ভাৰতৰ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিল।

পাৰছলীয়ে প্ৰেমত ব্যৰ্থ হোৱা বুলি ভাবি দুবাৰো আত্মহত্যাৰ চেষ্টা কৰে, বিফল হয়। পাৰছলীয়ে য়ামেৰ ঘৰত থাকিবলৈ লয়। কুমঙে এইবোৰ ঘটনা জানিব পাৰি পাৰছলীক লগ ধৰে আৰু কুমঙৰ সহযোগত তাই স্বাধীনতাৰ আন্দোলনকাৰী নাৰী বাহিনীৰ লগত জড়িত হৈ পৰে। পাৰছলীয়ে অসহযোগ আন্দোলনত নামি নিজ হাতে সূতা কাটে, তাঁত বয়, ৰাইজক স্বাধীনতা সংগ্ৰামৰ কথা কয়। পিছত কুমং আৰু পাৰছলীয়ে বিবাহপাশত আবদ্ধ হয় আৰু দুয়ো একেলগে আন্দোলনত জপিয়াই পৰে। আন্দোলনকাৰী দুয়োজনকে পুলিচে গ্ৰেপ্তাৰ কৰে, পিছত দুয়ো একেলগে মুক্তি লাভ কৰে। ১৯৪৭ চনত ভাৰতে ইংৰাজৰ পৰা স্বাধীনতা লাভ কৰে। কিছুসংখ্যকে এই স্বাধীনতাক মানি ল'ব পৰা নাছিল। এই স্বাধীনতা প্ৰকৃত জনগণৰ স্বাধীনতা নাছিল বুলি তেওঁলোকে বিপ্লৱ আৰম্ভ কৰে। জনগণৰ প্ৰকৃত স্বাধীনতা আৰু সাম্যবাদ সমাজৰ প্ৰতিষ্ঠাৰ বাবে বিপ্লৱ আৰম্ভ কৰে আৰু বিপ্লৱী দলত কুমঙেও যোগ দিয়ে।

বিপ্লৱী কুমঙ আৰু সহযোগীসকলে সভা পাতে। সভাবোৰত জনগণক বিপ্লৱৰ কথা কয়, সাম্যবাদ সমাজৰ কথা কয়। কুমঙে সাম্যবাদ সমাজৰ প্ৰতিষ্ঠা আৰু ভাৰতে লাভ কৰা স্বাধীনতাৰ কুফলৰ বিষয়ে বিপ্লৱী ভাষণেৰে জনগণক বিপ্লৱৰ প্ৰতি উৎসাহিত কৰে কিন্তু সভা চলি থাকোতে প্ৰবল ধুমুহা, ভূমিকম্প আৰু বান আহে। সকলো চেদেলি-ভেদেলি হয়। কুমঙে বানপানীত উটি যায় আৰু উপন্যাসখনৰ সামৰণি পৰে।

'মিছিং কনেঙ' উপন্যাসখনত বিষ্ণুপ্ৰসাদ ৰাভাৰ সংগ্ৰামী ঘটনাবহুল জীৱনৰ প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়। উপন্যাসখনত মিছিং সমাজৰ সামাজিক জীৱন, সেই সময়ৰ ভাৰতৰ স্বাধীনতা সংগ্ৰাম, জাত-পাতৰ বিচাৰ, প্ৰেমৰ চিত্ৰ উপন্যাসখনত সফলভাৱে উপস্থাপন কৰিছে।

**কাহিনী /সাধুকথা ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই কাহিনী বা সাধুকথাও ৰচনা কৰিছিল। 'ৰাঙী ৰংদৈ', 'লখিমী কুঁৱৰী',

‘কপাল’, ‘অজগৰ কুঁৱৰী’ আৰু ‘ৰিৱৰিবনি-সোঁ-সোৱনি’। সমাজত প্ৰচলিত সাধুকথাৰ পৰাই ৰাভাই এইবোৰ সংগ্ৰহ কৰিছে।

‘ৰাঙী ৰংদৈ’ সাধুকথাটোত দুজন ৰাজকুমাৰৰ কথা আছে। এজন বেলি কোঁৱৰ আৰু আন এজন জোন কোঁৱৰ। বেলি কোঁৱৰ ৰজাৰ পুতেক আৰু জোন কোঁৱৰ বুঢ়াগোহাঁইৰ পুতেক। দুয়ো সৰুৰে পৰা একেলগে ডাঙৰ হোৱা। সময়ৰ লগে লগে দুয়ো যৌৱনপ্ৰাপ্ত হয় আৰু এদিন বুদ্ধিৰ বলত বেলি কোঁৱৰৰ স্বৰ্গৰ অপেচৰী ৰাঙী ৰংদৈৰ লগত বিয়া হয়। ‘ৰাঙী ৰংদৈ’ত বন্ধুৰ কাৰণে সকলো ত্যাগ সকলো কষ্ট কৰিব পাৰে আৰু বুদ্ধি থাকিলে স্বৰ্গৰ অপেচৰীকো নিজৰ কৰি ল’ব পাৰি তাকে দেখুৱাইছে।

‘লখিমী কুঁৱৰী’ লখীমপুৰৰ ৰজাৰ জীয়ৰী। ৰূপতো লখিমী গুণতো লখিমী। লখিমী বৰ বুদ্ধিমতী। নিজৰ কোঁৱৰক পাবলৈ তাই বহুতো কষ্ট কৰে। লখিমী কুঁৱৰী শেষত নিজৰ কোঁৱৰৰ লগত মিলন হয়।

‘কপাল’ নামৰ সাধুকথাটোত এজন ৰজাৰ ছজন পুতেক আছিল আৰু সময়ত তেওঁলোক যৌৱনাপ্ৰাপ্ত হয়। সকলো বিদ্যাত নিপুণ হয়। ৰজাৰ সৰু পুতেকজনৰ নাম আছিল বীৰ সিংহ। ৰজাই ছজন পুতেকক কাৰ ভাগ্যত খাইছা সুধিলে। পাঁচজন পুতেকে দেউতাকৰ ভাগ্যত বুলি ক’লে আৰু বীৰ সিংহই নিজৰ ভাগ্যত খোৱা-পিন্ধা বুলি ক’লে। কাহিনীয়ে গতি কৰিলে বীৰ সিংহ নানা ঘাত-প্ৰতিঘাতৰ মাজেৰে গৈ এখন ৰাজ্যৰ ৰজা হ’ল। কপাল নামটোৱে ভাগ্যক বুজাইছে। যি ভাগ্যৰ ফলত বীৰ সিংহই অন্য এখন দেশৰ ৰজা হয়।

‘অজগৰ কুঁৱৰী’ সাধুটোত চান্দ কোঁৱৰ আৰু ৰণ কোঁৱৰ নামৰ দুজন ৰাজকুমাৰ আছিল। দুয়ো সৰুৰে পৰা একেলগে ডাঙৰ হয়। দুয়ো বন্ধুই এদিন ফুৰিব যাওঁতে অজগৰ কুঁৱৰীক লগ পায় আৰু চান্দ কোঁৱৰৰ সৈতে অজগৰ কুঁৱৰীৰ বিয়া হয়। চান্দ কোঁৱৰ পাতালপুৰৰ ৰজা হয় আৰু ৰণ কোঁৱৰ মন্ত্ৰী হৈ সুখেৰে ৰাজ্য চলাবলৈ ধৰে।

‘ৰিৱৰিবণি-সোঁ-সোঁৱনি’ সাধুকথাত কানীয়া আৰু ভাঙুৰী দুজনে ভাগ্যৰ বলত মহা এলেহুৱাৰ পৰা ৰাজ্যৰ ৰজা হোৱালৈ ৰাভাই খুব ৰসালভাৱে উপস্থাপন কৰিছে। কানীয়া আৰু ভাঙুৰী দুয়ো মহা চতুৰ বুদ্ধিৰে ৰজা হ’বলৈ পালে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ কাহিনী বা সাধুকথাবোৰ জন সমাজত প্ৰচলিত সাধুকথাৰ পৰা বুটলি

লোৱা যদিও সাধুকথাবোৰত বিষ্ণু ৰাভাৰ মৌলিকত্ব দেখা পোৱা যায়। সাধুকথাবোৰত ৰাভাৰ চিন্তা-চেতনা, ভাবাদৰ্শ ফুটি উঠিছে।

**বুৰঞ্জীমূলক ৰচনা ঃ**

বিষ্ণুপ্রসাদ ৰাভাৰ বুৰঞ্জীমূলক ৰচনাৰ সংখ্যা বেছি নাই। ৰচনা সম্ভাৰত বুৰঞ্জীমূলক ৰচনা হৈছে- 'সৰ্বানন্দ সিংহ, ৰাঘৰ সিংহ আৰু মায়ামৰীয়া বিদ্ৰোহ'।

'সৰ্বানন্দ সিংহ, ৰাঘৰ সিংহ', আৰু মায়ামৰীয়া বিদ্ৰোহ' খন ৰাভাই ১৯৪৩ চনৰ ২৮ জুলাইত পানীতোলাত লিখিবলৈ আৰম্ভ কৰে। ৰচনাখনত মৰাণ-মটক ৰাজ্যৰ বুৰঞ্জী, সৰ্বানন্দ সিংহৰ জন্ম, চতুৰ্ভজদেৱ, অষ্টভুজদেৱ, কীৰ্তিচন্দ্ৰ বৰুবৰুৱা, ন-গোহাঁই, নাহৰ, গাগিনী ডেকা, খোৰা, মায়ামৰীয়া বিদ্ৰোহ, ৰাঘৰ সিংহ, বৰফুকনৰ ৰণ ইত্যাদি বুৰঞ্জীমূলক কথাবোৰ বৰ্ণনা কৰিছে। এই ৰচনাত ৰাভাই বুৰঞ্জী অধ্যয়ন কৰি বিস্তত্তৃভাৱে দাঙি ধৰিছে, "ইমান দীঘলীয়াকৈ বৰ্ণনা কৰিছে যে লেখকে ইয়াৰ কাৰণে কিমান বিস্তৃত অধ্যয়ন আৰু প্ৰস্তুতি চলাইছিল, ভাবিলে আশ্চৰ্যান্বিত হ'ব লাগে।" (বি.প্ৰ.ৰা.ৰ.স., প্ৰথম খণ্ড, ভূমিকা-ক)। বিষ্ণু ৰাভাৰ বুৰঞ্জী ৰচনাত প্ৰকাশ পাইছে অনুসন্ধিৎসু মন, নিষ্ঠা, সততা, প্ৰগাঢ়তা আৰু প্ৰবল ইতিহাস চেতনা। "বুৰঞ্জীত প্ৰচলিত আৰু প্ৰতিষ্ঠিত সত্যৰ বিপৰীতে যুক্তি আৰু তথ্যৰে নতুন সত্য দাঙি ধৰিবলৈ ৰাভাই কেতিয়াও কুণ্ঠাবোধ কৰা নাছিল।"(ভট্টাচাৰ্য, নলিনীধৰ (সম্পা) ঃ বিষ্ণুপ্ৰসাদ ৰাভা, জীৱন আৰু কৃতি, পৃ- ১০৫)।

আহোম স্বৰ্গদেউ আৰু ৰাজবিষয়া কীৰ্তিচন্দ্ৰ বৰবৰুৱাই মোৱামৰীয়া সত্ৰৰ গুৰু আৰু শিষ্যসকলক কৰা অত্যাচাৰৰ ফলত শিষ্যসকলে ৰাজবিদ্ৰোহ আৰম্ভ কৰে। কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাই মোৱামৰীয়া গোসাঁইসকলক কৰা অত্যাচাৰ অপমানৰ বিষয়ে ৰাভাই সুন্দৰভাৱে বৰ্ণনা কৰিছে- "যি গেন্ধেলাই মায়ামৰীয়া অষ্টভূজক অপমান কৰি গালি দিছিল আৰু নাহৰ আৰু ৰাঘৰ মৰাণক অশেষ শাস্তি দিছিল, যি গেন্ধেলাই চকৰী ফেঁটী বুৰঞ্জীৰ খণ্ডত অসমৰ সকলো বুৰঞ্জী আনি ভষ্ম কৰি পেলাইছিল, যি গেন্ধেলাই মায়ামৰীয়া বিদ্ৰোহৰ আচল গুৰি আছিল আৰু যি গেন্ধেলাই আহোম ৰাজ্যৰ পতনৰ আদি মূল আছিল আৰু যি গেন্ধেলাই সোণৰ অসম ছাৰখাৰ কৰি পেলাইছিল -সেই গেন্ধেলাৰ মৃত্যু ক্ৰমাৎ ওচৰ চাপি আহিল।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ- ৭৬৬)। ৰাভাই ৰচনাখনত শাক্তধৰ্মী বৰৰাণী ফুলেশ্বৰীয়ে মায়ামৰীয়া গোসাঁই-মহন্তক বলীকটা তেজৰ ফোঁট দিয়াৰ কথাও উল্লেখ কৰিছে। ৰাভাই

মায়ামৰীয়া বিদ্ৰোহৰ সমস্ত দোষ জাপি দিছে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা আৰু গেন্ধেলাৰ ওপৰত আৰু বিদ্ৰোহৰ মূল নায়ক ৰাঘৱ সিংহ, গাগিনী ডেকা, সৰ্বানন্দ সিংহক বীৰৰূপে দাঙি ধৰিছে।

**ৰাজনৈতিক ৰচনাৱলী ঃ**

'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' দ্বিতীয় খণ্ডত ৰাভাৰ ৰাজনৈতিক ৰচনাসমূহ সন্নিৱিষ্ট কৰিছে। ৰাজনৈতিক জগতখনৰ লগত জড়িত বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি ৰাভাই সেই মতাদৰ্শৰ ভালেমান প্ৰবন্ধ ৰচনা কৰে। ৰাভাই ৰাজনৈতিকভাৱে মাৰ্ক্সবাদ সাম্যবাদৰ দ্বাৰা প্ৰভাৱান্বিত আছিল। 'ৰচনা সম্ভাৰৰ' দ্বিতীয় খণ্ডত ৰাভাৰ ৰাজনৈতিক ৰচনাসমূহক তিনিটা শিতানত ভাগ কৰিছে। প্ৰবন্ধসমূহ 'চীন দেশৰ বিপ্লৱ', আগ শৰাই, 'ভাৰত-চীন বিবাদ' 'নাবিক বিদ্ৰোহ'। 'ৰাজনৈতিক বিচিত্ৰা' আৰু 'তলসৰা' 'মাৰ্ক্সীয় অৰ্থনীতি' শিতানত তেওঁৰ প্ৰবন্ধসমূহ অন্তৰ্ভূক্ত কৰিছে।

**'ৰাজনৈতিক বিচিত্ৰা'** শিতানত সন্নিৱিষ্ট ৰচনা সমূহ হ'ল—

১. নাৰীৰ সমস্যা কি হ'ব।

২. সমাজতন্ত্ৰবাদ হ'লে কি লাভ।

৩. সমাজ কাক কয়? সমাজ কিয়?

৪. মে দিৱস।

৫. ছোচিয়েলিষ্ট সমাজ আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য।

৬. ডাইলেটিক।

৭. ৰাজনীতি।

৮. বিপ্লৱ।

৯. ছোভিয়েটৰ নাৰী।

১০. ছোভিয়েটৰ শিশু।

১১. ইতিহাসত বিপ্লৱৰ স্থান।

১২. বিপ্লৱৰ অৰ্থ।

১৩. সমসাময়িক ভাৰতৰ নাৰী।

১৪. ছোভিয়েট দেশৰ নাৰী।

১৫. ছোভিয়েট পাৰ্লিয়ামেন্টৰ জনদিয়কে নাৰী প্ৰতিনিধি।

১৬. ছোভিয়েট গঠনতন্ত্ৰ।

১৭. ধনতন্ত্ৰবাদ।

১৮. ৰাজনীতিত সঘনে ব্যৱহাৰ হোৱা শব্দৰ চমু পৰিচয়।

**‘তলসৰা’** শিতানত অন্তৰ্ভূক্ত প্ৰবন্ধসমূহ হৈছে—

১. নাৎছী দলৰ কাৰ্য তালিকা।

২. ভাৰ্ছাই সন্ধি।

৩. হিটলাৰৰ মতে।

৪. ৰাইজৰ অন্তৰত প্ৰশ্ন জাগিল।

৫. ষ্টেলিন।

৬. কৃষি বিপ্লৱ।

৭. গঠনতন্ত্ৰত মূল অধিকাৰ।

৮. ট্ৰট্স্কী।

৯. লেনিন।

১০. নয়া-গণতন্দ্ৰ।

১১. বিপ্লৱবাদী আৰু বোনাপাৰ্টপন্থী।

১২. শ্ৰমিক আৰু খেতিয়কৰ বৈপ্লৱিক পঞ্চায়তৰ বিৰাট দিৱস।

১৩. কমিনফৰ্ম।

১৪. ইতিহাসত বিপ্লৱৰ স্থান।

১৫. বিপ্লৱৰ অৰ্থ।

১৬. পাৰ্টীৰ একসন বা কৰ্ম সংঘাত।

১৭. অক্টোবৰ বিপ্লৱ আৰু ইতিহাসত ইয়াৰ স্থান।

১৮. মানৱতাৰ স্বাধীনতাৰ কাল।

১৯. আন্তৰ্জাতিক (ইন্টাৰনেচনেল)

২০. মে দিৱস।

২১. ভাৰতৰ ট্ৰেড ইউনিয়ন আন্দোলন।

২২. ৰুছ বিপ্লৱৰ বাৰ্তা।

২৩. ভাৰতত ট্ৰেড ইউনিয়ন কংগ্ৰেছৰ ভিত্তি।

২৪. আন্দোলনৰ দ্বিতীয় পৰ্যায় ইত্যাদি।

২৫. ষ্টাৰ্লিং বেলেন্স।

২৬. ১৮৪৮-৫১ চনৰ অভিজ্ঞতা।

২৭. বৈধ ৰাজতন্ত্ৰ আৰু জুলাই ৰাজতন্ত্ৰ।

২৮. ছোচিয়েলিষ্ট সমাজ আৰু কমিউনিষ্ট সমাজৰ পাৰ্থক্য।

২৯. দুটা পৰ্যায় (কমিউনিষ্ট সমাজৰ)।

৩০. ছোভিয়েট পঞ্চায়ত।

৩১. কাৰ্ল মাৰ্ক্স।

**'মাৰ্ক্সীয় অৰ্থনীতি'** শিতানত এটা প্ৰবন্ধ আছে। প্ৰবন্ধটো হৈছে 'পণ্য আৰু পণ্যৰ মূল্য'।

বিষ্ণুপ্ৰসাদ ৰাভা পৃথিৱীৰ মাৰ্ক্সবাদী সম্পৰ্কীয় তত্ত্ববোৰ গভীৰভাৱে অধ্যয়ন কৰিছিল। চীনদেশ আৰু ছোভিয়েট দেশৰ কমিউনিষ্ট দলৰ বিষয়ে ৰাভাই যথেষ্ট অধ্যয়ন কৰিছিল। তেওঁৰ প্ৰবন্ধসমুহতে ইয়াৰ প্ৰমাণ পোৱা যায়। সৰ্বহাৰা সৰ্বসাধাৰণৰ কথা চিন্তা কৰা ৰাভাই মাৰ্ক্সবাদৰ সাম্যবাদ নীতিয়েহে এওঁলোকৰ দুখ দূৰ কৰিব পাৰিব বুলি বিশ্বাস কৰিছিল। সহজ সৰলভাৱে লিখা ৰাজনৈতিক প্ৰবন্ধসমুহত তেওঁৰ সেই আশা প্ৰকাশ পাইছে। "বিপ্লৱী কমিউনিষ্ট পাৰ্টিক জনমানসত প্ৰতিষ্ঠিত কৰিবলৈ তেওঁ অতি সৰল আৰু নিভাঁজ ঠাচত সাম্যবাদৰ ধাৰণাসমূহ ৰচনা কৃতিৰ মাজেৰে প্ৰকাশ কৰিছিল।"(ভট্টাচাৰ্য, নলিনীধৰ (সম্পা) ঃ বিষ্ণুপ্ৰসাদ ৰাভা, জীৱন আৰু কৃতি, পৃ- ৯৫)।

ৰাভাৰ ৰাজনৈতিক ৰচনাসমূহত সমকালীন বিশ্ব ৰাজনৈতিক ঘটনাপ্ৰবাহ কাহিনী আকাৰে বৰ্ণনা কৰিছে। লগতে প্ৰবন্ধসমূহত নাৰী আৰু শিশুৰ সমস্যা, প্ৰয়োজনীয় প্ৰাপ্য সা-সুবিধা বা অধিকাৰ, নাৰীৰ ভূমিকা, চীন আৰু ছোভিয়েট দেশৰ শিশু আৰু নাৰীক লৈ, কৃষি বিপ্লৱ, পঞ্চায়ত ব্যৱস্থা, হিটলাৰ-লেনিনৰ আদৰ্শ, বিশ্বৰ বিভিন্ন ৰাজনৈতিক মতাদৰ্শ বিষ্ণু ৰাভাৰ ৰাজনৈতিক প্ৰবন্ধসমূহত স্থান পাইছে।

**প্ৰবন্ধাৱলী আৰু ভাষণাৱলীঃ**

'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ'ত (দ্বিতীয় খণ্ড) যথেষ্টসংখ্যক প্ৰবন্ধ আৰু বিষ্ণু ৰাভাই বিভিন্ন অনুষ্ঠানত দিয়া ভাষণবোৰ সন্নিৱিষ্ট কৰা হৈছে।

প্ৰবন্ধাৱলীত মুঠ ১৯ টা প্ৰবন্ধ আছে। প্ৰবন্ধ কেইটা হ'লঃ-

১. মানৱ জাতি।

২. অতীত অসম।

৩. মানুহ।

৪. চিফুং বাঁহীৰ সুৰ।

৫. চিখলা ৰাজ্য।

৬. ৰাজমালা।

৭. ৰঙালী বিহু।

৮. ভ্ৰাম্যমান জীৱন, বৰগীত আৰু শ্ৰীশঙ্কৰদেৱৰ বৰগীত।

৯. চিত্ৰলেখা।

১০. ডেকাগিৰিৰ দান।

১১. তাণ্ডৱ নৃত্য।

১২. ৰেচকাঙ্গহাৰাত্মক নৃত্য।

১৩. আদিম ভাৰতীয় নৃত্য বিশাৰদ আৰু তুৰীয় নটমূৰ্তি।

১৪. সুৰৰ দেউল।

১৫. বোৰঁতী সুঁতি।

১৬. মোৰ প্ৰিয় ভূমিকা।

১৭. ত্ৰিধাৰা।

১৮. অজ্ঞাতবাসৰ কথা।

১৯. জনজাতীয় সংস্কৃতিত শিৱ।

'মানৱ জাতি' প্ৰবন্ধটোত ৰাভাই নৃতাত্ত্বিক দৃষ্টিৰে সমগ্ৰ সৌৰজগতৰ লগতে পৃথিৱী, তৰু-তৃণ, পাহাৰ-পৰ্বত, নদ-নদী, জান-জুৰি, জীৱ-জগতৰ সৃষ্টি তথা জীৱন বৃদ্ধিৰ বিৱৰ্তিত ধাৰাটোক

আলোচনা কৰিছে। মানৱ জাতিৰ সৃষ্টিৰ পৰা মানুহে সমাজ পাতি বসবাস কৰা লৈকে হাজাৰ হাজাৰ বছৰৰ পৰিক্ৰমা ৰাভাই গৱেষণামূলক এই প্ৰবন্ধটোৰ জৰিয়তে দাঙি ধৰিছে।

'অতীত অসম' প্ৰবন্ধটোত ৰাভাই অসমভূমিৰ সৃষ্টিৰ পৰা পৰৱৰ্তী সময়ৰ অসমৰ প্ৰাকৃতিক-ভৌগোলিকৰ বিভিন্ন দিশৰ আভাস দিছে। ৰাভাই প্ৰবন্ধটোত লিখিছে- "পোন প্ৰথমতে সামান্য খন ৰহনৰ সেউজবুলীয়া শেলুৱৈৰ পৰা ক্ৰমবিকাশৰ ফলত আজিৰ ঘাঁহ-ঘাহনি, বন-বননি হ'ল, হাড়-ৰাজহাড় আদি নোহোৱা ক্ৰিমি আদি বাঢ়ি বাঢ়ি মাছ, কাছ, গাহৰি, নৰসিংহ আদি হৈ বিধ বিধ জন্তু-প্ৰাণীৰ ৰূপ লৈ জল-থল, হাবি-বননিত চৰিবলৈ ধৰিলে। প্ৰকৃতিৰ ৰেহ-ৰূপ নতুন ৰূপ লৈ ধুনীয়া শুৱনি হ'ল। আজিৰ অসমী আইৰ কেঁচুৱা অৱস্থাতে চিকুণ হৈ উঠিল।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-৯২৯)।

'মানুহ' নামৰ প্ৰবন্ধটোত মানুহৰ বসতি তথা অঞ্চলভেদে শাৰীৰিক ভিন্নতা, সময়ৰ প্ৰৱাহত বিভিন্ন বেলেগ বেলেগ গোষ্ঠীৰ মাজত স্থাপন হোৱা বৈবাহিক সম্পৰ্ক, যৌন সম্পৰ্কৰ ফলত মানৱ জাতিৰ নতুন সমাজ সৃষ্টি হৈছে। 'মানুহ' প্ৰবন্ধটো 'মানৱ জাতি' প্ৰবন্ধটোৰ পৰিপূৰক।

'চিফুং বাঁহীৰ সুৰ' নামৰ প্ৰৱন্ধটোৰ বিষয়ে ৰচনা সম্ভাৰৰ সম্পাদকে লিখিছে- "বিষ্ণুপ্ৰসাদ ৰাভাই 'নায়ক' নামৰ মাহেকীয়া আলোচনীখনত 'চিফুং বাঁহীৰ সুৰ' নাম দি এলানি প্ৰৱন্ধ লিখিছিল। কিন্তু 'নায়ক'ৰ ১ম সংখ্যাৰ পৰা ৮ম সংখ্যালৈ বিচাৰি পোৱা নগ'ল। বাকী যিখিনি পোৱা গ'ল তাকে ইয়াত পুনমুদ্ৰিত কৰা হ'ল।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-৯৪৬)। 'চিফুং বাঁহী সুৰ' প্ৰবন্ধটোত হাৰূপেশ্বৰ ৰাজ্য', 'হা-লালী ৰাজ্য', 'কছাৰী জাতি', 'বৰাহী ৰাজ্যৰ' বিষয়ে সংক্ষিপ্তভাৱে আলোচনা কৰিছে।

'ৰাজমালা' প্ৰবন্ধটোত ৰাভাই বড়ো-কছাৰী ৰাজবংশৰ ৰজাসকলৰ নাম। বিভিন্ন বুৰঞ্জীৰ পৰা বড়ো-কছাৰী ৰজাসকলৰ শাসন । বুৰঞ্জীমুলক বিভিন্ন কথা-কাহিনী এই প্ৰবন্ধটোত সন্নিৱিষ্ট কৰিছে ।

'ৰঙালী বিহু' প্ৰবন্ধটোত ৰঙালী বিহুৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰিছে । বিহুগীত, গীতৰ লগত বজোৱা বিভিন্ন বাদ্যযন্ত্ৰ, জনজাতীয় লোকৰ বিহু পৰম্পৰা, বিহুৰ লগত জড়িত লোকাচাৰৰ বিষয়ে উল্লেখ কৰিছে ।

'ভ্ৰাম্যমাণ জীৱন, বৰগীত আৰু শ্ৰীশংকৰদেৱৰ বৰগীত' নামৰ প্ৰবন্ধটোত তেতিয়াৰ অসমৰ

ৰাজধানী শ্বিলংৰ ৰূপ-সৌন্দৰ্য্যৰ বৰ্ণনা, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনজাতীয় লোকসকলৰ লগতে নদীকেন্দ্ৰীক জীৱনৰ কথা প্ৰবন্ধটোত উল্লেখ আছে । সম্পাদকে এই প্ৰবন্ধটোৰ বিষয়ে লিখিছে যে - "শ্ৰীযুত ৰাভা ডাঙৰীয়াই ১৯৪২ চনৰ আন্দোলনৰ সময়ত কলিকতাৰ পৰা পূৰ্ববঙ্গয়েদি ত্ৰিপুৰা আদিত সোমাই অসমৰ পাহাৰে-পাহাৰে ঘূৰি কছাৰী আদি ট্ৰাইবেল জাতিৰ বিষয়ে জানিবলৈ চেষ্টা কৰে। আৰু অশেষ কষ্ট কৰি কছাৰী জাতিৰ বুৰঞ্জীমূলক তথ্য আৱিষ্কাৰ কৰে । এইদৰে ভ্ৰমি ফুৰা জীৱনছোৱাৰ কোনো মুহূৰ্তত তেখেতে গুৱাহাটীত থাকোঁতে শ্ৰীযুত ৰাজমোহন নাথ, বি.ই ডাঙৰীয়াৰ 'শ্ৰী শ্ৰী শংকৰদেৱৰ বৰগীত'খন পায় আৰু তাৰে সমালোচনা তেখেতে ইয়াত কৰিছে ।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-৯৭০)।

'চিত্ৰলেখা' প্ৰবন্ধটো 'শ্ৰী শ্ৰীমতি কলাৱতীৰ'ৰ অন্তৰ্গত আছিল । ভাৰতীয় নৃত্য কলা,নাট্য শাস্ত্ৰ, নৃত্য-কলাৰ উৎপত্তি সম্পৰ্কীয় আলোচনা প্ৰবন্ধটোত কৰিছে । 'ডেকাগিৰিৰ দান' প্ৰবন্ধটোত কুসুম্বৰ ভূএগাই মহাদেৱক আৰাধনা কৰি পুত্ৰ শংকৰক লাভ কৰা, শংকৰদেৱৰ বাল্যকাল, শংকৰদেৱৰ নৱবৈষ্ণৱ ভক্তিধৰ্ম প্ৰচাৰ এই সকলো কথা প্ৰবন্ধটোত আলোচনা কৰিছে । এই প্ৰবন্ধটোত 'বাঁহী' আলোচনীৰ ২৮ শ বছৰ বিশেষ সংখ্যাত প্ৰকাশ পাইছিল।

'তাণ্ডৱ নৃত্য'ত মহাদেৱৰ তাণ্ডৱ নৃত্যৰ লগতে, ৰেচেকাঙ্গহাৰত্মক নৃত্য, গীতবাদ্যভিনয়োন্মুখ নৃত্য, গানক্ৰিয়াযাত্ৰানুসাৰি নৃত্য, বাদ্যতালানুসাৰি নৃত্য, নাট্যানুসাৰি নৃত্য, ৰাগ-কাব্যানুসাৰি নৃত্য সম্পৰ্কীয় কথা প্ৰবন্ধটো উল্লেখ আছে। 'তাণ্ডৱ নৃত্য'ৰ বিষয়ে ৰাভাই কৈছে- "শিৱৰ ধীৰ-স্থিৰ নাচো তাণ্ডৱ। কেৱল ধ্বংসৰ নাচনেই তাণ্ডৱ নহয় শিৱৰ নাচ সৃষ্টিমূলক ৰূপান্তৰৰ সুৰৰ ঝংকাৰত ঝংকৃত হৈ চঞ্চল হৈ উঠে। এই নৃত্যই ভক্তৰ প্ৰাণত মুক্তিৰ আনন্দ দিয়ে। এই শিৱ-নৃত্য সৃষ্টি প্ৰৱাহৰ সোঁতত বৈ সমগ্ৰ জাগ্ৰত জগতত প্ৰতিফলিত হৈছে।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-৯৮১)। 'তাণ্ডৱ নৃত্য' প্ৰবন্ধটোত ৰাভাৰ নৃত্য সম্পৰ্কীয় গৱেষণামূলক প্ৰবন্ধ বুলিব পাৰি।

'আদিম ভাৰতীয় নৃত্যবিশাৰদ আৰু তুৰীয় নটমূৰ্ত্তি' প্ৰবন্ধটোত ভাৰতীয় নৃত্যকলাৰ লগতে মিছৰ, মাইকিনীয়া, হেলেনিক, ভূমধ্য সাগৰীয়, ক্যালভীয় আৰু পাৰস্যাদিৰ অভিনয়-নৃত্য কলাৰ এক আলোচনা কৰিছে। 'সুৰৰ দেউল'ত সুৰৰ চানেকী, যাত্ৰা, গানৰ, স্বৰলিপি। 'বোৱঁতী সুঁতি' প্ৰবন্ধটোত ১৯৩০ চনৰ পৰা ১৯৫০ চনলৈকে ৰাভাৰ সামাজিক-ৰাজনৈতিক-সাংস্কৃতিক জীৱন প্ৰৱাহৰ স্মৃতিৰ কথা প্ৰবন্ধটোত উল্লেখ কৰিছে। 'মোৰ প্ৰিয় ভূমিকা'ত ৰাভাৰ জীৱনৰ স্মৃতি,ভাল লগা কাম ইয়াত

সন্নিৱিষ্ট কৰিছে। 'ত্ৰিধাৰা' এখন বাঁহী আলোচনীত প্ৰকাশিত অসম্পূৰ্ণ নাটক।

'অজ্ঞাতবাসৰ কথা'ত ৰাভাই অজ্ঞাতবাসৰ সময়ত পোৱা বিভিন্ন অভিজ্ঞতা লগতে সাম্ৰাজ্যবাদী চৰকাৰখনৰ বিষয়েও ক্ষোভ প্ৰকাশ কৰিছে। ৰাভাৰ প্ৰবন্ধাৱলীৰ শেষ প্ৰবন্ধটোত 'জনজাতীয় সংস্কৃতিত শিৱৰ স্থান, শৈৱ পৰম্পৰাৰ উল্লেখ আছে। সৃষ্টিকৰ্তা বাথৌয়ে কি দৰে পৃথিৱীত জীৱমণ্ডল সৃষ্টি কৰিলে তাৰ উল্লেখ কৰিছে। শৈৱ পৰম্পৰাৰ লগতে দেৱী পৰম্পৰাৰ বিষয়েও প্ৰবন্ধটোত উল্লেখ কৰিছে। প্ৰাচীন অসমত পূজিত কামাখ্যা, কেঁচাইখাইতী দেৱীৰ পূজা পৰম্পৰাৰ বিষয়ে প্ৰবন্ধটোত উল্লেখ কৰিছে। অনাৰ্য সংস্কৃতিক আৰ্যসকলে নিজৰ কৰি লোৱা বুলি ৰাভাই কৈছে "বড়োসকলৰ দেৱ-দেৱীক আৰ্য্যসকলে আৰ্য, শৈৱ, শাক্ত আৰু তান্ত্ৰিক-সংস্কৃতিৰ ৰহনেৰে বোলাই এই বড়োসকলৰ ওপৰত ধাৰ্মিক আৰু সাংস্কৃতিক প্ৰভাৱ বিস্তাৰ কৰি ব্ৰাত্য ধৰ্মত দীক্ষিত কৰি লয়।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০২২)।জনজাতীয় দেৱতা শিৱক আৰ্য্যকৰণ কৰা হৈছে বুলি ৰাভাই কৈছে।

**ভাষণাৱলী ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই বিভিন্ন সভা-সমিতিত বিভিন্ন পৰিৱেশত প্ৰদান কৰা ভাষণসমূহ অসমীয়া সাহিত্যৰ এক অমূল্য সম্পদ। বিষ্ণু ৰাভাই প্ৰদান কৰা ভাষণসমূহত তেওঁৰ স্বদেশপ্ৰীতি, জাতীয়তাবোধ, সৰ্বহাৰা শ্ৰেণীটোৰ প্ৰতি সহমৰ্মিতা প্ৰকাশ পাইছে। বিষ্ণু ৰাভাৰ ভাষণৰ বিশেষত্ব হ'ল যে বিষয়ৰ উপস্থাপন,বিস্তৃত ব্যাখ্যা, সকলোৰে বুজিব পৰা ভাষাশৈলীৰ প্ৰয়োগ। সাংস্কৃতিক সভাতেই হওঁক বা ৰাজনৈতিক সভাতেই হওক বা সাহিত্য বিষয়ক সভাই হওক ৰাভাৰ প্ৰাঞ্জল ভাষা, গীতৰ প্ৰয়োগ কলাসুলভভাৱে বক্তৃতাই শ্ৰোতাক আকৰ্ষিত কৰিছে।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ভাষণাৱলীত সৰ্বমুঠ এঘাৰটা ভাষণ আছে। সেইকেইটা হৈছে -

১. অসমীয়া কৃষ্টি।

২. অসমীয়া কৃষ্টিৰ চমু আভাষ।

৩. ইণ্ডো-ছোভিয়েট কালচাৰেলৰ ছচাইটীৰ যোৰহাট অধিৱেশনত মুখ্য অতিথিৰ ভাষণ।

৪. তেজপুৰ সাহিত্য সভাত দিয়া ভাষণ।

৫. ৰঙ্গাপাৰা চাহ মজদুৰ সংঘ।

৬. ৰংপুৰীয়া ৰাইজলৈ।

৭. ৰবীন্দ্ৰ জয়ন্তীৰ অভিভাষণ।

৮. পল্লী সমাজ।

৯. সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ কৃষ্টি শাখাৰ ভাষণ।

১০. ডিব্ৰুগড় মেডিকেল কলেজৰ উৎসৱত দিয়া ভাষণ।

১১. কলাগুৰুৰ শেষ ভাষণ।

'অসমীয়া কৃষ্টি' এই ভাষণটো বিষ্ণু ৰাভাই অসম ছাত্ৰ-কংগ্ৰেছৰ শাখা নগাঁও জিলা ছাত্ৰ-ফেডাৰেচনৰ ৰহাত বহা প্ৰথম বাৰ্ষিক অধিৱেশনৰ কৃষ্টি শাখা সভাৰ সভাপতিৰ অভিভাষণৰূপে পাঠ কৰা হয়। ভাষণটোত ৰাভাই কৃষ্টি কি, উদ্ভৱ আৰু বিকাশৰ ব্যাখ্যা লগতে জীৱনযাত্ৰাৰ লগত এই কৃষ্টি কি দৰে জড়িত সেই কথাও অৱতাৰণা কৰে। প্ৰাচীন সমাজত নাৰীৰ স্থান, শ্ৰী কৃষ্ণৰ ৰুক্মিণীৰ লগত বিবাহ,অসমৰ পৌৰাণিক কাহিনী, সংস্কৃত সাহিত্যৰ হৰ্ষচৰিত,ৰাজতৰঙ্গিনী, মুদ্ৰাৰাক্ষস আদি মূল্যৱান গ্ৰন্থৰাজিৰ উল্লেখৰ লগতে প্ৰাচীন কামৰূপৰ শাসনকৰ্তা শালস্তম্ভ, পাল আদি বংশৰ কথাও উল্লেখ কৰিছে। ভাষণত অসমীয়া ভাষা-সাহিত্য, সংস্কৃতিলৈ নগাঁওৰ অৱদানৰ কথাও স্বীকাৰ কৰিছে। এই নগাঁওতে বৰাহী ৰজা মহামাণিক্যৰ ৰাজ পৃষ্ঠপোষকতাত মাধৱ কন্দলীয়ে সপ্তকাণ্ড ৰামায়ণখন অসমীয়া ভাষালৈ অনুবাদ কৰে। ৰাভাই ভাষণত উল্লেখ কৰে যে শংকৰদেৱৰ যুগতে অসমীয়া সাহিত্য আৰু শিল্প-সাংস্কৃতিৰ চৰম বিকাশ ঘটে। মহাপুৰুষ দুজনাৰ অৱদানৰ লগতে বৰগীত ভাওনাৰ সম্পৰ্কে ভালেমান তথ্য পোৱা যায়। শেষত নগাঁওত শিখসকলৰ আগমণ, শিখগুৰু তেগবাহাদুৰৰ শিষ্যসকলৰ কৃষ্টি-সংস্কৃতিয়ে অসমীয়া সমাজত ঠাই পায়। বিষ্ণুপ্ৰসাদ ৰাভাৰ 'অসমীয়া কৃষ্টি' ভাষণটো এক উল্লেখযোগ্য দলিল বুলি ক'ব পাৰি।

'অসমীয়া কৃষ্টিৰ চমু আভাস' এই ভাষণটো ১৯৪৫ চনত কনিহাত হোৱা বিহু উৎসৱৰ কৃষ্টি শাখাৰ সভাপতিৰ আসনৰ পৰা দিছিল। ভাষণত ৰাভাই ৰঙালী বিহুক লৈ অসমীয়াৰ যি হেঁপাহ তাৰ উল্লেখ কৰিছে। অসমত বাস কৰা বিভিন্ন জনজাতীয় লোকসকলৰ বিহু পৰম্পৰা,গীত-মাতৰ বিস্তৃত ব্যাখ্যা কৰিছে। প্ৰাগৈতিহাসিক কালৰ পৰা বিৱৰ্তনৰ মাজত মানুহে যি শিকিলে। যেনে- সমাজপাতি বসবাস কৰা , খাদ্য সংগ্ৰহ, চিকাৰ, শষ্যৰ খেতি কৰা শিকিলে। মানুহ প্ৰস্তৰ যুগৰ পৰা লাহে লাহে ধাতুৰ যুগত প্ৰৱেশ কৰিলে লো, ব্ৰঞ্জ, তামৰ ব্যৱহাৰ শিকিলে। মনোৰঞ্জনৰ বাবে নৃত্য শিকিলে, গীত

শিকিলে, চিত্ৰকলা আকিবলৈ শিকিলে। মূৰ্তি পূজাৰ ধাৰণা আহিল।

শৈৱ পৰম্পৰা, শ্ৰী কৃষ্ণৰ অসমত আগমণ, বিভিন্ন ৰজাসকলৰ দ্বাৰা কামৰূপ শাসনৰ বিষয়ে ভাষণত উল্লেখ কৰিছে। ব্ৰাহ্মণসকলৰ দ্বাৰা দীক্ষিত হৈ ইয়াৰ ৰজাসকলে হিন্দু হয় আৰু প্ৰজাৰ লগত ৰজাৰ ব্যৱধান বাঢ়ি যায়। ব্ৰাহ্মণসকলে জনজাতীয় শব্দৰ নাম শব্দ, ঠাইবাচক শব্দ, নদীবাচক শব্দও পৰৱৰ্তী সময়ত সংস্কৃতমূলীয় কৰিবলৈ ল'লে কামৰুৰ পৰা কামৰূপ, কামলক্ষী, কামক্ষী বা কামক্ষাৰ পৰা কামাখ্যা, ভুল্লুংবুথুৰৰ পৰা ব্ৰহ্মপুত্ৰ, ইত্যাদি। অসমীয়া ভাষাৰ বিকাশ সম্পৰ্কেও ভাষণত কৈছে। শঙ্কৰদেৱৰ অসমীয়া জাতিলৈ আগবঢ়োৱা অৱদানৰ বিষয়েও ৰাভাই বিস্তৃতভাৱে কৈছে। উত্তৰ-পূব (প্ৰাচীন অসমত) প্ৰচলিত নৃত্য-গীতৰ চিত্ৰকলাৰ লগতে জনজাতি সমাজৰ কাপোৰ বোৱা পদ্ধতি, সাজপাৰ, বিভিন্ন অলংকাৰ, বাচন, বৰ্তন অস্ত্ৰ-শস্ত্ৰৰ নিৰ্মাণ তথা ব্যৱহাৰৰ বিষয়ে ৰাভাৰ ভাষণত উল্লেখ কৰিছে।

প্ৰাচীন অসমৰ স্থাপত্য কলা, ৰন্ধন শিল্প, ৰূপ সজ্জা, মন্ত্ৰ সাহিত্যৰ বিষয়ে বিস্তৃতভাবে ৰাভাৰ ভাষণত বৰ্ণনা কৰিছে।

'সদৌ অসম ট্ৰাইবেল ছাত্ৰ সন্মিলন'ৰ প্ৰথম বাৰ্ষিক খোৱাঙত অনুষ্ঠিত হোৱা সভাত বিষ্ণু ৰাভাই কৃষ্টি শাখাৰ সভাপতিৰ আসনৰ পৰা এই ভাষণ ৰাইজলৈ আগবঢ়ায়। বিষ্ণু ৰাভাই কৃষ্টি সম্পৰ্কে 'অসমীয়া কৃষ্টিৰ চমু আভাসত' যি কৈছিল সেই একেখিনি কথা ইয়াতো কৈছে। অসমীয়া কৃষ্টিত, অসমীয়া সংস্কৃতি আৰু সভ্যতাত অসমৰ আদিবাসীসকলৰ দান-অৱদানৰ বিষয়ে দোহাৰে। ৰাভাৰ এই ভাষণটো অসমাপ্ত। শেষত ৰাভাই কৈছে যে- আদি পুৰুষসকলে প্ৰকৃতিৰ বিৰুদ্ধে সংগ্ৰাম কৰি গৈছিল কাৰণেহে আজি অসমীয়াই নিজৰ কৃষ্টি সংস্কৃতি আৰু সভ্যতা লাভ কৰিব পাৰিছে। সেয়েহে তেওঁলোকৰ প্ৰতি আজিৰ অসমীয়া চিৰকৃতজ্ঞ। 'ইণ্ডো-ছোভিয়েট কালচাৰেল ছ'চাইটী'ৰ যোৰহাট অধিৱেশনত মুখ্য অতিথিৰ ভাষণ, দিনাংক আছিল ১১-৪-১৯৫৫ ইং। বিষ্ণু ৰাভাই ভাষণত কয় যে 'ভাৰত-ছোভিয়েট সাংস্কৃতিক সমাজ-বন্ধন (Indo-Soviet Cultural Society চমুকৈ Iscus) গঠন হোৱা বাবে আনন্দ প্ৰকাশ কৰে আৰু অসম বুৰঞ্জীত ভাৰত-ছোভিয়েট মৈত্ৰীৰ সম্বন্ধ কট্‌কটীয়া ৰাখি বন্ধনৰূপে চিৰকলীয়া হৈ থাকিব। ৰাভাই ব্যক্তিগত জীৱনত ১৯২৮ চনতে কলিকতাত লগ পোৱা ছোভিয়েট ৰাছিয়াৰ নৃত্যপটিয়সী আনা পাভলোভাৰ সান্নিধ্যৰ কথা সোঁৱৰে। ভাৰত-ছোভিয়েটৰ মৈত্ৰী বন্ধনৰ কাৰকবোৰৰ বিষয়ে কয় । ছোভিয়েট দেশ, সমাজতান্ত্ৰিক বিপ্লৱ পথৰ

প্ৰথম যাত্ৰী, ভাৰত সেই আদৰ্শৰেই অনুপ্ৰাণিত ছোভিয়েট দেশৰ সমাজতান্ত্ৰিক বিপ্লৱৰ কথা আৰু পৰৱৰ্তী সময়ত সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰে। যি সময়ত পৃথিৱীত সাম্ৰাজ্যবাদী দেশবোৰে ক্ষমতাৰ বাবে যুদ্ধ কৰিছিল সেই সময়ত ছোভিয়েট ৰাছিয়াই পৃথিৱীত শান্তিৰ বাণী বিলাইছিল। মহাকাশলৈ প্ৰথম যাত্ৰী ছোভিয়েটে পঠিয়াই বিজ্ঞানৰ জয়যাত্ৰা আৰম্ভ কৰে। ৰাছিয়াৰ গণ-অনুষ্ঠান ছোভিয়েট-ভাৰত সাংস্কৃতিক সংস্থাৰ জৰিয়তে ভাৰতৰ বন্ধু হিচাপে বৈজ্ঞানিক, অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক সাহায্যাৰ্থে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠা কৰে। ভাৰতৰ ওপৰত চীনৰ আক্ৰমণৰ সময়ত ছোভিয়েট চৰকাৰে ভাৰতক মিগ যুদ্ধ বিমান আৰু যুদ্ধৰ নানা সৰঞ্জাম দি সহায় কৰিছে। শেষত ৰাভাই ছোভিয়েট সাংস্কৃতিক আদান-প্ৰদানৰ সোঁত আৰু দুয়ো দেশৰ বন্ধুত্ব যাতে সদায় অব্যাহত থাকে তাকে কামনা কৰে।

তেজপুৰ সাহিত্য সভাৰ আধাৰশিলা স্থাপন উপলক্ষে ১৯৬৯ চনত দিয়া ভাষণৰ আৰম্ভণিত তেওঁ কৈছে- “আজি এই শুভলগ্নত তিমিৰাছন্ন তমসাৰ জাল ফালি আগন্তুক ঊষাৰ পৰশত নিৰুদ্ধ সাহিত্য আভাৰ অনিৰুদ্ধ ৰূপৰ বিকাশৰ সম্ভাৱনা শোণিতপুৰ তেজপুৰৰ গহনতম কক্ষৰ গভীৰতম পূত স্থানত আধাৰশিলা স্থাপনৰূপে যি পবিত্ৰ আয়োজন চলিছে, সেই আয়োজন প্ৰথম প্ৰয়াস সাফল্যমণ্ডিত হওক।”(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০৯৫)। ৰাভাই ভাষণত অসমীয়া কৃষ্টি সংস্কৃতি আৰু সাহিত্যক বিশাল ব্ৰহ্মপুত্ৰৰ লগত তুলনা কৰিছে, ৰাভাই কৈছে যে, কোনো প্ৰতিক্ৰিয়াশীল শক্তিয়ে যেনেকৈ ব্ৰহ্মপুত্ৰক ভেটিব নোৱাৰে তেনেকৈ কোনো ষড়যন্ত্ৰকাৰীয়ে অসমীয়া কৃষ্টি-সংস্কৃতি আৰু সাহিত্যৰ প্ৰগতিৰ ধাৰাক ৰোধিব নোৱাৰে। শেষত ৰাভাই কৈছে- “মানুহে মোক শিল্পী বুলি কয়। যদি মই শিল্পী হওঁ বিধাতাৰ আৰ্শীবাদত মই শিল্পী হোৱা নাই, ৰাইজৰ আশিষতহে মই শিল্পী হৈছো। ৰাইজৰ হিয়া-কোঁহৰ পৰা এটুপি এটুপি সুন্দৰ ৰুহ বুটলি আনি মই মোৰ মন কোঁহত ভৰাই লওঁ। সেই মন কোঁহকে ৰহঘৰা মউ-কোঁহ ৰচি ভৰাই তাৰ পৰা টোপাল টোপাল ৰহ নিঙাৰি নিঙাৰি নিগৰি নিগৰি উলিয়াই ৰাইজক বিলাই দিওঁ। সেয়েহে ৰাইজৰ লগত মোৰ জীৱনৰ সম্পৰ্ক ওতঃপ্ৰোতভাৱে জড়িত আৰু সেই কাৰণে ৰাইজৰ দুখত মই সমদুখী, ব্যথাত সমব্যথী।”(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০৯৬)। তেজপুৰ সাহিত্য সভাৰ আধাৰশিলা স্থাপন অনুষ্ঠানত দিয়া ৰাভাৰ ভাষণটো অতি তাৎপৰ্যপূৰ্ণ।

‘ৰঙ্গাপাৰা চাহ মজদুৰ সংঘ’ৰ সভাত ৰাভাই ‘চাহ বাগানীয়া’ ভাষাতে ভাষণ দিয়ে। ৰাভাই

ভাষণত চাহ বাগানৰ শ্ৰমিকসকলৰ সুখ-দুখ, সুবিধা-অসুবিধা, সামাজিক অৱস্থা, অর্থনৈতিক দুৰৱস্থা, মজদুৰসকলৰ ভৱিষ্যৎ আদি নানা সমস্যাৰ লগতে চাহ শ্ৰমিকসকলৰ ওপৰত মালিকপক্ষই কৰা শোষণ-নিপীড়ন তথা অৱহেলাৰ কথাও উল্লেখ কৰে। ৰাভাই সমাজতন্ত্ৰবাদ আৰু ধনতন্ত্ৰৰ এক সুন্দৰ বিশ্লেষণ দাঙি ধৰে। ৰাভাই ভাষণৰ শেষত অখিল ভাৰতীয় চাহ মজদুৰ সংঘৰ লক্ষ্য আৰু দায়িত্বৰ বিষয়ত আলোচনা কৰে। সংঘৰ বাৰদফীয়া মূল দাবীসমূহৰ বিষয়েও সভাত বিশদ বিৱৰণ দাঙি ধৰে।

‘ৰংপুৰীয়া ৰাইজলৈ’ বুলি ৰংপৰীয়া ৰাইজলৈ বিহুৰ ওলগ জনাইছে। অসমৰ কৃষ্টি-সংস্কৃতি আৰু সভ্যতাৰ প্ৰতি সদাসচেতন বিষ্ণু ৰাভাই ভাষণৰ আৰম্ভণিতে ভাষা আৰু সাহিত্য-সংস্কৃতিৰ এক অৱক্ষয়ৰ আকাংক্ষা কৰিছে। ৰঙালী বিহুৰ এক জীৱন্ত ছবি ভাষণটিত দাঙি ধৰিছে। বিহুত ডেকা-গাভৰুৰ গীত-মাত, হুঁচৰি গোৱা, সত্ৰ-নামঘৰবোৰত খোল, তাল, ডবা, নাগৰাৰে নাম গোৱা। খেলুৱৈসকলে কড়ি খেল, পচি, গছফলটি, কচুগুটি, হাফলু, ঢোপখেল, নাও খেল, ম’হ যুঁজ, কুকুৰা যুঁজ, শেন চৰাই যুঁজ ইত্যাদি খেল খেলে। বিষ্ণু ৰাভাই ভাষণত জনজাতীয় লোকসকলৰ মাজত প্ৰচলিত বিহু পৰম্পৰাৰ বিষয়েও ব্যাখ্যা কৰিছে। মৰাণসকলে বিহু পাতে, দেউৰী, চুটীয়া আৰু লালুংসকলে ব’হাগৰ প্ৰথম বুধবাৰে বিহুৰ দেওধনী তোলে। মিৰিসকলে (মিছিং) ঐনিতম গায়, বড়ো ডেকা ল’ৰা ঝহীলাও-গঠোসকলে চিফুং-বাঁহী, জোথাতাল বজাই তালে তালে নৃত্য কৰে। ডিমাছা-কছাৰীসকলে পেঁপা, খাৰাম ঢোলৰ ছেৱে ছেৱে হুঁচৰি গায়। মনিপুৰৰ লোকসকলে লাইহাৰাওৱা নৃত্য কৰে। খাচী যুৱতীসকলে কাবামৰ ছেৱে ছেৱে নংক্ৰেম নৃত্য কৰে। ৰাভাসকলে ‘খকচি’ উপলক্ষে নৃত্য কৰে। কামৰূপত ভঠেলী আৰু সুঁৱৰী পাতে। ইয়েই অসমীয়া কৃষ্টি সংস্কৃতিক একত্ৰে গঢ় দিছে। বিষ্ণু ৰাভাই অসমৰ প্ৰতিটো জাতি-জনগোষ্ঠীৰ বিষয়ে যে গভীৰভাৱে অধ্যয়ন কৰিছিল এই ভাষণটিৰ পৰাই বুজিব পাৰি।

‘ৰবীন্দ্ৰ জয়ন্তী’ৰ অভিভাষণটো অসম সংঘৰ তেজপুৰত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰৰ ৯৭ তম জন্ম-জয়ন্তী উৎসৱ উপলক্ষে অনুষ্ঠিত সভাত দিছিল। ভাষণত বিষ্ণু ৰাভাই ৰবীন্দ্ৰনাথ ঠাকুৰৰ ব্যক্তিত্বৰ বিভিন্ন দিশত দৃষ্টিপাত কৰে। ৰাভাই ৰবীন্দ্ৰনাথ সম্পৰ্কে কয় যে- ৰবীন্দ্ৰনাথক আমি বিশ্বকবি হিচাপে পৰিচয় পাওঁ- দ্ৰষ্টা, স্ৰষ্টা আৰু ঋষি হিচাপেহে। ভাৰতৰ স্বদেশী আন্দোলনত ৰবীন্দ্ৰনাথ আছিল এজন অগ্ৰদূত। ‘স্বদেশী ভাণ্ডাৰ’ নামেৰে এখন দোকান খুলিছিল য’ত খাদী

স্বদেশী সামগ্ৰীৰ বাহিৰে কোনো বেলেগ বস্তু পোৱা নগৈছিল। ভাৰতীয় শিক্ষা ব্যৱস্থাত ৰবীন্দ্ৰনাথৰ অৱদান যথেষ্ট। ৰবীন্দ্ৰনাথে 'বিশ্বভাৰতী' স্থাপন কৰে। পল্লী সমাজৰ গঠন, ৰবীন্দ্ৰনাথৰ পল্লী সমাজৰ যি আঁচনি পৰিকল্পনা কৰিছিল সেই মতে কাৰ্যত পৰিণত হোৱাহেঁতেন ভাৰতে বহু পূৰ্বে স্বাধীনতা লাভ কৰিলে হয়।

ভাষণত বিষ্ণু ৰাভাই ৰবীন্দ্ৰনাথৰ গীত-নৃত্য, নাট্যৰ পাৰদৰ্শিতাৰ বিষয়ে আলোচনা কৰে। ৰবীন্দ্ৰনাথৰ 'বসন্ত', 'শ্ৰাৱন-গাঁথা', 'ঋতুৰঙ্গ', বাল্মিকী-প্ৰতিভা', 'কালমৃগয়া', 'মায়াৰ খেলা', 'চিত্ৰাঙ্গদা', 'শ্যামা', 'চণ্ডালিকা' আদি গীত নাট্য। ভাষণৰ শেষত ৰবীন্দ্ৰনাথৰ পৰিয়ালে ভাৰতীয় সঙ্গীত, নাট্য, নৃত্যলৈ আগবঢ়োৱা বৰঙণিৰ কথা বিষ্ণু ৰাভাই উল্লেখ কৰিছে।

'অসম সাহিত্য সভাৰ তিনিচুকীয়া অধিৱেশনৰ' 'কৃষ্টি শাখাৰ সভাপতিৰ আসনৰ পৰা বিষ্ণু ৰাভাই দিয়া ভাষণ এক দলিল স্বৰূপ বুলি ক'ব পাৰি। ভাষণৰ আৰম্ভণিতে ৰাভাই তিনিচুকীয়াৰ ঐতিহ্য ব্যাখ্যা কৰি কয়- "এই তিনিচুকীয়া, ওঠৰ শতিকাৰ শেষছোৱাত তিনি হালিচা মাটিত খন্দা তিনি-ভূজীয়া পুখুৰী, এই তিনিচুকীয়া চহৰৰ সোঁ-মাজত আজিও আছে। মটক ৰাজৰ বৰবৰুৱা গোপীনাথে খন্দায়।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১১১২)। এই তিনিচুকীয়াতে জাজন, চাবুকী, কেঁচাইখাইতী, ভৰলী, লেমাই, তেমাই, ডলুৱা আৰু মলুৱা এই চাৰি গোসাঁনী, চাৰি দেৱে পূজা পাইছিল। আহোম, কছাৰী, খাটোৱাল আদি চাৰি বুঢ়াই চাৰি খুঁটি ধৰি ধৰ্ম জীয়াই ৰাখিছিল। ইয়াৰ পিছত ৰাভাই কৃষ্টিৰ বিষয়ে ব্যাখ্যা কৰে।

ব্ৰহ্মপুত্ৰৰ দৰে অসমীয়া কৃষ্টি অতি বিশাল। সৰু-ডাঙৰ অসংখ্য নৈ-উপনৈ মিলি ইয়াৰ সৃষ্টি। ঠিক সেইদৰে নানা জাতি-জনগোষ্ঠীৰ সংস্কৃতি মিলি বৃহৎ অসমীয়া কৃষ্টিৰ সৃষ্টি হৈছে। ভাষণত ৰাভাই মানুহৰ বিভিন্ন গোষ্ঠীসমূহৰ কথা উল্লেখ কৰে। অসমত বাস কৰা আৰ্য, নিগ্ৰো, মঙ্গোলীয় ইত্যাদি। ৰাভাই ভাষণৰ শেষত উত্তৰ-পূৰ্বাঞ্চলত বসবাস কৰা বিভিন্ন গোষ্ঠীৰ লোকসমূহৰ বৈশিষ্ট্যৰ বিষয়ে ব্যাখ্যা কৰে।

'ডিব্ৰুগড় মেডিকেল কলেজ'ৰ উৎসৱত দিয়া ভাষণৰ আৰম্ভণিতে বিষ্ণু ৰাভাই কয়- "মই শিল্পী হ'ব পৰা নাই। মই ৰূপসাগৰত ৰূপতন্ত্ৰৰ সাধনাহে কৰিছোঁ, ৰূপতান্ত্ৰিক সিংহপুৰুষ হ'ব পৰা নাই। আজীৱন শিল্প আৰু ৰূপতন্ত্ৰৰ সাধনা কৰিয়েই থাকিম, সিদ্ধপুৰুষ নহ'লেও।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১১২৯)। বিষ্ণু ৰাভাই ভাষণত কবিতাৰ মাধ্যমত অসমলৈ জনজাতীয়সকলৰ অৱদানৰ

কথা সুৱোঁৰিছে। ৰাভাই ভাষণত ব্যাখ্যা কৰিছে যে পৃথিৱীৰ সকলো ঠাইতে কৃষ্টিৰ জন্ম হয়। অসমৰ জন্মৰ ইতিহাস ৰাভাই ভাষণত উল্লেখ কৰিছে। ৰাভাৰ মতে মিকিৰসকলেই প্ৰথমে অসমত বসতি কৰিছিল মঙ্গোলীয়, তিব্বতীয়ান, খাছি, মিৰি, আঙ্গামী, আও নগা পৰৱৰ্তী সময়ত অসমলৈ আহে। বড়ো, ৰাভা, গাৰো, লালুং এইসকলৰো বৃহৎ অৱদান অসমীয়া কৃষ্টিত আছে। অসমৰ বিভিন্ন জাতি-জনগোষ্ঠী একত্রে লগ হৈ বৃহৎ অসমীয়া জাতি গঢ়ি উঠিছে। মহাপুৰুষ শঙ্কৰদেৱে যি মহান অৱদান আগবঢ়ালে অসমীয়া জাতিলৈ সেই কথাও ৰাভাই ভাষণত উল্লেখ কৰিছে।

ভাষণৰ শেষ অংশত ৰাভাই মেডিকেল কলেজৰ ছাত্ৰ-ছাত্ৰীসকলক ৰাজনীতিৰ পৰা আঁতৰত থাকি চিকিৎসাৰ বিষয়ে অধিক মনোযোগ দিবলৈ আহ্বান জনাইছে।

ওডালগুড়িত অনুষ্ঠিত ‘বড়ো সাহিত্য সভা’ৰ বাবে ২৬-০২-১৯৬৯ চনৰ গুৱাহাটী মেডিকেল কলেজ হস্পিতালৰ পৰা লিখা এইখনেই বিষ্ণু ৰাভাৰ শেষ ভাষণ। এই ভাষণটো ডিব্রুগড় জিলা ট্ৰাইবেল সংঘৰ দ্বাৰা প্ৰকাশিত সাহিত্য-সংস্কৃতি-বুৰঞ্জীমূলক আলোচনী ‘জন-জাতি’ত ১৯৭২ চনৰ প্ৰথম বছৰ, ১ ম সংখ্যাত প্ৰকাশ পায়।

বিষ্ণু ৰাভাৰ এই ভাষণটোত বড়ো জাতিৰ বিস্তৃত ইতিহাসৰ কথা উল্লেখ কৰিছে। বড়োসকলে সৌমাৰৰ পৰা উত্তৰবঙ্গ হৈ পশ্চিমে পূব নেপাললৈকে বাস কৰিছিল। বড়ো শব্দৰ পৰা ডিখৌ, ডিব্রু, ডিহিং, ডিগাৰু, ‘খাম-মাইখা’ৰ পৰা কামাখ্যা এই শব্দবোৰ আহিছে। বড়ো শব্দৰ পৰা শেষত এই নামবাচক শব্দবোৰৰ আৰ্যীকৰণ হৈছে। প্ৰাচীনত এই কামৰূপ বা প্ৰাগজ্যোতিষত কিৰাট বা অসুৰবংশীয় ৰজাই ৰাজত্ব কৰিছিল। মহীৰঙ্গ, হটকেলাসুৰ, সম্বৰাসুৰ, ৰত্নাসুৰ তাৰ পিছত, ঘটকাসুৰ, ঘটকাসুৰৰ পিছত নৰকাসুৰ কামৰূপৰ ৰজা হয়। পৰৱৰ্তীত ভৌম বা বসুমতাৰী বংশৰ পুষ্যবৰ্মা, নাৰায়ণ বৰ্মা, বলবৰ্মা, ভাস্কৰ বৰ্মা এই ভূখণ্ডৰ ৰজা হয়। কুমাৰ ভাস্কৰ বৰ্মাৰ আখ্যান তামৰ ফলি, শ্ৰী হৰ্ষচৰিতৰ, কাশ্মীৰ ৰাজতৰঙ্গিনী আৰু চীন পৰিব্ৰাজক ইউৱেন চাঙৰ বিৱৰণীত পোৱা যায়। ভাস্কৰ বৰ্মাৰ মৃত্যুৰ পিছত শালস্তম্ভ কামৰূপৰ ৰজা হয়।

জিতাৰী বংশৰ ৰামচন্দ্ৰৰ পুত্ৰ আৰিমত্তৰ নাম বড়ো শব্দ ‘হাৰিণী থাকায়’ (জাতিৰ কাৰণে মঠ) ৰ পৰা অহা। বড়ো কছাৰী জাতিৰ পৰা খেন বংশৰ উৎপত্তি। হালানী ৰাজ্য ডিবং দিহং নৈৰ কাষত এখন বিৰাট বড়ো-কছাৰী ৰাজ্য আছিল। ডিমাছা কছাৰীসকল বড়ো গোষ্ঠীৰ অন্তৰ্গত এক সম্প্ৰদায়। ডিমাছা কছাৰীসকলে কপিলী নামৰ এখন ৰাজ্য স্থাপন কৰিছিল। ইয়াৰ ৰজা মহামাণিক্যৰ

নির্দেশত মাধৱ কন্দলীয়ে অসমীয়া ৰামায়ণ ৰচনা কৰিছিল। ডিমাছাসকলে ব্ৰহ্মপুত্ৰ আৰু ডিবং নৈৰ সঙ্গমস্থলত ডাঙৰ আহত গছজোপাৰ তলত জন্ম লভি গোটেই অসম বিয়পি পৰিছিল।

বিষ্ণু ৰাভাৰ এই ভাষণত বড়ো জনগোষ্ঠীৰ বিস্তৃত বিৰৰণ আগবঢ়াইছে।

**জীৱনী আৰু জীৱন-স্মৃতি ঃ**

বিষ্ণুপ্ৰসাদ ৰাভাই কেইবাখনো জীৱনী আৰু জীৱন-স্মৃতি ৰচনা কৰিছে। 'বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ' (দ্বিতীয় খণ্ড) ত থকা জীৱনী আৰু জীৱন-স্মৃতিসমুহ হ'ল-

১. প্ৰসঙ্গ শংকৰদেৱ

২. শংকৰদেৱ

৩. কুশল কোঁৱৰ

৪. মাধৱ বেজবৰুৱাৰ সোঁৱৰণত

৫. জ্যোতিপ্ৰসাদ (কবিতা)

৬. অমৰ জ্যোতি

৭. মই জনা জ্যোতি

৮. জ্যোতি প্ৰসাদৰ স্মৃতিত

৯. অকণিৰ সপোন

১০. ँ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা

১১. মেক্সিম গৰ্কী

শ্ৰীমন্ত শঙ্কৰদেৱ আছিল বিষ্ণু ৰাভাৰ জীৱন দৰ্শনৰ আদৰ্শ পুৰুষ। বিষ্ণু ৰাভাই শঙ্কৰদেৱৰ আদৰ্শকে শিৰোগত কৰি এক নতুন ৰূপত অসমীয়া সংস্কৃতি গঢ় দিয়াৰ চেষ্টা কৰিছিল। শঙ্কৰদেৱৰ দৰ্শনত জাতি-কুল বৰ্জিত মানৱ সমাজৰ দৃষ্টান্তৰ প্ৰতি ৰাভা বিশেষভাৱে প্ৰভাৱান্বিত হৈছিল। শঙ্কৰদেৱ আছিল হৃদয়ৰ পৰিৱৰ্তন সাধন কৰি সমাজ সংস্কাৰৰ পথ প্ৰদৰ্শক। শঙ্কৰদেৱৰ আৰাধ্য শ্ৰীকৃষ্ণ মানৱদেহধাৰী আছিল। বিষ্ণু ৰাভাই উপলব্ধি কৰিছিল যে কোনো ভাৱবাদী ঈশ্বৰ বিশ্বাসী ধৰ্মীয় আবেদনৰ প্ৰভাৱৰ দ্বাৰা মানৱ জাতিৰ ওপৰত হোৱা অত্যাচাৰ, নিপীড়ন, শোষণ, আদিৰ স্থায়ী মুক্তি হ'ব নোৱাৰে। মুক্তিৰ বাবে লাগিব বৈপ্লৱিক গুণগত গতিৰ এক তীব্ৰ জাগৰণ।

ৰাভাই শোষকশ্ৰেণীৰ হাতৰপৰা শোষণৰ ৰাষ্ট্ৰযন্ত্ৰক কাঢ়ি লৈ নিপীড়িত শ্ৰেণীক কৰায়ত্ব কৰি শোষণকাৰীসকলৰ উচ্ছেদ বিচাৰিছিল। ৰাভাৰ পথ বেলেগ হ'লেও অপসংস্কৃতিৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি শংকৰদেৱৰ আদৰ্শৰ পথেৰেই অগ্ৰসৰ হৈ সুন্দৰ সংস্কৃতি গঢ়াৰ পণ কৰিছিল। "সামন্তযুগীয়া অলৌকিকতাক সমকালৰ বাস্তৱবাদী সমাজ ব্যৱস্থাৰ লগত খাপ খুৱাই বিচাৰ কৰাৰ চেষ্টা কৰিছে। তান্ত্ৰিক আচাৰ-ৰীতি, বলি-বিধানৰ মাজত অন্ধ পৰম্পৰাৰ বন্ধ গলিত আবদ্ধ হৈ থকা অসমত শংকৰদেৱে নৱবৈষ্ণৱ ভক্তি আন্দোলন প্ৰৱৰ্তন কৰি যি জ্ঞানময়, আনন্দময় সমাজ গঢ়িবলৈ অগ্ৰসৰ হৈছিল, পৰ্বত-ভৈয়ামকে ধৰি সমগ্ৰ অসমকো সম্প্ৰীতি আৰু সমন্বয়ৰ ডোলেৰে বান্ধি এখন বৰ অসম গঢ়ি তোলাত গুৰুত্বপূৰ্ণ অৰিহণা যোগাইছিল।"(শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ-১৬৫)।

বিষ্ণু ৰাভাই ভিন ভিন প্ৰসংগত উল্লেখ কৰিছে যে এই পৃথিৱীত ওপজা তিনিগৰাকী মহাপুৰুষ শ্ৰী কৃষ্ণ, লিওনাৰ্দো দ্যা ভিঞ্চিৰ পিছতেই স্থান অসমৰ শ্ৰীমন্ত শংকৰদেৱৰ। ৰাভাই বিগলিত কণ্ঠৰে স্বীকাৰ কৰি গৈছে যে- "আজি শংকৰদেৱৰ যিকোনো কৃষ্টি বা সাহিত্যক বাদ দিলে অসমীয়াৰ মৃত্যু হ'ব। শংকৰ নাথাকিলে অসমীয়াৰ একোৱে নাথাকে।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০১৩)। 'প্ৰসঙ্গ শংকৰদেৱ' আৰু 'শংকৰদেৱ'ত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ লগতে জীৱনীৰ এছোৱা উল্লেখ আছে।

'কুশল কোঁৱৰ'ৰ জীৱনীটো অসম্পূৰ্ণ যেন লাগে। কুশল কোঁৱৰ ভাৰতৰ স্বাধীনতা সংগ্ৰামত ইংৰাজৰ বিৰুদ্ধে দ্ৰোহ কৰি ফাঁচি কাঠত ওলমিল। কুশল কোঁৱৰৰ জীৱনৰ কৰ্মৰাজিৰ পৰিচয় পাঠটিত পোৱা যায়। কুশল কোঁৱৰৰ ফাঁচিৰ আগতে তেওঁক নামঘোষা, কীৰ্তনঘোষা, মহাভাৰত, গীতা আদি ধৰ্মগ্ৰন্থ পঢ়িবলৈ দিয়া হৈছিল। ফাঁচিৰ আদেশে কুশল কোঁৱৰক বিচলিত কৰিছিল বুলি ৰাভাই কৈছে। কুশল কোঁৱৰে ইংৰাজৰ ৰেল বগৰাইছিল, সেই দোষতে দোষী তেওঁ। ৬ মাৰ্চ ১৯৪২ চনত আদালতৰ হুকুমত কুশল কোঁৱৰ, ধৰ্মেশ্বৰ ডেকা, ঘনশ্যাম শইকীয়া, কনকেশ্বৰ কোঁৱৰৰ প্ৰাণদণ্ডৰ আদেশ হয়।

'মাধৱ বেজবৰুৱাৰ সোঁৱৰণত' এক জীৱন স্মৃতি। মাধৱ বেজবৰুৱা 'বাঁহী' আলোচনীখনৰ সম্পাদক আছিল। মাধৱ বেজবৰুৱাই বহুত কষ্টেৰে বাঁহীখন প্ৰকাশ কৰিছিল কলিকতাৰ পৰা। এই বাঁহীৰ পাততেই গুৱাহাটী বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱাৰ খবৰ প্ৰকাশ পাইছিল। মাধৱ বেজবৰুৱাৰ

যক্ষ্মা ৰোগ হয় আৰু এই যক্ষ্মা ৰোগতেই তেওঁৰ মৃত্যু হয়। জীৱন-স্মৃতিখনত মাধৱ বেজবৰুৱাৰ দায়িত্ববোধ, কৰ্তব্যনিষ্ঠা, দেশাত্মবোধ লেখকে সুন্দৰ ৰূপত ফুটাই তুলিছে। 'জীৱনী আৰু জীৱন স্মৃতি'ত জ্যোতিপ্ৰসাদ আগৰৱালাৰ বিষয়ে কেইবাটাও লেখা আছে। সেইকেইটা হ'ল- 'জ্যোতিপ্ৰসাদ' (কবিতা), 'অমৰ জ্যোতি', 'মই জনা জ্যোতি', আৰু 'জ্যোতিপ্ৰসাদৰ স্মৃতি'ত। 'জ্যোতিপ্ৰসাদ' কবিতাটিত জ্যোতিপ্ৰসাদ আগৰৱালৰ প্ৰশস্তিৰ লগতে তেওঁৰ সাহিত্যৰাজিৰো গুণ বৰ্ণনা কৰিছে। ৰাভাই জ্যোতিপ্ৰসাদক কৈছে- "হে জ্যোতি সিদ্ধ তাপস কুমাৰ ৰূপ সাধক-দধীচি জ্যোতিস্মান।

আহা জ্যোতি

দিয়া জ্যোতি

তোমাৰ জ্যোতিত কৰি স্নান

তোমাৰ স্মৃতিত লাভ জ্যোতিৰ প্ৰসাদ

অগ্ৰৱালা স'তে হ'ও আমি জ্যোতিস্মান

মহা পুণ্যৱান।" (বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০৩২)।

এই কবিতাটোৰ মাজেৰে ৰাভাই জ্যোতিপ্ৰসাদৰ মূৰ্তমান ৰূপটোক প্ৰকাশ কৰিছে।

'অমৰ জ্যোতি'ত জ্যোতিপ্ৰসাদৰ পূৰ্বপুৰুষ সুদূৰ মাৰোৱাৰৰ পৰা নাঁৰঙ বা নৱৰঙ্গ আগৰৱালা ব্যৱসায়ৰ বাবে অসমত আহে। অসমত থাকি অসমৰ বায়ু-পানী গ্ৰহণ কৰি অসমীয়া হয়। নাঁৰঙ আগৰৱালাৰ পুত্ৰ হৰিবিলাস আগৰৱালা। যিয়ে অসমীয়া ভাষা সাহিত্যলৈ বৃহৎ বৰঙনি আগবঢ়াইছে। জ্যোতিপ্ৰসাদৰ জন্মৰ পৰা আৰম্ভ কৰি চলচিত্ৰৰ প্ৰশিক্ষণৰ বাবে বিদেশত যোৱা। বিদেশী সঙ্গীত শিকা আৰু অসমীয়া সঙ্গীতত বিদেশী সঙ্গীতৰ সুৰৰ প্ৰয়োগ জ্যোতিপ্ৰসাদে কৰিছিল। ইয়াত বহুকেইটা গীতৰ স্বৰলিপিও সন্নিৱিষ্ট আছে। অসমীয়া ভাষা-সাহিত্য, সঙ্গীতলৈ জ্যোতিপ্ৰসাদৰ বৃহৎ বৰঙণিৰ লগতে অসমীয়া বোলছবি জগতলৈ বহুকেইখন চিনেমা আগবঢ়াইছে। প্ৰথম অসমীয়া চিনেমা 'জয়মতী' ও জ্যোতি প্ৰসাদৰে সৃষ্টি।

'মই জনা জ্যোতিত' বিষ্ণুপ্ৰসাদৰ লগত জ্যোতিপ্ৰসাদৰ যি সম্পৰ্ক সেই কথা লিখিছে। জ্যোতিপ্ৰসাদৰ গান, গানৰ স্বৰলিপি বিষ্ণুপ্ৰসাদৰ হতুৱাই কৰোৱাইছিল। 'জ্যোতিৰ গান' নামৰ গানৰ বহীখন ধুমুহাত জাহ গৈ হেৰাই থাকে। সেইখন উভতাই দিবলৈ ৰাভাই অসমীয়া ৰাইজলৈ আহ্বান জনায়। 'জ্যোতি প্ৰসাদৰ স্মৃতিত' ৰাভাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ সংক্ষিপ্ত জীৱনী লিখে।

জ্যোতিপ্ৰসাদৰ বহুকেইটা গীত ইয়াত সন্নিবিষ্ট কৰা আছে। ইয়াত জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনৰ উল্লেখযোগ্য ঘটনাৰাজি চন হিচাপত বিশেষভাৱে উল্লেখ আছে। 'অকণিৰ সপোন' এটা অপ্ৰকাশিত কবিতা। জ্যোতিপ্ৰসাদক কেন্দ্ৰ কৰি ৰচিত কবিতা এইটো। বিষ্ণুপ্ৰসাদ ৰাভাই পিতৃ গোপাল চন্দ্ৰ ৰাভাৰ জীৱনী '৺ চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা' ৰচনা কৰে। আৰম্ভণিতে বিষ্ণু ৰাভাই ভূটানৰ দেৱান জাওলীয়া বীৰৰ প্ৰসঙ্গ উল্লেখ কৰিছে। ভূটীয়া আৰু বড়োসকলৰ শত্ৰুতাৰ কথা লিখিছে। ভূটীয়াসকলৰ অত্যাচাৰৰ বিৰুদ্ধে যুদ্ধ কৰা ঠেংফাখৰী চিকলা, বাছিৰাম জ'হলাওৰ পৰাক্ৰমৰ কথা ৰাভাই উল্লেখ কৰিছে। ইংৰাজে গোটেই অঞ্চল নিজৰ অধীনলৈ নিয়ে। এই ইংৰাজৰ অধীনত জামাদাৰ আছিল শনিৰাম কছাৰী। শনিৰাম কছাৰীৰ দুই পুত্ৰ। ডাঙৰজন ধনসিং আৰু সৰুপুত্ৰ গোপাল। গোপাল কেঁচুৱা অৱস্থাতে মাতৃহাৰা হয়। শনিৰামে গোপালক মানুহ কৰাৰ স্বাৰ্থত সখী চান্দবৰ ৰাভাক দিয়ে। চান্দবৰ ৰাভা নিঃসন্তান আছিল। তেজপুৰৰ ৰিজাৰ্ভ পুলিচৰ ইন্সপেক্টৰ আছিল। চান্দবৰ ৰাভাৰ তত্ত্বাৱধানত গোপালে শিক্ষা দীক্ষা লাভ কৰি পুলিচ বিভাগত চাকৰি লাভ কৰে। শেষত গোপালক ভূটীয়াবাৰী জাওলীয়া দেৱানাৰ লগত তুলনা কৰি ৰাভাই কৈছে- "জাওলীয়া দেৱানৰ নতুন ভাগ্যলৈ লিখা নতুন পাতনি গোপালৰ ভাগ্যত মেল খায়। সেই গঙ্গাৰ ভূটীয়াৰ ঘৰত আশ্ৰয় লোৱা জাওলীয়া দেৱান আৰু ৰাভাৰ ঘৰত আশ্ৰয় লোৱা-সেই বাঘৰ বংশী ম'ছাহাৰী পৰিয়ালত জন্ম লোৱা গোপালৰ ভাগ্য একেসূত্ৰৰে একেডালি দোলেৰে যেন গুঁঠা।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১০৭৫)।

'মেক্সিম গ'ৰ্কী' প্ৰবন্ধটো অসম্পূৰ্ণ ৰূপত পোৱা গৈছে। "মেক্সিম গ'ৰ্কী' সৰ্বহাৰাৰ সাহিত্যিক আছিল। ৰাভাই গৰ্কীৰ যি নিৰ্যাতনৰ মাজেদি গৰ্কী আগবাঢ়িছিল, সেই নিৰ্যাতিত নিপীড়িত জীৱনৰ পৰিচয় নিদিলেই, তেওঁ গুৰুত্ব আৰোপ কৰিলে গৰ্কীক কালজয়ী উপন্যাস 'মাদাৰ' খনৰ বিচাৰ কৰাতহে।"(শৰ্মা, শশী, বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা, পৃ-১৬৮)।

**ৰাভাৰ অন্যান্য ৰচনা ঃ**

বিষ্ণু ৰাভাৰ অন্যান্য ৰচনা শিতানত 'বজ্জানৰ বিলুপ্তি কাহিনী', 'কৈনো থাকোঁ মানে ওৰকে নপৰে', 'বৰদৈ চিলা সৰুদৈ চিলা', 'বান'-ক'বাং', 'বড়ো সমাজ', 'মৰং', 'নৰকাসুৰ', 'নৰেশ সেনগুপ্তৰ বংশধৰ', 'The Philosophy for NEFA' আৰু 'চিঠিপত্ৰ' উল্লেখযোগ্য।

*‘বজ্জানৰ বিলুপ্তি কাহিনী’*টো জৈন সাহিত্যত *‘The last battle with large stone’* আখ্যা দিয়া হৈছে। অতীজৰ ‘লিচ্ছভি’ বংশৰ পৃষ্ঠপোষকতাত সৰু-ডাঙৰ বিভিন্ন জাতি লগ হৈ জাতিসংঘ গঠন কৰিছিল। এই জাতিসংঘক ‘বজ্জান সংঘ’ নামেৰে জনাজাত আছিল। মগধৰ ৰজা অজাতশত্ৰুয়ে বজ্জান সংঘ আক্ৰমণ কৰাৰ সংকল্প লয়। সেই মৰ্মে ৰজা অজাতশত্ৰুই প্ৰধানমন্ত্ৰী বৰ্যাকৰক বুদ্ধদেৱৰ ওচৰত বজ্জান ধ্বংসৰ উপায় বিচাৰি পঠায়। সেই সময়ত বুদ্ধই ‘Vulture Peak’ নামৰ পাহাৰত থকা ৰাজগৃহত বাস কৰিছিল। বুদ্ধই শিষ্য আনন্দক বজ্জানসকলৰ পৰাক্ৰম, ঐক্যবদ্ধভাৱৰ কথা কৈ আছিল। বুদ্ধদেৱৰ মুখত ‘বজ্জান সংঘ’ৰ ঐক্যবদ্ধভাৱ আৰু পৰাক্ৰমৰ কথা শুনি মন্ত্ৰী বৰ্যাকৰে উপলব্ধি কৰিলে যে- বজ্জানসকলৰ মাজত কল্যাণৰ অমোঘ অস্ত্ৰ-ঐক্য। ঐক্য থকালৈকে বজ্জান সংঘৰ ধ্বংস অসম্ভৱ। মন্ত্ৰী বৰ্যাকৰৰ মুখত বজ্জানসকলৰ ঐক্য দেখি ৰজা অজাতশত্ৰুৱে ছল যুদ্ধৰ আশ্ৰয় ল’লে। অজাতশত্ৰুয়ে কূটনীতি বিশাৰদ মন্ত্ৰী বৰ্যাৰকক আশ্ৰয় প্ৰাৰ্থীৰ বেশেৰে বজ্জানসকলৰ ৰাজ্যলৈ যায় আৰু ছলেৰে ‘লিচ্ছভি’ সকলৰ মাজত বিভেদৰ সৃষ্টি কৰে আৰু ‘বজ্জান সংঘ’ক দুৰ্বল কৰি পেলায়। ৰজা অজাতশত্ৰুৱে সহজতে গঙ্গা পাৰ হৈ বজ্জানৰ ৰাজধানী বৈশালী অধিকাৰ কৰিলে।

বিষ্ণু ৰাভাই বজ্জান বিলুপ্তি কাহিনীটোৰ যোগেদি কৈছে যে কিৰাত বংশৰ যিয়ে ৰজা হয়, তেওঁলোকক ব্ৰাহ্মণে ব্ৰাত্য ক্ষত্ৰিয়ত দীক্ষিত কৰি বড়োৰ পৰা পৃথক কৰি দিয়ে। কাহিনীটোৰ মাজেৰে অসমত বাস কৰা বিভিন্ন জনগোষ্ঠীৰ মাজত ক্ৰমান্বয়ে হ্ৰাস পাবলৈ ধৰা ঐক্য সংহতিৰ ভাবুকি বুলি ৰাভাই চিন্তা কৰিছে।

‘কৈনো থাকোঁ মানে ওৰকে নপৰে’ নামৰ ৰচনাত ৰাভাই অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলিত বিহুৰ কথা কৈছে। মিছিংসকলৰ ‘আলি য়াই লৃগাং’, ‘সোণোৱাল কছাৰীসকলৰ ‘বাইঠ পূজা’, বড়ো জনগোষ্ঠীৰ ‘বৈচাগু’, চুতীয়াসকলৰ ‘বিচ’, ডিমাচাসকলৰ ‘বিষু’ৰ পালনৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা আগবঢ়াইছে।

মিছিংসকলে ‘আলি- আয়- লৃগাং’ ফাগুন মাহৰ বুধবাৰে পালন কৰে। ‘আলি’ মানে আলুৰ শিপা, ‘য়াই’ মানে গুটি বা ফল, ‘লৃগাং’ মানে সিঁচা বা পোতা কাৰ্য। এয়ে মিছিংসকলৰ মূল উৎসৱ। নানা উলহ-মালহেৰে সকলোৱে এই উৎসৱত যোগ দিয়ে। ডেকাহঁতে পেঁপা, চিফুং বজাই ঐনিতম গায়। গাভৰুহঁতে ৰং-বিৰঙৰ ফুল বছা ‘ৰিয়েগ’ ‘মেখেলা’ আৰু ‘ৰিবিগাছেং’ চাদৰ পিন্ধে। বিধে বিধে

পিঠা, মাংস আৰু ছাই মদ খায় ফূৰ্তি কৰে। সোণোৱাল কছাৰীসকলে ‘বাইঠ পূজা’ অনুষ্ঠিত কৰে। হাইদাঙ গীতৰ তালে তালে নৃত্য কৰে সকলোৱে। বুঢ়াসকলে হাতত ম’ৰা চৰাইৰ পাখি লৈ নাচে। বড়োসকলে ‘বাৰদৈচিখলা’ নামৰ এগৰাকী গোঁসানীক পূজা কৰে। ‘বাৰ’ মানে বতাহ বা ধুমুহা, দৈ মানে পানী বা বৰষুণ, ‘চিখলা’ মানে গাভৰু বা গোঁসানী। চমুকৈ ক’ব গ’লে ‘বাৰদৈচিখলা’ মানে ধুমুহা বৰষুণৰ গোঁসানী।

বিষ্ণু ৰাভাই চেনেহৰ অসমীয়াৰ বাপোতি সাহোন ৰঙালী বিহুৰ বিহুগীত, বিহুনাচ, হুঁচৰি, খাদ্য, গৰু বিহু, বিহুৱান, হাতত জেতুকা লোৱা, কপৌ-কেতেকী ফুল লোৱা, কণী যুঁজ, বিভিন্ন খেল-ধেমালিৰ বিৱৰণ দাঙি ধৰিছে।

‘বৰদৈ চিলা সৰুদৈ চিলা’ত সোণোৱাল কছাৰীসকলৰ সমূহীয়া ‘বাঁহীনাচ’, ‘হাইদঙ’ গীতৰ ছেৱে ছেৱে নৃত্য কৰি ৰং-উলাহত আপোন পাহৰা হৈ যায়। সন্ধিয়া বোকা পানীৰে চোতালত গাভৰুসকলে খেলে। গাভৰুহঁতে কাতৰভাৱে বৰদৈচিলাক মাতে, গাভৰুৰ মিনতি শুনি হিল্লোল কোবাই বৰদৈচিলা আহে বুলি কছাৰীসকলে বিশ্বাস কৰে। বড়োসকলে বাৰদৈচিখলা নামে বতাহ বৰষুণৰ দেৱতাক পূজা কৰিছিল। প্ৰবন্ধটোত অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত প্ৰচলিত বিহু, বিহুৰ লগত জড়িত বিভিন্ন লোকাচাৰৰ বিষয়ে উল্লেখ কৰিছে। ব’হাগ বা ৰঙালী বিহুৰ সময়ত বিভিন্ন শাক তোলা, তাঁতশালত বিভিন্ন কাপোৰ বোৱা, চিকাৰ কৰা, গৰুক গা ধুৱৱা, বৰ্ষফল গণনা কৰা, বিভিন্ন খেল-ধেমালি, নৃত্য-গীতৰ কথা ৰাভাই উল্লেখ কৰিছে। এই প্ৰবন্ধটো ‘সোণোৱালী’ আলোচনীৰ প্ৰথম প্ৰকাশ বসন্ত সংখ্যা, ১৮৯২ শকত প্ৰকাশ হয়।

‘বান’-ক’বাং’ উত্তৰ লখিমপুৰৰ কুলাজানত ১৯৬৬ চনৰ ফেব্ৰুৱাৰী মাহত অনুষ্ঠিত হৈছিল সদৌ মিৰি সন্মিলন ‘বান-ক’বাং’। সেই অনুষ্ঠানখনত উপস্থিত আছিল ভাৰতৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী, অসমৰ মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা, নগালেণ্ডৰ মুখ্যমন্ত্ৰী শ্বিলু আও, বিষ্ণুপ্ৰসাদ ৰাভা, ভূপেন হাজৰিকা, সাংসদ শ্ৰী ইৰিঙ আদিৰ লগতে উত্তৰ-পূৱ ভাৰতৰ মনপা, মিৰি, নগা, ছেৰডুকপেন, অঁকা, আলং, আপাতানি, ডফলা, বড়ো আদি নানা জাতি-জনগোষ্ঠীৰ লোকৰ সমাৱেশ হৈছিল। ‘ক’বাং’ মিৰি (মিছিং) শব্দ। ক’বাং হৈছে জনজাতিসকলৰ মাজত চলাবলৈ গাঁৱৰ মুখিয়াল কেইজনমানক লৈ গঠিত গোট। ‘বান’-ক’বাং’ হৈছে সকলো মিৰি (মিছিং) মুখিয়াসকলক লৈ গঠিত গোট।

বিষ্ণু ৰাভাই ‘বান’-কবাং’ত উপস্থিত থাকি পোৱা অভিজ্ঞতাৰে তিনিটা খণ্ডত ‘বান’-ক’বাং’

নামৰ প্ৰবন্ধটো লিখে। প্ৰবন্ধটোত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰায় সকলো জনজাতি যেনে- মিৰি (মিছিং), বড়ো, ছেৰডুকপনে, মোনপা, অঁকা, ডফলা, মিচিমি, গালং, তাগিণ আদি জনজাতিসকলৰ বিষয়ে লিখে। এই জনজাতিসকলৰ বাসস্থান, নামৰ উৎপত্তি, সমাজ-ব্যৱস্থা, ধৰ্মীয় আচাৰ-অনুষ্ঠান, গীত-মাত, সাংস্কৃতিক অনুষ্ঠান তথা উৎসৱ পাৰ্বণ, খাদ্য-ৰীতি, সাজপাৰ আদি সকলো বিষয় অন্তৰ্ভূক্ত কৰি বিস্তৃত ব্যাখ্যা কৰিছে।

বিষ্ণু ৰাভাৰ ‘বড়ো সমাজ’ (প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ), ‘বড়ো’ (প্ৰথম ভাগ আৰু দ্বিতীয় ভাগ), ইয়াত বড়ো জাতিৰ উৎপত্তি, বিকাশ, বড়ো জাতি সম্পৰ্কে প্ৰাচীন গ্ৰন্থসমূহৰ বিৱৰণ, বড়ো জাতিৰ শাৰীৰিক অৱয়ৱ, বিভিন্ন পণ্ডিতৰ মতামত ৰাভাই গৱেষকৰ দৃষ্টিভঙ্গীৰে লিখিছে। লগতে বিষ্ণু ৰাভাই বড়োসকলৰ উৎসৱ ‘খেৰাই’ৰ বিষয়েও বিস্তৃত ব্যাখ্যা আগবঢ়াইছে। খেৰাইত গোৱা বিভিন্ন গীতবোৰৰ স্বৰলিপিসমূহ ৰাভাই আগবঢ়াইছে। বড়ো সমাজত প্ৰচলিত বিভিন্ন লোকবিশ্বাসসমূহ ৰাভাই ইয়াত লিখিছে, গৃহ নিৰ্মাণ সম্পৰ্কীয় লোকবিশ্বাস, ‘নোমানো’, ভঁৰাল সম্পৰ্কীয় লোকবিশ্বাস ‘মাইনাও’, গোলি (গোহালি ঘৰ) সম্পৰ্কীয় লোকবিশ্বাস, কুঁৱা বা খাল, বাৰী, চোতাল, সম্পৰ্কীয় লোকবিশ্বাসবোৰ উল্লেখ কৰিছে। লগতে দৈনন্দিন জীৱনৰ চাফ-চিকুণতা, শৌচাচাৰ, স্নান, তাঁতশাল, এণ্ডি (এৰী কাপোৰ), ৰ বিষয়েও বিস্তৃতভাৱে লিখিছে। ৰাভাই বড়ো মহিলাৰ চুলি, কুৰূপা তিৰোতা, তিৰোতাৰ চৰিত্ৰ, অন্যান্য লোকবিশ্বাসৰ বিষয়েও ব্যাখ্যা আগবঢ়াইছে। বড়োসমাজৰ খেতি-বাতি, বড়ো-কৃষ্টি সংস্কৃতি, বড়ো কছাৰীসকলৰ প্ৰধান দেৱতা বাথৌ পূজা সম্পৰ্কে ৰাভাই বহলভাৱে লিখিছে। বড়ো সমাজত প্ৰচলিত বিভিন্ন গীত-মাত সম্পৰ্কেও ৰাভাই এই প্ৰবন্ধটোত বহল ব্যাখ্যা আগবঢ়াইছে।

বিষ্ণুপ্ৰসাদ ৰাভাই বড়োসকলৰ লগতে অসমৰ অন্যতম জনগোষ্ঠী ‘ৰাভা’ সকলৰ বিষয়েও লিখিছে। ৰাভাসকলৰ বিভিন্ন গোত্ৰ, শাৰীৰিক গঠন, খাদ্য, অলংকাৰ, ভাষা, ৰাভাসকলৰ সমাজ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰিছে। ৰাভাসকলৰ বিবাহ বিচ্ছেদ, ৰাভাসমাজত নাৰীৰ স্থান, খেতি পদ্ধতি, লোকদেৱতা, ৰাভাসকলৰ বিভিন্ন সাধুকথা ইয়াত উল্লেখ কৰিছে। বিভিন্ন পণ্ডিতৰ মতে ৰাভাসকলৰ ঐতিহাসিক পটভূমিৰ বিশ্লেষণ কৰিছে।

বিষ্ণু ৰাভাই ‘মৰং’ ঘৰ সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰিছে। ক্ৰমবিকাশৰ ধাৰাত মৰং ঘৰ কিদৰে জনজাতীয় সমাজৰ এক অভিন্ন অংগ হ’ল প্ৰবন্ধটোত আলোচনা আগবঢ়াইছে। বিষ্ণু ৰাভাই অসম তথা উত্তৰ পূৰৰ বিভিন্ন জনজাতিসকলৰ বিষয়ে লিখিছে। সেই জনজাতিসমূহ হৈছে-

আঙ্গামী, ৰেংমা, ছেমা; নগা জনগোষ্ঠীৰ অন্তৰ্গত এই আঙ্গামী, ৰেংমা, ছেমাসকলৰ জীৱন ধাৰণ প্ৰণালী, সমাজ ব্যৱস্থা, ধৰ্ম ইত্যাদি বিষয়ে ব্যাখ্যা কৰিছে।

'নৰকাসুৰ' প্ৰবন্ধটোত নৰকৰ জন্ম কাহিনীৰ বৃত্তান্ত আছে। বিষ্ণু ৰাভাই নৰকক বড়ো-কছাৰী আছিল বুলি ক'বলৈ প্ৰয়াস কৰিছে। "বসুমতীৰ পুত্ৰ আছিল কাৰণে নৰকাসুৰক বসুমতাৰী বুলি ভবা হৈছিল। বসুমতিনী হাৰী-অৰ্থাৎ বসুমতীৰ পুত্ৰ বা বংশ, গতিকে বসুমতাৰী।"(বি.প্ৰ.ৰা.ৰ.স., দ্বিতীয় খণ্ড, পৃ-১৩৩৮)। প্ৰবন্ধটোত নৰকাসুৰৰ পৰৱৰ্ত্তী কামৰূপৰ অধিপতি ভগদত্ত, বজ্ৰদত্ত, বাণৰ বিষয়ে উল্লেখ আছে। 'এটি টোকা'ত শংকৰদেৱৰ জন্মৰ সময়ত ঘটা আলৌকিক ঘটনা শংকৰদেৱৰ শিশু কালৰ লীলা, শিক্ষা গ্ৰহণৰ বিষয়ে উল্লেখ আছে। এই টোকা অসম্পূৰ্ণ।

'নৰেশ সেনগুপ্তৰ বংশধৰ' প্ৰবন্ধটোত মহেন্দ্ৰ বাঁড়ুয়্যে নামৰ উকীল এজনৰ বংশ, সন্তান, সন্তানসকলৰ জীৱিকাৰ বিষয়ে বৰ্ণনা কৰিছে। প্ৰবন্ধটোত অতীতৰ আৰু বৰ্তমানৰ সময়ত নৰ-নাৰীৰ বিবাহ সম্পৰ্ক, প্ৰেম সম্পৰ্কৰ বিষয়ে লগতে Ball Dance, আৰ্ট সম্পৰ্কে ব্যাখ্যা কৰিছে।

'The Philosophy for NEFA' ত এখন চিঠি *'The Philosophy for NEFA-PP-53 Fundamental Problems'* ত The Prime Minister's Policy, Material aims in NEFA, The Problem of the forests, Hunting and fishing, Communication, self sufficiency in cloth, Development of cottage industries' এই বিষয়কেইটাৰ ওপৰত ৰাভাই আলোকপাত কৰিছে। NEFA (এতিয়াৰ অৰুণাচলৰ) বিভিন্ন সমস্যা, উপদেশ ইয়াত উদ্যোগ স্থাপন, যোগাযোগ ইত্যাদিৰ বিষয়ে ৰাভাই প্ৰবন্ধটোত লিখিছে।

'চিঠিপত্ৰ' শিতানত ৰাভাই বিভিন্ন সময়ত বিভিন্ন ব্যক্তিলৈ লিখা ওঠৰখন চিঠি আছে। এই চিঠিবোৰৰ ভিতৰত হেমাঙ্গ বিশ্বাসলৈ ১৯৬৯ চনত ৰঙালী বিহুৰ শুভাশিস আৰু শিল্পী জীৱনৰ সমুজ্জ্বল হ'বলৈ কামনা কৰি চিঠিখন লিখিছে।

বিষ্ণুপ্ৰসাদ ৰাভাই ৰোগশয্যাৰ পৰা ১৯৬৯ চনত 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ৰ অসম ৰাজ্যিক পৰিষদলৈ এখন চিঠি লিখিছিল। চিঠিখনত দ্বিতীয় মহাযুদ্ধ, অসমীয়া কৃষ্টি, ১৯৪৫ চনৰ পৰা ৰাইজৰ বাবে ৰাভাই কৰা বিপ্লৱ, জনগণক প্ৰকৃত স্বাধীনতা দিবলৈ মাৰ্ক্সবাদৰ মতাদৰ্শৰ প্ৰচাৰ, ১৯৪৬ বোলছবি 'চিৰাজ'ৰ পৰিচালনাৰ কাম, কাৰাৰুদ্ধ জীৱনৰ কথা স্মৰণ কৰিছে। শেষত ভাৰতৰ কমিউনিষ্ট পাৰ্টিৰ অসমত ৰূপালী জয়ন্তী উপলক্ষে ৰাভাই ৰোগশয্যাৰ পৰাই অভিনন্দন জনাইছে।

বিষ্ণু ৰাভাই ১৯ নৱেম্বৰ, ১৯৫৩ চনত তিলক দাসলৈ দিয়া চিঠিখনত ৰাভাৰ বিষয়ে কি দৰে, কি কি বিষয় লিখিব সেইবোৰৰ বিষয়ে উপদেশ দি চিঠিখন লিখিছে। ইয়াৰ বাহিৰে বিষ্ণুপ্ৰসাদ ৰাভাই অন্য চিঠিবোৰ পত্নী মোহিনী ৰাভালৈ আৰু দুই পুত্ৰ থুন-থুন, মুন-মুনলৈ লিখিছে। এই চিঠিবোৰত সংসাৰৰ দায়িত্ব, অভাৱ-অভিযোগৰ কথা, ঘৰ চলাবলৈ মণিঅৰ্ডাৰ তথা বিভিন্ন ঠাইৰ পৰা টকা-পইচা প্ৰেৰণ, সন্তানক বিভিন্ন উপদেশ, সুখ-দুখৰ সমভাগী হৈ চিঠিবোৰ লিখিছে। বিষ্ণুপ্ৰসাদ ৰাভাই এখন অসম্পূৰ্ণ আত্মজীৱনী লিখিছিল। ১৯৩২ চনৰ শ্বিলঙত কটোৰা চেমনীয়া ৰাভাই ফুটবল খেলাৰ কথা বৰ্ণনা কৰিছে, সংগীতৰ মজলিচত গীত শুনাৰ কথা উল্লেখ কৰিছে। বিষ্ণুপ্ৰসাদ ৰাভাৰ নাট, গীতৰ লগতে ৰাভাই কৰা তাণ্ডৱৰ কথাও উল্লেখ কৰিছে। ভাৰতৰ বিভিন্ন স্থানত নৃত্য প্ৰদৰ্শন কৰাৰ কথা জীৱনীখনত লিখিছে। আত্মজীৱনীখন অসম্পূৰ্ণ।

বিষ্ণুপ্ৰসাদ ৰাভাৰ 'ৰচনা সম্ভাৰ'ত 'অন্যান্য' শিতানত বড়ো গল্প 'মাওৰীয়া শ্ৰীন্ ঝহলাও' আৰু 'হৰতা কোঁৱৰ' নামৰ দুটা গল্প সন্নিবিষ্ট কৰা হৈছে। 'মাওৰীয়া শ্ৰীন্ ঝহলাও' নামৰ গল্পটি অসমীয়া আৰু বড়ো দুয়োটা ভাষাতে ৰচিত। গল্পটিত ওলচীয়াৰ পুতেক মাওৰীয়া চৰণ ঝহলাওৱে (জোহৌলাও) নিজৰ বীৰত্বৰে শ্ৰেষ্ঠত্ব লাভ কৰাৰ কথা গল্পটোত বৰ্ণনা কৰিছে।

'হৰতা কোঁৱৰ'ক গল্প নুবুলি সাধুকথা কোৱাহে সমীচিন হ'ব। হৰতা কোঁৱৰে নিজৰ বুদ্ধিৰ বলত পিতৃ আৰু পাঁচ ভাইৰ ষড়যন্ত্ৰ মষিমূৰ কৰি জীয়াই থকাৰ কাহিনী পোৱা যায়।

বিষ্ণুপ্ৰসাদ ৰাভাৰ জীৱনৰ অধ্যয়ন কৰিলে আমি তেওঁক সৰ্বহাৰা জনতাৰ কণ্ঠ স্বৰূপে দেখা পাওঁ। সমগ্ৰ জীৱনজুৰি তেওঁ দুখীয়া-মজদুৰ, শ্ৰমিক শ্ৰেণীৰ মুক্তিৰ হকে সংগ্ৰাম কৰিছিল। প্ৰথমে 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত যোগ দি সশস্ত্ৰ সংগ্ৰাম আৰু পৰৱৰ্তী সময়ত 'ভাৰতৰ কমিউনিষ্ট পাৰ্টি'ত যোগদান দি সংসদীয় ৰাজনীতিত প্ৰৱেশ কৰে। সংগ্ৰামী ৰাভাই নিষিদ্ধ ঘোষিত 'ভাৰতৰ বিপ্লৱী কমিউনিষ্ট পাৰ্টি'ত যোগ দি চৰকাৰৰ গ্ৰেপ্তাৰৰ আকংক্ষাত আত্মগোপন কৰি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ যাযাবৰী জীৱন কটাবলগীয়া হৈছিল।

বিষ্ণুপ্ৰসাদ ৰাভাৰ ৰচিত সমগ্ৰ সাহিত্যৰাজি অধ্যয়ন কৰিলে তেখেতৰ অসম তথা ভাৰতৰ কৃষ্টি-সংস্কৃতি, গীত, বিভিন্ন শিল্প, সাহিত্য, জাতি-জনজাতিৰ বিষয়ে গভীৰ গৱেষকৰ ৰূপটো দেখা পোৱা যায়। তেখেতৰ সাহিত্যৰাজিৰ মাজেৰে মাৰ্ক্সীয় সাম্যবাদী দৰ্শন দেখা পোৱা যায়। তেখেতৰ ৰচিত সাহিত্যৰাজিৰ মাজেৰে মাৰ্ক্সীয় ভাৱধাৰা প্ৰকট হৈছে।

## প্ৰসংগটোকা

গোহাঁই, হীৰেণ (সম্পা) । *সৈনিক শিল্পী বিষ্ণু ৰাভা* । পৃ-১২৯।

দাস, যোগেশ (সম্পা)। *বিষ্ণুপ্ৰসাদ ৰাভা ৰচনা সম্ভাৰ*। প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ড । পৃ-১-৭১০, ৭১১-১৩৩৮।

দাস, ৰজনীকান্ত (সম্পা) । *বিষ্ণুপ্ৰসাদ ৰাভা ঃ চিন্তা আৰু চেতনা*। পৃ-১৪০-১৪১।

বৰা, দিলীপ আৰু শৰ্মা, অনুৰাধা (সম্পা) । *মুক্তি দেউলৰ ৰূপকাৰ* । পৃ-৭৩-১১৭।

বৰা, দেবেন্দ্ৰনাথ। *বিষ্ণু ৰাভাৰ সংগ্ৰামী আভা*। পৃ-৭।

ভট্টাচাৰ্য, নলিনীধৰ (সম্পা) । *বিষ্ণুপ্ৰসাদ ৰাভা-জীৱন আৰু কৃতি* । পৃ-৯৫-১০৫।

হোছেইন, ইছমাইল। *বিষ্ণু ৰাভাৰ জীৱন আৰু দৰ্শন*। পৃ-৪।

শৰ্মা, শশী। *বিশ্বপ্ৰেমী বিষ্ণুপ্ৰসাদ ৰাভা*। পৃ-৯২-১৬৮।